কোচ ৰাজবংশী ভাষাৰ উৎপত্তি বিকাশ আৰু নামকৰণ

এটি পৰ্যালোচনা

উৎপল সিংহ

কোচ ৰাজবংশী ভাষাৰ উৎপত্তি, বিকাশ আৰু নামকৰণ ঃ এটি পৰ্যালোচনা

উৎপল সিংহ

Koch Rajbongshi Bhasar Utpotti, Bikash aru Namkaran : Eti Parjalachana

A book dealing with the origin and development of the Koch Rajbongshi Language is written by Utpal Singha and Published by Koch Rajbongshi Jaguwani Kobi Samaj, Chirang.

© by Author

প্ৰকাশক ঃ

কোচ ৰাজবংশী জাগুৱানী কবি সমাজ, চিৰাং

প্ৰথম প্ৰকাশ ঃ নৱেম্বৰ, ২০২৩

ISBN : 978-93-6039-044-0

অক্ষৰ বিন্যাস ঃ

গোপাল সাহা, লিটন বসাক

মূল্য ঃ ১৫০.০০ টকা

মুদ্ৰণ ঃ

অৰিন্দম অফচেট এণ্ড ইমেজিং চিষ্টেমছ

ৰাজগড়, গুৱাহাটী - ৩

প্রয়াত বিপিন বর্মন

জন্ম ঃ ০৩-১০-১৯৪৬ ইং

মৃত্যু ঃ ০১-০৬-২০২১ ইং

উৎসৰ্গা

কোচ ৰাজবংশী জাতিৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামত বিজ্ঞানসন্মত এক সৰ্বাত্মক চিন্তা-চৰ্চাৰে জাতিটোক ঐক্যবদ্ধ কৰি আগুৱাই লৈ যোৱা প্ৰয়াত বিপিন বৰ্মন দেৱৰ পবিত্ৰ স্মৃতিত এই গ্ৰন্থখন উৎসৰ্গা কৰিলোঁ।

কৃতজ্ঞতা স্বীকাৰ

অমৃত পাটগিৰি

ড° ৰূপাঞ্জলী দেৱী

ড° ৰামচন্দ্ৰ ডেকা

ড° দিলীপ ৰাজবংশী

হৰমোহন মেধী

প্ৰভাত বৈষ্ণৱ

মানিক দত্ত

পবিত্ৰ কুমাৰ ৰায়

নৃপেন ৰায়

শৰৎ ৰায়

বিকাশ ৰায়

মঞ্জু প্ৰভা বৰুৱা

ধীৰেশ চন্দ্ৰ ৰায়

জ্যোৎস্না প্ৰিয়া দেৱী

অশ্বিনী ৰায়

মনোজ ৰায়

ভূগুমণি ৰায়

হিৰকজ্যোতি প্ৰধানি

সত্ৰজিৎ ৰায়

জয়েশ বৰ্মন

পাতনি

গ্ৰন্থখনৰ পাতনিতে অকপটভাৱে স্বীকাৰোক্তি দিছোঁ যে মই ভাষাবিদ নহয়, তেনেই সাধাৰণ পঢ়ুৱৈহে। গতিকে ভাষাবিদ্ নোহোৱাকৈ ভাষাৰ ওপৰত লিখাৰ অধিকাৰ থাকে নে নেথাকে নাজানো। এই কথা অৱগত নোহোৱাকৈ কোচ ৰাজবংশী ভাষাৰ ওপৰত দু-আষাৰ লিখাৰ বাবে হাতত কলম তুলি ললোঁ; তাৰ বাবে মই ক্ষমাপ্ৰাৰ্থী। কোচ ৰাজবংশী ভাষাৰ ওপৰত কিছু কথা লিখাৰ বাবে হাতত কলম তুলি লোৱাৰ প্ৰথম কাৰণটোৱেই হ'ল মই এজন কোচ ৰাজবংশী জনগোষ্ঠীৰ লোক। দ্বিতীয় কাৰণটো হ'ল মনৰ মাজত সুপ্ত হৈ থকা কোচ ৰাজবংশী জাতীয় চেতনা আৰু তৃতীয় কাৰণটো হ'ল শেহতীয়াকৈ প্ৰকাশিত কিছু গ্ৰন্থত কোচ ৰাজবংশী জনগোষ্ঠী আৰু জনগোষ্ঠীটোৰ ভাষাৰ ওপৰত আগবঢ়োৱা অপব্যাখ্যাৰ স্পষ্টীকৰণ দিয়াৰ তাগিদা। শেহতীয়াকৈ প্ৰকাশিত কিছু গ্ৰন্থ-আলোচনীত কোচ ৰাজবংশী জনগোষ্ঠী সম্পৰ্কে যি ধৰণে ব্যাখ্যা আগবঢ়াইছে তাক আমি গ্ৰহণ কৰিব পৰা নাই। ইয়াৰ সবিশেষ আমি পৰৱৰ্তী সময়ত নিশ্চয় সবিস্তাৰে প্ৰকাশ কৰিম।

যিহেতু আমি কোচ ৰাজবংশী জনগোষ্ঠীৰ অভাৱ-অভিযোগ, পিছপৰা অৱস্থাৰ পৰা উন্নয়নৰ চিন্তা-চৰ্চা কৰিছো; সেয়ে অনগ্ৰসৰ, অনুন্নত, নিপিড়িত এই জনগোষ্ঠীৰ সামগ্ৰিক বিকাশৰ বাবে হাতত কলম তুলি ল'বলৈ বাধ্য হৈছোঁ।

বহুতে জানিও নজনাৰ ভাও ধৰি কোচ ৰাজবংশীসকলৰ ইতিহাস বিকৃত কৰি গৈ আছে। এনে প্ৰতিক্ৰিয়াশীল শক্তিৰ বিৰুদ্ধে আমাৰ অগ্ৰজসকলে যুঁজ দি গৈছে; আমিও তেনে যুঁজৰ সাধাৰণ সৈনিক হিচাপে কিছু স্পষ্টীকৰণ দিয়াটো উচিত বুলি বিবেচনা কৰিছোঁ।

মূল কথাটো হ'ল ১২২৮ খ্ৰীষ্টাব্দত আহোমসকলৰ আগমনৰ পূৰ্বে উত্তৰ-পূৰ ভাৰতত অসম নামৰ কোনো এখন ৰাজ্য নাছিল। আছিল কোচ ৰাজ্য, কছাৰী ৰাজ্য, বৰাহী ৰাজ্য, চুতীয়া ৰাজ্য, জয়ন্তীয়া ৰাজ্য, খৈৰাম ৰাজ্য আদি সৰু সৰু ৰাজ্য।

আহোমসকলে উজনি অসমত 'সাত ৰাজ মাৰি এক ৰাজ কৰা নীতি' কাৰ্যকৰী কৰি অসম আৰু অসমীয়া জাতিগঠনৰ ভেটি ত্বৰান্বিত কৰি তুলিছিল। কিন্তু কোচ ৰাজবংশীসকলৰ গৰিষ্ঠ সংখ্যকেই অসমীয়াকৰণৰ বাহিৰত আছিল। সেই সময়ত কোচ ৰাজবংশীসকলৰ ভাষাটো দেশী ভাষা হিচাপে স্বীকৃতি লাভ কৰিছিল। মহাৰাজ নৰনাৰায়ণ আৰু বিশ্ব মহাবীৰ চিলাৰায়ৰ ৰাজত্বকালত কোচ ৰাজ্যৰ ৰাজ-ভাষা হিচাপে মান্যতা পোৱা ভাষাটো কোচ ৰাজবংশীৰ সেই সময়ৰ মাতৃভাষা আছিল যদিও অসমৰ লেখক-বুদ্ধিজীৱীসকলে ৰাজনৈতিক চক্ৰান্তৰে সেই ভাষাটোক ব্ৰজাৱলী ভাষা হিচাপে নামকৰণ কৰি কোচ ৰাজবংশীসকলৰ ভাষা-সংস্কৃতিৰ অস্তিত্বৰ বিৰুদ্ধে ভয়ানক ষড়যন্ত্ৰৰ জাল মেলি দিছিল।

কিন্তু শংকৰদেৱৰ কাব্য সাহিত্যত ব্যৱহাৰ কৰা ভাষাটো ব্ৰজাৱলী নহয়। কাৰণ ই শ্ৰীকৃষ্ণৰ জন্মস্থান মথুৰা বা ব্ৰজপুৰ বা বৃন্দাবনৰ ভাষা নহয়। মথুৰা হ'ল শ্ৰীকৃষ্ণৰ জন্মস্থান। শ্ৰীকৃষ্ণই বাল্যকালত বাল্যলীলা কৰে গোকুল বা বৃন্দাবনত আৰু সেই বাল্যলীলাৰ আধাৰত ব্ৰজপুৰত ৰচিত সাহিত্যৰ ভাষাকহে ব্ৰজাৱলী ভাষা বুলি কোৱা হৈছে। সেই ভাষাৰ লগত শংকৰদেৱৰ ভাষাৰ কোনো মিল নাই।

প্ৰাচীন অসমীয়া, প্ৰাক্‌শংকৰী আৰু শংকৰী যুগৰ সাহিত্যৰ ভেটি আছিল দেশী বা কোচ ৰাজবংশী ভাষা। যাৰ ভিত্তিত আমি ক'ব পাৰো কোচ ৰাজবংশী বা দেশী ভাষাটো অসমীয়া ভাষাৰ উপভাষা হ'ব নোৱাৰে।

কোচ ৰজা-মহাৰজাসকলৰ ৰাজত্বকালত দেশী নামটোৰ বহুল প্ৰচলন আছিল। ইয়াৰ দ্বাৰাই প্ৰমাণিত হয় যে দেশী শব্দই কোচক বুজাইছে। কোচৰ

ভাষাই দেশী ভাষা। কাৰণ কোচৰে আন এটা পৰিচিতি ‘দেশী’। নিৰ্দিষ্ট এটা ভাষা- সংস্কৃতি বিকাশৰ ভেটি হ’ল নিৰ্দিষ্ট এটা নৃ-গোষ্ঠীয় সমাজব্যৱস্থা আৰু এই দেশী ভাষাটো কোচ ৰাজবংশী সমাজতহে ঠন ধৰি উঠিছে। যাৰ বাবে ভাষাটো কোচ ৰাজবংশী ভাষা।

যি কি নহওক এই ক্ষুদ্ৰ গ্ৰন্থখনত **কোচ ৰাজবংশী ভাষাৰ উৎপত্তি, বিকাশ, প্ৰচলন আৰু নামকৰণৰ** ওপৰত এটি আভাস দিবলৈ বিনম্ৰভাৱে প্ৰয়াস কৰা হৈছে। আশা কৰোঁ গ্ৰন্থখন সুধী সমাজে আদৰি ল’ব আৰু ভুল ক্ৰটিবোৰ আঙুলিয়াই দি এই অভাজনক পৰম উপকৃত কৰিব।

উৎপল সিংহ

উলুবাৰী, বাসুগাঁও, চিৰাং

কোচ ৰাজবংশী ভাষাৰ উৎপত্তি, বিকাশ আৰু নামকৰণ ঃ এটি পৰ্যালোচনা

| উৎপল সিংহ

প্ৰাচীন ৰামায়ণ-মহাভাৰতৰ দিনত অসম ৰাজ্যখনৰ নাম ‘প্ৰাগ্‌জ্যোতিষ’ আছিল। পুৰাণ আৰু তন্ত্ৰ সমূহত এই দেশৰ নাম ‘কামৰূপ’ নামেৰে লিপিবদ্ধ আছে। এই সম্পৰ্কত ‘A History of Assam’ নামৰ গ্ৰন্থত Sir Edward Gait য়ে লিখিছে এনেদৰে - “In the Hindu epics and in Pouranik and Tantrik Iiterature there are numerous references to ancient Assam, which is known as Pragjyotisha in the Mahabharata and as Kamrupa in the Purans and Tantras”(Reprinted Edition: January, 2008, page-10). কামৰূপ নামৰ সমান্তৰালকৈ যোগিনীতন্ত্ৰত ‘কমতা’ ৰাজ্যৰ নাম লিপিবদ্ধ আছে (‘কোচ বিহাৰেৰ ইতিহাস’, খাঁ চৌধুৰী আমানত উল্লা আহমদ, পুনৰ মূদ্ৰণ - ২০০১, পৃষ্ঠা-৩)।

প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ পশ্চিম সীমা আছিল কোশী নদী আৰু এই ৰাজ্য বিদেহ ৰাজ্যই (মিথিলা) চুই গৈছে। ইতিহাসবিদ কনকলাল বৰুৱাই তেওঁৰ - “Early History of Kamrupa” নামৰ গ্ৰন্থত লিখিছে - “It is found from epigraphic evidence that, about the begining of the sixth century AD, the western boundary of Pragjyotisha was the Kosi river. Pragjyotisha therefore touched Videha (Mithila) on the west” (Reprinted-2008, LBS Publications,Guwahati, Page-2).

প্ৰাগ্‌জ্যোতিষ-কামৰূপ ৰাজ্যৰ বিস্তৃতি সম্পৰ্কে ইতিহাসবিদ ড০ ডিম্বেশ্বৰ শৰ্মাই তেওঁৰ ‘প্ৰাগ্‌জ্যোতিষৰ ইতিহাস’ নামৰ গ্ৰন্থত সুন্দৰকৈ লিপিবদ্ধ কৰিছে

এনেদৰে - "এই কামৰূপ ৰাজ্যৰ ৰাজধানী প্ৰাগ্‌জ্যোতিষপুৰ লৌহিত্য নদৰ তীৰত যে এই বিষয়ে সন্দেহ নাই। ....এইটো স্পষ্টভাৱে প্ৰতীয়মান হয় যে আপেক্ষিকভাৱে অৰ্বাচীন সময়তো কামৰূপ ৰাজ্য অতি বিস্তৃত আছিল আৰু হিমালয়ৰ পাদ পৰ্বতমালাৰ পৰা আৰুদ্ধ ভূমিখণ্ডকে ধৰি চীনদেশৰ আৰু তিব্বতৰ অংশ বিশেষ, উত্তৰ ভূটান আৰু অৰুণাচল পাৰ্বত্য অঞ্চল, জলপাইগুৰী, কোচবিহাৰ, ৰংপুৰ, বগুৰা, মৈমনসিংহ, ঢাক্কা, পাবনাৰ একখণ্ড, ত্ৰিপুৰা আৰু চট্টগ্ৰামৰ পৰ্বতীয়া ভূমিভাগৰ সৈতে অসম আৰু সুৰমা উপত্যকা সন্নিবিষ্ট বংগোপ সাগৰলৈকে বিস্তৃত ভূ-ভাগ এই দেশৰ অন্তৰ্গত আছিল" (প্ৰথম প্ৰকাশঃ ২০০২, জ্যোতি প্ৰকাশন, পাণবজাৰ গুৱাহাটী, পৃষ্ঠা-৩৪)।

প্ৰাগ্‌জ্যোতিষ, কামৰূপ বা কমতা নামৰ এই ভূ-খণ্ডত যিহেতু মানুহৰ উৎপত্তি হৈছিল বুলি ভাবিবলৈ কোনো তথ্যপাতি নাই; সেয়ে এই অঞ্চলৰ মানুহৰ ইতিহাস মূলতঃ প্ৰব্ৰজনৰে ইতিহাস। নৈপৰীয়া, সাৰুৱা আৰু পলস পৰি থকা শস্যভূমিৰ বাবে এই অঞ্চলত প্ৰাচীন কালৰ পৰাই বিভিন্ন জনসমষ্টিৰ প্ৰব্ৰজন ঘটিছিল আৰু বৰ্তমানেও ঘটি আছে। কোনোবা আহিছে ইতিহাসে ঢুকি নোপোৱা কালত আৰু কোনোবা আহিছে ঐতিহাসিক কালত। মানৱ জাতিৰ এই প্ৰব্ৰজনৰ ধাৰাত খ্ৰীষ্টপূৰ্ব কালতেই কোচ ৰাজবংশীসকলৰ উত্তৰ-পূৰ্বাঞ্চললৈ আগমন ঘটে। প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথৰ মতে কোচসকলৰ চীনৰ চিকিয়াং প্ৰদেশৰ 'কুচ' বা 'কুচা' উপত্যকাৰ পৰা ভাৰত তথা উত্তৰ পূৰ্বাঞ্চললৈ আগমন ঘটে। প্ৰাগ্‌ঐতিহাসিক যুগতে এই কুচ বা কুচাৰ পৰা অহাৰ বাবেই তেওঁলোকে জাতিৰ নাম পাইছে 'কোচ'। প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথে লিখিছে - "Some of them however, retained the name of the piculiar portion of the country from which they migrated at a later date. These were the Koches who perhaps migrated from the kuchar or kucha area" ('Raj Mahan Nath Rachanavali', Volume-II, first edition : 2013, Assam Sahitya Sabha, Edited by Durba Ghosh, page-34).

মংগোলীয়া হ'ল চীনৰ একেবাৰে পশ্চিম সীমাত থকা চিকিয়াং প্ৰদেশৰ উত্তৰত অৱস্থিত। 'কুচা' চিকিয়াং প্ৰদেশৰ অন্তৰ্গত। কিন্তু অতীতত কুচা তুৰ্কীসকলৰ দেশ তাৰ্কিস্থানৰ অন্তৰ্গত আছিল। কোচসকলে কুচাৰ পৰা অহাৰ

সত্যতা বহন কৰে 'খামাল' বা খামাৰ শব্দই (খামাল/খামাৰ-খাম+আগাৰ=খামাৰ,খাম-পণ্য সামগ্ৰী)। যাৰ অৰ্থ পণ্য সামগ্ৰীৰ দম। 'খামাল' হ'ল প্ৰাচীন দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা কোচ ৰাজবংশী(পূৰ্বতে কোচ)সকলৰ এটা অতি প্ৰয়োজনীয় শব্দ (যেনে- খাদ্য সংগ্ৰহ কৰি আনি 'খামাল' কৰি ৰখা বা খৰি-খেৰ সংগ্ৰহ কৰি খামাল কৰি ৰখা ইত্যাদি)। এই খামাল বা খামাৰ শব্দ কোচ ৰাজবংশীসকলে সুদূৰ কুচাৰ পৰা বুকুত সাবতি কঢ়িয়াই লৈ আহিছে প্ৰাগ্‌জ্যোতিষ-কামৰূপ-কমতা তথা কোচ ৰাজ্যলৈ। এই খামাল বা খামাৰ এটা তুৰ্কীমূলীয় শব্দ।

পণ্ডিতসকলে নিশ্চিত কৰিছে যে কোচসকলে চীনৰ চিকিয়াং প্ৰদেশৰ পৰা পশ্চিমত পামিৰ মালভূমি অতিক্ৰম কৰি পূৰ্ব-ইৰাণ হৈ আফগানিস্তানৰ দুৱাৰেৰে সিন্ধু উপত্যকাত আহি উপস্থিত হয়। য'ত কোচসকলে সিন্ধু সভ্যতাৰ অংশীদাৰ হয়। আফগানিস্তান ভাৰতবৰ্ষৰ দুৱাৰমুখ। উত্তৰ পশ্চিমৰ পৰা হোৱা জনহেঁচা, সেয়া সাধাৰণ জন প্ৰব্ৰজনেই হওক বা সৈনিক আক্ৰমণেই হওক আৱহমান কালৰ পৰা চলি আহিছে। কোচসকলৰ সভ্যতাৰ লগত জড়িত আৰু এটা সুন্দৰ শব্দ হ'ল 'চেৰাগ'। এই 'চেৰাগ' শব্দও তেওঁলোকে সুদূৰ ইৰাণৰ পৰা বুকুত সাবতি কঢ়িয়াই লৈ আহিছে প্ৰাচীন প্ৰাগ্‌জ্যোতিষ ৰাজ্যলৈ। কিয়নো এই 'চেৰাগ' শব্দ মূল পাৰ্চী (Persian) 'চিৰাগ' (Cerag or Carag - Lamp or Lightsource) শব্দৰ পৰা আহিছে। তেনেদৰে কোচসকলে ব্যৱহাৰ কৰা আৰাম, কমবক্তা, তহল, তালাশ, নামজাদা, আসকা, আলাদা আদি বহুতো শব্দ পাৰ্চী (Persian) মূলীয় শব্দ। পূৰ্ব-ইৰাণ, উত্তৰ-পশ্চিম ভাৰত বা সিন্ধু উপত্যকাত অৱস্থান কৰাৰ সময়তেই আৰ্য আৰু অষ্ট্ৰিক সভ্যতাৰ দ্বাৰা কোচসকল প্ৰভাৱিত হয় যাৰ বাবে আন আন মংগোলীয় প্ৰজাতিৰ লগত কোচসকলৰ ভাষা-সংস্কৃতিৰ অমিলৰ বৈশিষ্ট্য পৰিলক্ষিত হয়। আমাৰ ধাৰণা কোচৰ গাৰ ৰং, আকাৰ-আকৃতি উত্তৰ-পশ্চিম ভাৰতৰ পৰাই বহন কৰি লৈ আহিছে। কোচৰ গাৰ ৰং ক'লাই ৰক্ত সংমিশ্ৰণৰ ইংগিত দিয়ে।

উত্তৰ পশ্চিমৰ পৰা কোচসকলৰ আগমনৰ ব্যাখ্যা আগবঢ়াইছে পণ্ডিত শিৱেন্দ্ৰ নাৰায়ণ কোচে তেওঁ লিখা 'কোচ জনগোষ্ঠীৰ অতীত সন্ধানত এটি খোজ' নামৰ গ্ৰন্থখনত। গ্ৰন্থখনত সন্নিবিষ্ট কিছু তথ্যৰ লগত একমত নহলেও

কিছু তথ্য আমি গ্ৰহণ কৰিছো। উত্তৰ পশ্চিমৰ পৰা কোচসকলৰ আগমনৰ ব্যাখ্যা তেওঁ আগবঢ়াইছে এনেদৰে - "চিকিয়াঙৰ পশ্চিমত পামীৰ মালভূমি। তাৰ দক্ষিণ-পশ্চিমত আফগানিস্তান। বাদাক্‌চান আফগানিস্তানৰ পূৰ্ব প্ৰান্তৰ প্ৰদেশ। তাত তেওঁলোকে কুচাৰ পৰা আহি উপনিবেশ স্থাপন কৰে। এই উপনিবেশৰ নাম আৰ্যসকলে ৰাখে কম্বোজ। তাত যে কোচসকল আছিল তাৰ প্ৰমাণ বাদাক্‌চানৰ মুখ্য নদীৰ নাম তেওঁলোকৰ জাতি বা আদি দেশৰ নামানুসাৰে ৰাখে কুচ বা কুচা আৰু অঞ্চলটোৰ সৰ্বোচ্চ পৰ্বতৰ নামকৰণ কৰে জাতিৰ নামানুসাৰে কুচ প্ৰত্যয় যোগ কৰি 'হিন্দু-কুচ'। ... আফগানিস্তান ভাৰতবৰ্ষৰ দুৱাৰমুখ স্বৰূপ। উত্তৰ আৰু পশ্চিমৰ পৰা জনহেঁচা সেয়া সাধাৰণ জন প্ৰব্ৰজনেই হওক বা সৈনিক আক্ৰমণেই হওক আৱহমান কালৰ পৰা চলি আছিল। কুচা উপত্যকা ইৰাণৰ পূৰ্ব প্ৰান্তত। গতিকে তাৰ পৰাও খেদা খাই বা জনহেঁচা পোৱাত তেওঁলোকে দক্ষিণ-পূৱলৈ প্ৰব্ৰজন কৰে আৰু সিন্ধু উপত্যকাত উপনীত হয় য'ত তেওঁলোকে সিন্ধু-সভ্যতাৰ অংশীদাৰ ৰূপে অংশ গ্ৰহণ কৰে। পিছত আৰ্যসকল অহাৰ পিছত প্ৰাধান্যৰ বাবে সুদীৰ্ঘ সংগ্ৰাম চলে যি সংগ্ৰামত তিষ্ঠিব নোৱাৰি এটা দল দক্ষিণলৈ আৰু আনটো দল পূৱলৈ প্ৰব্ৰজন কৰে। তেওঁলোকৰ পিছে পিছে আৰ্যও পূৱলৈ অগ্ৰসৰ হয়। ফলত কোচসকলে আৰু পূৱলৈ অগ্ৰসৰ হয় যেতিয়ালৈকে তেওঁলোকে অসম বা উত্তৰ-পূৱ ভাৰত পোৱা নাছিল। এইদৰে তেওঁলোকে উত্তৰ-পূৱ ভাৰতত আহি উপস্থিত হয়, য'ত তেওঁলোকক বৰ্তমান সময়ত দেখিবলৈ পোৱা যায়। " (পৃষ্ঠা -৯৮-৯৯ , প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ ২০১২, প্ৰকাশকঃ মেঘালয় কোচ সন্মিলন, তুৰা; জিলাঃ পশ্চিম গৰো পাহাৰ, মেঘালয়)।

প্ৰাচাৰ্ণৰ পণ্ডিত নগেন্দ্ৰ নাথ বসুয়ে তেওঁৰ 'Social History of Kamrupa' নামৰ গ্ৰন্থত কৈছে যে প্ৰায় ছয় হাজাৰ বছৰ আগতে 'পানীকৰচ' নামে এটা জাতি হিমালয়ৰ দক্ষিণৰ পৰ্বতীয়া বাটেদি সিন্ধু উপত্যকাৰ পৰা কামৰূপ ৰাজ্যলৈ আহিছিল। তেওঁলোকৰ ভিতৰত ভদ্ৰকালী পূজাৰ প্ৰচলন আছিল। পাছত আৰ্যসকলেও সেই বাটেৰেই উত্তৰ-পূৰ্বাঞ্চললৈ আহিছিল। এই পানীকৰচসকলেই প্ৰাচীন কামৰূপৰ বাসিন্দা। প্ৰত্নতাত্বিক নগেন্দ্ৰ নাথ বসুয়ে

লিখিছে- “Seems that probably they were the original inhabitants of the place giving the name kamrupa on account of the piculiar custom developed by them”.

এই পানীকৰচসকলৰ ধৰ্মীয় সংস্কৃতি অধ্যয়ন কৰিলে দেখা যায় যে তেওঁলোক শক্তি উপাসক আছিল। প্ৰাচাৰ্ণৰ পণ্ডিত নগেন্দ্ৰ নাথ বসুৰ মতে ভদ্ৰকালীৰ পূজা প্ৰথম পানীকৰচসকলেই কৰিছিল। ‘Social History of Kamrupa’ নামৰ গ্ৰন্থত তেওঁ লিখিছে-“Even down to this day Kamrupa is found to enjoy the honour of being the first seat of Sakti worship. And the secret of this honour lies in joint worship of Siva and Sakti (male and female energy) which is in vouge here. To me it seems that Sakti-worship of this place has been handed down from Panis who were the first to introduce worship of the female energy” (‘Social History of Kamrupa’, N.N.Basu, Page-61, vol.2, reprint in 2017).

শক্তিপূজা যে প্ৰাচীন কামৰূপৰ বাসিন্দাৰ নিজস্ব সভ্যতাৰ নিদৰ্শন সেই বিষয়ে কাৰো দ্বিমত থাকিব নালাগে। ইতিহাসে কয় ব্ৰহ্মপুত্ৰ উপত্যকাৰ সভ্যতা গংগা উপত্যকাৰ সভ্যতাৰ সমান্তৰাল আছিল। কাৰণ ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ ৰজা ভগদত্ত কিৰাত আৰু চীনা সৈন্য লগত লৈ মহাভাৰতৰ যুদ্ধত অংশ লৈছিল আৰু অৰ্জুনৰ লগত হোৱা যুদ্ধত নিজৰ পৰাক্ৰম দেখুৱাইছিল অৰ্থাৎ পৰাক্ৰমত ভগদত্ত অৰ্জুনৰ সমকক্ষ আছিল। এই ক্ষেত্ৰত ‘A Brief History of Assam’ নামৰ গ্ৰন্থত নগেন্দ্ৰ নাথ আচাৰ্য্যয়ে লিপিবদ্ধ কৰিছে এনেদৰে - “At the end of his ruling career, Bhagadatta joined in a greater war against the Pandava princes. According to the “Mahabharata”, the Kaurava and the Pandava princes were quarelling for the empire of India and they met in the field of Kurukshetra for their final struggle. The great battle of Kurukshetra perhaps took place in the middle of the second millennium B.C. Bhagadatta assisted the Kaurava princes in the war with his army of Chins and Kiratas and a large number

of elephants. The heroic deeds of Bhagadatta are narrated in the pages of the 'Mahabharta. He fought riding his elephant named Supritika and was eventually killed in a combat with Arjuna. The tradition regarding king Bhagadatta is also preserved in several 'Puranas'. A big tank in Guwahati known even today as 'Digali Pukhuri' is said to have been excavated by Bhagadatta at the time of marriage of his daughter Bhanumati with Duryyadhana, This tank still bears the memory of that ancient king of Pragjyotisha". (Page-13-14, published by Omsons Publications, Rajouri Gerden, New Delhi -110027). কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সভ্যতা আৰু গংগা উপত্যকাৰ সভ্যতা একে নাছিল। কাৰণটো হ'ল ব্ৰহ্মপুত্ৰ উপত্যকা অনাৰ্য সংস্কৃতিৰে ভৰা আৰু গংগা উপত্যকা আৰ্য সংস্কৃতিৰ প্ৰাধান্য থকা উপত্যকা। আৰ্যসকলৰ বৈদিক ধৰ্মৰ অৱনতিৰ সময়ছোৱাত বৌদ্ধ ধৰ্মক ৰাজ ধৰ্ম কৰা সম্ৰাট আশোকৰ ৰাজ্যৰ মানচিত্ৰখনে কয় বৰ্তমানৰ বিহাৰৰ পূৱ-উত্তৰৰ পৰা ক্ৰমে পূৱলৈ আজিৰ ভাৰতৰ উত্তৰ-পূৱ অঞ্চলত সুকীয়া ৰাজ্য আছিল অৰ্থাৎ স্বতন্তৰীয়া ৰাজ্য স্বতন্তৰীয়া সভ্যতা-সংস্কৃতি। এই সম্পৰ্কত ড° বাণীকান্ত কাকতিৰ 'পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা' নামৰ নিৱন্ধটোত সেই সময়ৰ ধৰ্মীয় কামৰূপৰ স্বতন্ত্ৰতাৰ লগতে কামৰূপীয় সভ্যতাৰ স্বকীয় বৈশিষ্ট্যৰ বিতং ব্যাখ্যা দাঙি ধৰিছে। গংগা উপত্যকাৰ সভ্যতা ব্ৰহ্মপুত্ৰ উপত্যকাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাৰ পূৰ্বেই শক্তিপীঠ কামাখ্যা আছিল। কামাখ্যা কেন্দ্ৰীক তান্ত্ৰিক সভ্যতা গঢ়লৈ উঠিছে কোচ ৰাজবংশীসকলৰ সমাজ ব্যৱস্থাত। তান্ত্ৰিকতাবাদ হ'ল অনাৰ্যমূলীয় জনগোষ্ঠীৰ মাজত প্ৰচলিত কেতবোৰ ধৰ্মীয় অনুশীলন তথা কিছুমান ধৰ্মীয় ক্ৰিয়া-কাণ্ড; য'ত সাধাৰণতে তন্ত্ৰ-মন্ত্ৰ আৰু সাধনাৰ ধাৰণা জড়িত হৈ থাকে। কামৰূপত তান্ত্ৰিক সভ্যতাৰ ধাৰক আৰু বাহক কোচ ৰাজবংশীসকল। এই সভ্যতা যে কোচ ৰাজবংশী সমাজত লহ-পহকৈ গঢ়লৈ উঠিছিল সেয়া কোচ ৰাজবংশীসকলৰ ধৰ্মীয় ৰীতি-নীতি সমূহ অধ্যয়ন কৰিলেই ওলাই পৰে। কোচ ৰাজবংশীসকলৰ ধৰ্মীয় সংস্কৃতি মন কৰিলে দেখা যায় তেওঁলোক শক্তি উপাসক আছিল। শক্তিপূজা প্ৰাচীন কামৰূপ ৰাজ্যৰ বাসিন্দাৰ সভ্যতাৰ নিদৰ্শন। প্ৰাচীন কামৰূপতেই শক্তিপূজাৰ

আৰম্ভণি বুলি পণ্ডিতসকলে কৈছে। এডৱাৰ্ড গেইটে কৈছে যে অনন্তকাল জুৰি তন্ত্ৰ-মন্ত্ৰৰ দেশ হিচাপে বিখ্যাত হৈ থকাৰ অন্তৰালত প্ৰাগ্‌জ্যোতিষপুৰ নামটো গুৰুত্ব আছে আৰু তাৰেই পটভূমিত হিন্দু ধৰ্মৰ তান্ত্ৰিকবাদ অসমৰ পৰাই উৎপন্ন হৈছিল। (পৃষ্ঠা- ৫৩, 'প্ৰাচীন কামৰূপৰ ইতিহাস' অনুবাদ-অঞ্জন শৰ্মা, মূল-কনকলাল বৰুৱা, প্ৰকাশকঃ পাৰাৰ শিফ্‌ট, প্ৰথম প্ৰকাশঃ মাৰ্চ, ২০২০ চন)।

Edward Gaite য়ে আৰু লিখিছে - "শক্তি পূজাৰীসকলে তন্ত্ৰত বিশ্বাস কৰে। তন্ত্ৰ হৈছে শিৱ আৰু পাৰ্ব্বতীৰ মাজত হোৱা কথোপকথনৰ জৰিয়তে বিভিন্ন ধৰ্ম্মীয় অনুষ্ঠান, প্ৰাৰ্থনা, টুকটাক মন্ত্ৰ সম্বন্ধে দিয়া কেতবোৰ ধৰ্ম্মীয় বিধানৰ সমষ্টি। তান্ত্ৰিক ধৰ্মৰ উদ্দেশ্য হৈছে প্ৰকৃতিৰ উত্তেজক স্ত্ৰী গুণসমূহৰ পূজা কৰা" (পৃষ্ঠা -৬৩, 'অসম বুৰঞ্জী', অনুবাদিকা ঃ চেনেহী বেগম, মূল- চাৰ এডৱাৰ্ড গেইট, ষষ্ঠ প্ৰকাশ ঃ ২০১৫, প্ৰকাশক ঃ লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী -৭৮১০০১)। এই পূজাত বলিৰ প্ৰয়োজন। আজিৰ এই একবিংশ শতিকাতো কোচ ৰাজবংশীসকল বলি বিধানত বিশ্বাসী। কোচ ৰাজবংশীসকলৰ বিষহৰি, গাৰ্জা বা গায়া, কায়শাকাতি, নয়ালী আদি পূজাবোৰত হাঁহ, পাৰ, ছাগলী বলি নিদিলেই নহয়।

বিশ্ব বিখ্যাত কামাখ্যা মন্দিৰক কেন্দ্ৰ কৰি গঢ়ি উঠা অম্বুবাচী মেলাৰ জাকজমকতাই কোচ ৰাজবংশী জনগোষ্ঠীৰ ধৰ্মীয় সংস্কৃতিয়ে ভাৰতীয় সমাজ ব্যৱস্থাত আজিও এক বিশেষ স্থান দখল কৰি আহিছে। নাৰী ঋতুমতী হোৱাৰ দৰে বসুমতীও ঋতুমতী হয় বুলি কোচ ৰাজবংশীসকলে বিশ্বাস কৰে। সেয়ে কোচ ৰাজবংশীসকলে আহাৰ মাহৰ সাত তাৰিখৰ পৰা এঘাৰ তাৰিখলৈকে অৰ্থাৎ প্ৰবৃত্তিৰ পৰা নিবৃত্তিলৈকে হাল নাবায়, কোৰ নামাৰে, মাটি নুখুন্দে অৰ্থাৎ আই বসুমতীক আঘাত নকৰে। কোচ ৰাজবংশীসকলে অম্বুবাচীক 'শুদ্ধি' বুলি কয়। ন-কৈ বিয়া হৈ যোৱা জী-জোৱাইক এই শুদ্ধিত আমন্ত্ৰণ জনোৱা বা আলহী খাবলৈ অহাটো এটা এৰিব নোৱাৰা পৰম্পৰাই বুলিব পাৰি।

সপ্তম শতিকাৰ মাজভাগত অহা চীনা ভ্ৰমণকাৰী হিউয়েন চাঙেও কৈ গৈছে - "They adore and secrifice to the Devas, and have no faith in Buddha;..." (অৰ্থাৎ এই অঞ্চলৰ মানুহবোৰ দেৱ-দেৱীৰ পূজা কৰে

আৰু বৌদ্ধ ধৰ্মৰ প্ৰতি আস্থাশীল নহয়)। (SI-YU-KI, Buddhist Records of the western world, Translated by Samuel Beal, Volume-II, London : Kegan Paul, Trench, Trubner & Co. Ltd., 1906, page-196).

বায়ুপুৰাণ অধ্যয়নৰ পৰা আৰু এটা কথা নিশ্চিত হয় যে হিমালয়ৰ পূৰফালে পৰ্বতত কালকেয় নামৰ দানৱৰ পুৰী আছিল। দেৱকূট নামৰ পাহাৰত উল্লেখিত পুৰীৰ নাম আছিল সুনাসা। এই দেৱকূট পৰ্বতেই হ'ল ভূটান। তাত বাস কৰা লোকসকলকেই 'উৎকচ' বুলি কোৱা হৈছিল। তেওঁলোক মন্ত্ৰবলেৰে ইচ্ছানুযায়ী ৰূপ ধাৰণ কৰিব পাৰিছিল। আধুনিক পণ্ডিতসকলে তেওঁলোককেই প্ৰাচীন কামৰূপৰ বাসিন্দা বুলি কৈছে।

তন্ত্ৰ-মন্ত্ৰৰ দেশ কামৰূপত ৰোগ-ব্যাধিৰ চিকিৎসা কৰাৰ পৰা দৈনন্দিন জীৱনৰ সুৰক্ষাৰ ক্ষেত্ৰত যাদু-মন্ত্ৰই যি প্ৰাবল্যৰে মানুহৰ অন্তৰ দখল কৰি ৰাখিছে ভাৰতৰ অন্যান্য ৰাজ্যবোৰত তেনে প্ৰাবল্য দেখা নাযায়। কান্ধত মোনাখন লৈ ঘুৰি ফুৰা ওজা বা কবিৰাজেই আছিল সৌ সিদিনাখনলৈকে একো একোজন ডাক্তৰ, চিকিৎসক। এয়া হৈছে তান্ত্ৰিক সভ্যতাৰ ফচল। এই তান্ত্ৰিক সভ্যতা এসময়ত বিকাশ লাভ কৰিছিল প্ৰাচীন কোচ ৰাজবংশী সমাজ ব্যৱস্থাত। এই প্ৰাচীন সভ্যতা-সংস্কৃতিৰ জ্বলন্ত নিদৰ্শনেই হ'ল গুৱাহাটীৰ নীলাচল পাহাৰৰ মুধচত অৱস্থিত মা কামাখ্যা মন্দিৰ।

পণ্ডিত দেৱেন্দ্ৰ নাথ ভট্টাচাৰ্যই 'কালিকা পুৰাণ'খন অসমীয়ালৈ অনুবাদ কৰোতে ভূমিকাত ব্যাখ্যা কৰিছে যে সিন্ধু সভ্যতাৰ পৰা অহা 'পানীকৰচ' আৰু বায়ু পুৰাণত উল্লেখ কৰা 'উৎকচ' জাতি একেটাই হ'ব পাৰে। এই নামৰ পৰাই কোচ নামৰ উৎপত্তি হৈছে।

বিশ্বৰ আদিমতম গ্ৰন্থ হ'ল ঋগ্‌বেদ। এইখন ঋগ্‌বেদৰ ৰচনাকাল বিশ্বৰ পণ্ডিতসকলৰ মতে খ্ৰীষ্টপূৰ্ব ৭৫০০ অব্দ। যোগীৰাজ বসুৰ 'বেদৰ পৰিচয়' নামৰ গ্ৰন্থত লিপিবদ্ধ আছে এনেদৰে - "সৰস্বতী নৈ হিমালয়ৰ পৰা উৎপন্ন হৈছে, কিন্তু সমুদ্ৰ বহু দূৰলৈ আঁতৰি যোৱাত বৰ্তমান সৰস্বতী নৈ ৰাজপুতনাৰ বিকানীৰ অঞ্চলৰ মৰুভূমিত বিলুপ্ত হৈ পৰিছে। কোনো কোনোৰ মতে কিন্তু

পাঞ্জাবৰ পাতিয়ালা ৰাজ্যৰ ওচৰত এই নদী লুপ্ত হৈছে। কোন যুগত সৰস্বতী সমুদ্ৰ পৰ্যন্ত প্ৰৱাহিত আছিল সেই সম্বন্ধে গৱেষণা বিশেষভাৱে কেট্‌কাৰে কৰিছে। তেওঁ পুৰাতত্ত্বৰ বিভিন্ন দিশ আলোচনা কৰি এই সিদ্ধান্ত উপনীত হৈছে যে ৭৫০০ খ্ৰীষ্টপূৰ্বমানত সৰস্বতী নদী মৰুভূমিত বিলুপ্ত হৈছে; তাৰ আগতে সমুদ্ৰ পৰ্যন্ত এই নদী বিস্তৃত আছিল আৰু সমুদ্ৰ ৰাজপুতনাৰ ভিতৰলৈকে আছিল। সেয়ে হ'লে ঋগ্‌বেদ ৰচনাৰ কাল, অন্ততঃ উল্লিখিত মন্ত্ৰটোৰ ৰচনাৰ কাল খ্ৰীষ্টপূৰ্ব ৭৫০০ পূৰ্ববৰ্তী হ'ব। প্ৰখ্যাত পুৰাতত্ত্ববিদ্ আৰু ভাৰতৰ প্ৰাচীন ইতিহাসৰ প্ৰমাণ স্বৰূপ অবিনাশ চন্দ্ৰ দাস মহাশয়েও তেওঁৰ পাণ্ডিত্যপূৰ্ণ 'Rigvedic India' নামক গ্ৰন্থত এই সিদ্ধান্ত সমৰ্থন কৰিছে (দ্বিতীয় সংস্কৰণ, পৃষ্ঠা ৮)" (পৃষ্ঠা-১৬৬-১৬৭, সপ্তম সংস্কৰণঃ জুন, ২০১২, প্ৰকাশকঃ অসম প্ৰকাশন পৰিষদ, গুৱাহাটী - ৭৮১০২১) । এইখন ঋগ্‌বেদত পণ্ডিতসকলে আজিৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ পূৰ্ব পুৰুষসকলৰ বংশধৰ 'পণি' আৰু 'কৰচ' জাতিৰ নাম উল্লেখ কৰিছে। এই সম্পৰ্কত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰীডাৰ ড০ লীলা গগৈয়ে তেখেতৰ পাণ্ডিত্যপূৰ্ণ গৱেষণা গ্ৰন্থ 'অসমৰ সংস্কৃতি'ত অসমৰ বহু জাতি-জনগোষ্ঠীৰ লগতে কোচ ৰাজবংশী (পূৰ্বতে কোচ) জাতি সম্পৰ্কতো বিজ্ঞানসন্মত ব্যাখ্যা আগবঢ়াইছে এনেদৰে -"শংকৰদেৱে ভাগৱত পুৰাণৰ দ্বিতীয় স্কন্ধত' কিৰাত কছাৰী, খাসি, গাৰো, মিৰি, যৱন, কঙ্ক, গোৱাল, অসম, মুলুক, ৰজক, তুৰুক, কুৱাচ, ম্লেচ, চণ্ডাল আদি জাতিৰ নাম উল্লেখ কৰিছে। যৱন আৰু তুৰুক শব্দ দুটা সমাৰ্থক। কুৱাচ শব্দটো বেদৰ কৰচ শব্দৰ পৰা আহিছে আৰু বেদৰ পণি আৰু কবচ শব্দৰ সমন্বয়ত পানী কোচ হোৱাই সম্ভৱ। পণি আৰু কৰচ দুয়োটাই প্ৰাক্‌বৈদিক জাতি আৰু বৈদিক আৰ্য্যৰ সংঘৰ্ষলৈ আহিছিল। 'যোগিনীতন্ত্ৰ'তো কুবাচ জাতিৰ উল্লেখ আছে আৰু তাৰ দ্বাৰাই কোচ সকলকে বুজাইছে (পৃষ্ঠা - ২৪, প্ৰকাশক ঃ শ্ৰী মাখন হাজৰিকা, বনলতা, ডিব্ৰুগড়-৭৮৬০০১, পঞ্চম সংস্কৰণ, ১৯৯৪)।

পণ্ডিতসকলে অভিমত দিয়ে যে বৰ্তমানৰ কোচ জাতিৰ মানুহখিনিয়েই প্ৰাগ্‌ঐতিহাসিক যুগৰ 'পানী কৰচ'সকলৰ বংশধৰ। ঐতিহাসিক কনকলাল বৰুৱাও তেখেতৰ ষষ্ঠ শতিকাৰ পৰা কামৰূপৰ ধাৰাবাহিক ইতিহাসত তেনে অভিমতকেই দাঙি ধৰিছে। তেওঁৰ মতে এটা সময়ত মিথিলা কামৰূপৰ অধীন আছিল আৰু

কামৰূপৰ ভাষা মিথিলাৰ জাতি-ধৰ্মৰ লগত অভিন্ন আছিল। আনকি চীনা পৰিব্ৰাজক হিউয়েন চাঙেও লিখি থৈ গৈছে যে কামৰূপৰ মানুহসকল চুটি-চাপৰ আৰু গাৰ ৰং গাঢ় হালধিয়া। এই দেশৰ আৰু মধ্যদেশৰ ভাষাৰ মাজত পাৰ্থক্য অতি সামান্য।

"হিউয়েন চাঙে পুন-না-ফা-তান-না (পৌণ্ড্ৰবৰ্ধন) নামৰ ৪০০ লি পৰিধিৰ দেশ এখনত উপস্থিত হৈছিল। এই দেশৰ পৰা পূবলৈ আগবাঢ়ি ৯০০ লি-ৰো অধিক বাট বুলি কা-মো-লু- পো নামৰ অযুত লি পৰিধিৰ দেশ এখনত প্ৰৱেশ কৰাৰ পূৰ্বে প্ৰকাণ্ড নদী এখন পাৰ হৈছিল। .... যিয়েই নহওক কিয়, 'চি-য়ু-কি'ৰ পৰা আমি এয়া জানিব পাৰো যে হিউয়েন চাঙে পৌণ্ড্ৰবৰ্ধনৰ পৰা প্ৰায় ৯০০ লি দূৰত্বৰ পূৱৰ কামৰূপ দেশখনৰ পশ্চিমে এখন প্ৰকাণ্ড নদী পাইছিল আৰু কামৰূপ দেশখন এক অযুত বা ১০,০০০ লি পৰিধিৰ আছিল। ইয়াৰ পিছত অইন এক চীনা গ্ৰন্থ 'টাং-চু'ত পোৱা যায় যে প্ৰকাণ্ড নদীখন 'কো-লো-তু' আৰু ৱাটাৰ্ছ'ৰ মতে সেই নদীখন কৰতোৱা নদীহে হ'ব লাগে, লৌহিত্য অথবা ব্ৰহ্মপুত্ৰ নহয়" ('প্ৰাচীন কামৰূপৰ ইতিহাস', মূলঃ কনকলাল বৰুৱা, অনুবাদঃ অঞ্জন শৰ্মা, পৃষ্ঠা ঃ ১০৮-১০৯, প্ৰথম প্ৰকাশ ঃ মাৰ্চ, ২০২০ চন, প্ৰকাশক ঃ পাৱাৰ শিফ্‌ট উলুবাৰী, গুৱাহাটী - ৭৮১০০৭)। এই তথ্যই প্ৰমাণ কৰে হিউয়েন চাঙ কৰতোৱা নদী পাৰ হৈ কোচ ৰাজবংশী অধ্যুষিত অঞ্চলত প্ৰৱেশ কৰে য'ত ভাস্কৰ বৰ্মা ৰজা হৈ আছিল। মধ্যভাৰত বুলি হিউয়েন চাঙে নিশ্চয় মগধ অঞ্চলকেই বুজাইছে। ইয়াৰ পৰা স্পষ্ট হয় যে কোচ ৰাজবংশীসকল খ্ৰীষ্টপূৰ্ব কালতে পশ্চিমৰ পৰা হিমালয়ৰ দক্ষিণৰ পৰ্বতীয়া বাটেদি উত্তৰ পূৰ্বাঞ্চললৈ প্ৰব্ৰজনত আহি পাইছে।

এইখিনিতে উল্লেখযোগ্য যে হিউয়েন চাং ৬৪৩ খ্ৰীষ্টাব্দত ভাস্কৰ বৰ্মাৰ ৰাজত্বকালত কামৰূপলৈ আহিছিল। হিউয়েন চাঙে ভাস্কৰ বৰ্মাক 'কুমাৰ' আৰু জাতিত ব্ৰাহ্মণ বুলি লিখি থৈ গৈছে। তেওঁ লিখিছে-"বৰ্তমানৰ ৰজা নৰনাৰায়ণদেৱৰ (বিষ্ণুৰ) বংশধৰ, জাতিত ব্ৰাহ্মণ আৰু তেওঁৰ এটা নাম ভাস্কৰ বৰ্মা আৰু দ্বিতীয় নাম 'কুমাৰ' "। সেই সময়ৰ কামৰূপ দেশৰ আৰু মধ্যদেশৰ ভাষাৰ মাজত পাৰ্থক্য অতি সামান্য বুলি হিউয়েন চাঙে লিখি থৈ যোৱা ভাষাটো

কোচ ৰাজবংশী ভাষাই হ'ব। কিয়নো কুমাৰ ভাস্কৰ বৰ্মা জাতিত আছিল কোচ। যোড়শ শতাব্দীৰ সুপ্ৰসিদ্ধ ইতিহাসবিদ মহম্মদ কাজেম ফেৰিষ্টাই কোচ বিহাৰৰ ৰাজবংশৰ যি সংক্ষিপ্ত বিৰৰণ দাঙি ধৰিছে; তাত লিখা আছে-"কোচ দেশৰ ৰজা শঙ্কলৰ সময়ৰ পৰাই পুৰুষানুক্ৰমে স্বকীয় ৰাজ্যৰ অধিপতি আছিল, কিন্তু তেওঁলোকৰ ভিতৰত চাৰিবাৰ (শাসন) পৰিবৰ্তন সংঘটিত হৈছিল। সেই দেশৰ এপিনে তিব্বত, আনফালে চীন আৰু আইন এক দিশত বঙ্গদেশ অৱস্থিত। এতিয়া যি সম্প্ৰদায় সিংহাসনত অধিষ্ঠিত হৈ আছে; তেওঁলোক পৰ্বতীয় ব্ৰাহ্মণৰ পৰা উদ্ভূত, কিন্তু ভাৰতবাসীৰ ওচৰত তেওঁলোকৰ যিমান সন্মান নাই" (পৃষ্ঠা - ৭৮, 'কোচ বিহাৰেৰ ইতিহাস', খাঁ চৌধুৰী আমানত উল্লা আহমদ, পুনৰ মুদ্ৰণ ঃ ২০০৯ ইং)।

এই প্ৰসংগত হিউয়েন চাঙে ভাস্কৰ বৰ্মাক 'ব্ৰাহ্মণ' বুলি লিখি থৈ যোৱাটো বিশেষ তাৎপৰ্য বহন কৰি আছে। মুছলমান ঐতিহাসিক আৰু চীন দেশৰ ভ্ৰমণকাৰীয়ে লিখি থৈ যোৱা তথ্যই প্ৰমাণ কৰে যে কোচ ৰাজবংশীসকল প্ৰাচীন কালতে সংস্কৃতায়ণৰ প্ৰভাৱত পৰিছিল। ভাস্কৰ বৰ্মা আৰু ৰাজ পৰিয়ালৰ সদস্যসকলৰ ডিঙিত লগুণ দেখিয়ে ব্ৰাহ্মণ বুলি লিখি থৈ গৈছে। এই তথ্যই প্ৰমাণ কৰে ভাস্কৰ বৰ্মা প্ৰকৃততে কোচ ৰাজবংশীৰ আন এটা উপগোট ঘুলীয়া মূলৰ আছিল। ঘুলীয়াসকলৰ লগুণ লোৱা প্ৰথা অতি প্ৰাচীন। ঘুলীয়া শব্দটো কোচ ৰাজবংশী শব্দ। ঘুলীয়াৰ অৰ্থ নষ্ট হোৱা অৰ্থাৎ ব্ৰাত্য ক্ষত্ৰিয়। এই ঘুলীয়াসকলৰ বাসস্থান ঘুল্লা পৰগনাত। ঘুল্লা পৰগনাই সামৰি লয় গৌৰীপুৰ, ধুবুৰী গোলকগঞ্জ আৰু উত্তৰ ৰংপুৰ (বৰ্তমান বাংলাদেশৰ অন্তৰ্গত)। ঘুলীয়া সমাজত মদ্যসেৱন আৰু গাহৰি খোৱাৰ প্ৰচলন নাছিল আৰু এতিয়াও নাই। চীনা পৰিব্ৰাজক হিউয়েন চাঙে ভুলবশতঃ ভাস্কৰ বৰ্মাক ব্ৰাহ্মণ বুলি লিখি থৈ যোৱা নাছিল। বৰ্তমানৰ কোচ ৰাজবংশী সমাজৰ ঘুলীয়াসকলে প্ৰাচীনকালতে আৰ্য সমাজৰ অন্তৰ্ভূক্ত হৈ পৰিছিল।

গতিকে কোচ ৰাজবংশীসকলৰ ভাষাটোৱেই হ'ল প্ৰাচীন কামৰূপৰ প্ৰাচীন ভাষা। এই ভাষাটোকেই বহুতো পণ্ডিতে দেশী, ৰাজবংশী, কোচ

ৰাজবংশী, কামতাপুৰী, গোৱালপৰীয়া কোচ আদি নামেৰে নামকৰণ কৰি থৈ গৈছে। বহুতো পণ্ডিতে কোচ ৰাজবংশী ভাষাটোকে অসমীয়া ভাষাৰ প্ৰত্নৰূপ বুলি কৈছে। 'গোৱালপাৰাৰ পুৰণি বিৱৰণ' নামৰ গ্ৰন্থত আনন্দ চন্দ্ৰ আগৰৱালাই লিপিবদ্ধ কৰিছে এনেদৰে -"অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাসত মহাৰাজ নৰনাৰায়ণৰ নাম চিৰকাল সোণালী আখৰেৰে জিলিকি থাকিব। তেওঁৰ ৰাজত্বকালত ৰচা পুথিবিলাক আজিও আমাৰ সাহিত্যৰ ভৰাঁলত ৰত্নৰ দৰে জিলিকি আছে। সেইবিলাক পুথিৰ ভাষাই প্ৰাচীন কামৰূপৰ ভাষা আৰু সেই ভাষাকে আমি অসমীয়া ভাষা বুলি কওঁ" (পৃষ্ঠা -১০৪, 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ'ঃ ড° উপেন্দ্ৰ নাথ গোস্বামী, প্ৰকাশক ঃ মণি-মাণিক প্ৰকাশ, পাণবজাৰ, গুৱাহাটী -৭৮১০০১) ।

পণ্ডিত ড° ধীৰেন দাসে তেওঁৰ 'গোৱালপৰীয়া লোক সংস্কৃতি আৰু লোকগীত' নামৰ গ্ৰন্থত লিপিবদ্ধ কৰিছে এনেদৰে - "ৰাজবংশী বুলি কোৱা ভাষাটো প্ৰাচীন কামৰূপী বুলিয়ে ভাব হয় যাৰ ওপৰত ভিত্তি কৰি পূৰ্ব ভাৰতৰ বিভিন্ন আৰ্যমূলীয় উপভাষা বা অসমীয়া ভাষাৰ জন্ম হৈছে" (পৃষ্ঠা-১২৪, প্ৰথম প্ৰকাশঃ ইং ১৯৯৪ ডিচেম্বৰ, প্ৰকাশকঃ ৰাজেন শৰ্মা)।

খ্ৰীষ্টপূৰ্ব কালৰ পৰাই বহু শতিকাজুৰি বিৱৰ্তনৰ মাজেদি আহি আহি কোচ ৰাজবংশীসকলে আৰ্যসকলৰ সম্প্ৰসাৰণবাদী নীতিত আক্ৰান্ত হৈছে যদিও আজিৰ তাৰিখলৈকে নিজৰ পৰিশোধিত ভাষা-সংস্কৃতি-সভ্যতাৰ চাকি গচি ঢিমিক-ঢামাককৈ হলেও জ্বলাই ৰাখিবলৈ সক্ষম হৈছে। যি ভাষা-সংস্কৃতিত আৰ্য ভাষা-সংস্কৃতিৰ প্ৰভাৱ কিছু পৰিলক্ষিত হলেও কোচ ৰাজবংশীসকলে নিজৰ স্বকীয় ভাষা-সংস্কৃতি আজিও অটুট ৰাখিবলৈ সক্ষম হৈছে।

"বৰ্তমান নানা জাতি-উপজাতিৰে অসম এখন পৰিপূৰ্ণ ৰাজ্য। অসম নামৰ সৃষ্টিৰ পূৰ্বে ব্ৰহ্মপুত্ৰ উপত্যকাত জনগোষ্ঠীয় নামেৰে পৰিচিত কেইবাখনো ৰাজ্য থকাৰ সত্যতাৰ সাক্ষী দিয়ে ইতিহাসে। অসম নামৰ লগত সাঙোৰ খাই আছে ছয়শ বছৰীয়া আহোম ৰাজত্বৰ ইতিহাস। ব্ৰহ্মপুত্ৰ উপত্যকাৰ উজনিত আহোম, নামনিত কোচেই আছিল সেই সময়ৰ বিশেষভাৱে উল্লেখযোগ্য

ৰাজশক্তি। এই দুই ৰাজশক্তিৰ প্ৰভাৱ ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৰ্বত্ৰ পৰিলক্ষিত হয়। আহোম ৰাজশক্তিৰ 'সাত ৰাজ মাৰি এক ৰাজ' কৰাৰ নীতি কাৰ্যকৰী কৰিবলৈ আহোম ৰজাসকলে নিজেই প্ৰথমে নিজৰ সংস্কৃতি বিসৰ্জন দি অসমীয়া ভাষা-সংস্কৃতিকে আকোৱালী লোৱাই নহয় 'অসম' নামৰ সৃষ্টিৰ মূলতে হ'ল 'আহোম' শব্দটো। বৈদিক যুগতে সংস্কৃতায়ণৰ মায়াজালত আৱদ্ধ হোৱা কোচ ৰাজবংশীসকলেই 'হ' আৰু 'স'-ৰ উচ্চাৰণ 'চ' আখৰৰ উচ্চাৰণৰ দৰে কৰে। আজিও চিকনাঝাৰ বেল্টত (কোকৰাঝাৰ জিলাৰ অন্তৰ্গত) বসবাস কৰা কোচসকলে 'হ' আৰু 'স'- ৰ উচ্চাৰণ সেই ধৰণে কৰাৰ এটা উদাহৰণ ইয়াত উল্লেখ কৰা হ'ল। অসমীয়া বাক্য -'তোমালোক ইয়াত বহা'। ইয়াৰ কোচ ৰাজবংশী বাক্য হ'ব এনে ধৰণে-'তুমিৰা এতে বচেক'। উদাহৰণ 'ৰজা' শব্দটো কোচ ৰাজবংশী ভাষাত ক'ব 'ৰাজা' বুলি; সেইদৰে 'বজাৰ' নকয় 'বাজাৰ' বুলিহে কয়। ওপৰৰ দৃষ্টান্ত মতে 'আহোম' শব্দটো কোচ ৰাজবংশীসকলে 'আচাম' হিচাপে উচ্চাৰণ কৰিছিল। ব্ৰহ্মপুত্ৰ উপত্যকাত হাজাৰ হাজাৰ বছৰ ধৰি বিভিন্ন ৰাজশক্তিৰ নামেৰে পৰিচিত কোচ ৰাজশক্তিয়ে শাসন কাৰ্য চলাই অহাৰ ফলত এই অঞ্চলত বসবাস কৰা সৰ্বসাধাৰণ ৰাইজৰ ওপৰত আনকি ভাষা-সংস্কৃতিৰ ক্ষেত্ৰতো কোচ ৰাজত্বৰ প্ৰভাৱ পৰাটো এক স্বাভাৱিক প্ৰক্ৰিয়া। 'আহোম' শব্দটো 'আচাম' উচ্চাৰণ কৰাৰ কৃতিত্বৰ অধিকাৰী কোচ ৰাজবংশীসকল। ই জাতিবাচক শব্দ। আহোম শব্দটো কোচ ৰাজশক্তি তথা ৰাইজে সচৰাচৰ এইধৰণে ব্যৱহাৰ কৰিব লগাত পৰিছিল আৰু প্ৰয়োজনো হৈছিল কাৰণ সেই সময়ত কোচ ৰাজশক্তিৰ একমাত্ৰ শক্তিশালী প্ৰতিদ্বন্দী আছিল আহোম ৰাজশক্তি।

'আহোম'ৰ ৰূপান্তৰিত 'আচাম' শব্দটো কিছুমানে নিজৰ শব্দ বুলি দাবী কৰাটো যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়। সেইটো হোৱা হ'লে আহোমসকলৰ ব্ৰহ্মপুত্ৰ উপত্যকালৈ আগমনৰ পূৰ্বেই 'আচাম' (Assam) নামৰ প্ৰচলন থাকিলেহেঁতেন। উজনি অসম তেতিয়া কছাৰী ৰাজ্য, চুতিয়া ৰাজ্যকে আদি কৰি সৰু সৰু ৰাজ্যত বিভক্ত আছিল। তাৰো আগতে অসম ৰাজ্যখন প্ৰাগ্জ্যোতিষ- কামৰূপ আদি নামেৰেহে পৰিচিত হৈ থকাটো আমি সকলোৱে জানো" ('দিল্লীত কমতাপুৰৰ ধ্বনি', স্মৃতিগ্ৰন্থ, সম্পাদকঃ উৎপল সিংহ, 'দেশী

ভাষাই ৰাজবংশী ভাষা'ঃ বিপিন বৰ্মন, পৃষ্ঠা- ৩৭, সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ৩২-সংখ্যক প্ৰতিষ্ঠা দিৱস, প্ৰকাশিত, ২৯ জুলাই, ২০২২)।

কোচ ৰাজবংশী ভাষাৰ নিজস্ব ধ্বনিতাত্ত্বিক বৈশিষ্ট্য আছে। এই ভাষাত দুটা ওচৰা-ওচৰি কৈ 'আ' ধ্বনিৰ ব্যৱহাৰ হয় আৰু 'আ' উচ্চাৰণটো কোচ ৰাজবংশী ভাষাত বেছিকৈ ব্যৱহাৰ হোৱা দেখা যায়।

প্ৰাগ্জ্যোতিষ, কামৰূপৰ প্ৰাচীন বাসিন্দা হিচাপে কোচ ৰাজবংশীসকলৰ ভাষাটোৱেই আটাইতকৈ প্ৰাচীন, যি ভাষাৰ নিদৰ্শন শিলালিপি, তামৰফলি, চৰ্য্যাপদবোৰত পোৱাৰ উপৰিও প্ৰাচীন অসমীয়া, প্ৰাক্‌শংকৰী আৰু শংকৰী সাহিত্যবোৰত পোৱা যায়। এই ভাষাক পণ্ডিতসকলে কোচ, দেশী, কোচ ৰাজবংশী, ৰাজবংশী, কমতাপুৰী, গোৱালপৰীয়া ভাষা নামেৰে নামকৰণ কৰি থৈ গৈছে। আনকি এই ভাষাটোক বহুতো পণ্ডিতে নব্য ভাৰতীয় আৰ্য ভাষা বুলি কয় যদিও প্ৰকৃততে সত্য নহয়।

পণ্ডিতসকলে ভাৰতীয় আৰ্য ভাষাক তিনিটা স্তৰত বিভক্ত কৰিছে-

১/ প্ৰথম স্তৰ, প্ৰাচীন ভাৰতীয় আৰ্য ভাষা (Old Indo Aryan), খ্ৰীষ্টপূৰ্ব ১২০০ ৰ পৰা খ্ৰীষ্টপূৰ্ব ষষ্ঠলৈ।

২/ দ্বিতীয় স্তৰত মধ্য ভাৰতীয় আৰ্য ভাষা, (Middle Indo Aryan) খ্ৰীষ্টপূৰ্ব ষষ্ঠৰ পৰা খ্ৰীষ্টীয় ৯৪০ শতিকালৈ।

৩/ তৃতীয় স্তৰ, নব্য ভাৰতীয় আৰ্য ভাষা (New lndo Aryan) খ্ৰীষ্টীয় দশম শতিকাৰ পৰা বৰ্তমানলৈকে।

বৈদিক আৰু সংস্কৃত ভাষাই প্ৰথম স্তৰ, পালি, প্ৰাকৃত আৰু অপভ্ৰংশই দ্বিতীয় স্তৰ আৰু আধুনিক কথিত আৰ্যগোষ্ঠীৰ ভাষাসমূহে তৃতীয় স্তৰক প্ৰতিনিধিত্ব কৰে (যেনে- অসমীয়া, বাংলা, উড়িয়া, মৈথিলী, হিন্দী আদি)।

যদি প্ৰাকৃতৰ উদ্ভৱ খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰ পৰা ধৰা হয় তেন্তে কোচ ৰাজবংশী ভাষাৰ উৎপত্তি তাৰ বহু বছৰ আগতেই হৈছে। ইয়াৰ প্ৰমাণ দিয়ে

ৰামায়ণ-মহাভাৰতত উল্লেখ থকা প্ৰাগ্‌জ্যোতিষ ৰাজ্যই। এই প্ৰাগ্‌জ্যোতিষ শব্দটো কোচ ৰাজবংশী শব্দ 'পাগাৰ' ৰ পৰা উৎপত্তি হৈছে। প্ৰাগ্‌জ্যোতিষপুৰ নামৰ উৎপত্তি সম্পৰ্কে ড° বাণীকান্ত কাকতিয়ে লিপিবদ্ধ কৰিছে এনেদৰে - "Subject to usual reservations about the accuracy of etymology based merely on sound and sense, the component elements of the word Präg-jyotisa may be equated to the following Austric formations; pau, hill, H93; ger, gerbu, garbu, hill, H87 (b); ma-juh, men-jo, high, tall, F29; be ti, be-tig, long, L130 (a); tic'. (Santali), to stretch, elongate; also pagar (Mundari), an elevated ridge with a drain on one side; pagar (Santali), a water . ড০ কাকতিৰ মতে - "Pragjyotishpura" is the compound of two 'Austro-Asiatic' words 'pagar' and 'Jut'. কিন্তু 'পগৰ' বা 'পাগাৰ' শব্দটো অষ্ট্ৰিক শব্দৰ আৰ্যীকৰণ হোৱা কথাটোৰ কোনো ভিত্তি দেখা নাযায়। এয়া প্ৰকৃততে কোচ ৰাজবংশী শব্দহে। যিহেতু গুৱাহাটীৰ আশে-পাশে প্ৰাচীন কালত অষ্ট্ৰিক লোকৰ বসতি নাছিল আৰু আজিও নাই। কোচ ৰাজবংশী ভাষাত 'পাগাৰ'ৰ অৰ্থ হ'ল দীঘল দং বা খাল। যাৰ অৰ্থ ড° কাকতিয়েই সুন্দৰভাৱে লিপিবদ্ধ কৰিছে এনেদৰে - 'Pagar (Santali), a water chanal'(Page-5, 'The Mother Goddess Kamakhya', Published by Publication Board Assam, Forth Edition : April, 2021, Guwahati-781021)'. 'Pagar' ৰ অৰ্থ যদি water chanel য়ে হয় তেন্তে ইয়াৰ কোচ ৰাজবংশী শব্দটো হ'ব 'পাগাৰ'; 'পগৰ' নহয়।

কিছুবছৰ আগতে গুৱাহাটী মহানগৰীখন খাল-দং বা পিতনিৰে ভৰি আছিল। কিন্তু এই পিতনিবোৰ মাটিৰে পুতি বৃহৎ বৃহৎ অট্টালিকা গঢ়ি উঠাৰ ফলত এই পিতনি বা খাল-দঙবোৰ নোহোৱাই হ'ল বুলিব পাৰি। কোচ ৰাজবংশী লোকে ভেটি মাটিৰ চাৰিওফালে পাগাৰ বা খাল খান্দি দিয়া পৰম্পৰাটো আজিও প্ৰচলিত হৈ আছে।

কোচ ৰাজবংশী শব্দ 'পাগাৰ' শব্দটো ষষ্ঠ শতিকাৰ পূৰ্বৰ বুলি আমি এইকাৰণেই দাবী কৰিছো যে মহাভাৰতৰ কুৰুক্ষেত্ৰৰ যুদ্ধ আৰ্যভট্টৰ মতে খ্ৰীষ্টপূৰ্ব

২৪৫০ আৰু বৰাহ মিহিৰ আৰু কলহনৰ মতে খ্ৰীষ্টপূৰ্ব ২৪৪৯ অব্দ। যিখন মহাভাৰতত প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ কথা উল্লেখ আছে আৰু এই প্ৰাগ্‌জ্যোতিষ নামৰ উৎপত্তি হৈছে কোচ ৰাজবংশী শব্দ 'পাগাৰ'ৰ পৰা। এই তথ্যই প্ৰমাণ কৰে 'কোচ ৰাজবংশী ভাষা'টো খ্ৰীষ্টপূৰ্ব ২৪৪৯ ৰ পৰা ২০২৩ বৰ্ষলৈ অৰ্থাৎ ২৪৪৯+২০২৩ = ৪৪৭২ বৰ্ষৰ প্ৰাচীন।

প্ৰাগ্‌জ্যোতিষপুৰৰ অৰ্বাচীন কালৰ নাম হ'ল 'গুৱাহাটী'। এই গুৱাহাটী শব্দটোও কোচ ৰাজবংশী শব্দ। এই বিষয়েও বিশিষ্ট লেখক জীৱন বৰ্মনে সুন্দৰভাৱে ব্যাখ্যা আগবঢ়াইছে এনেদৰে - 'গুৱা শব্দটো ৰাজবংশী ভাষাৰ শব্দ। গুৱা ৰাজবংশী শব্দৰ অসমীয়া অৰ্থ তামোল। বজাৰক ৰাজবংশী ভাষাত কয় 'হাট'। তামোল প্ৰিয় পাহাৰী খাচিয়াসকলৰ চাহিদা পূৰণ কৰিবলৈ হয়তো ভৈয়ামবাসীসকলে হাটত বা বজাৰত গুৱা বা তামোল বেচিবলৈ আহিছিল। সেইসূত্ৰে গুৱাৰ হাট (তামোলৰ বজাৰ) বহিছিল। তাৰ পৰাই সৃষ্টি গুৱাহাটী (দৈনিক অগ্ৰদূত, নিৱন্ধ, 'কোচ ৰাজবংশী জনগোষ্ঠীৰ গঠন প্ৰক্ৰিয়া', ৩ মাৰ্চ ২০১৮, পৃষ্ঠা - ৫)"।

গুৱা বা তামোলৰ পৰাই যে গুৱাহাটী নামৰ উৎপত্তি হৈছে এই কথা ৰায় বাহাদুৰ কনকলাল বৰুৱাই তেওঁৰ "Early History of Kamrupa" নামৰ গ্ৰন্থত লিপিবদ্ধ কৰিছে এনেদৰে - "Yuan Chwang noticed that coconut and jack trees were numerous. As a matter of fact coconut thrives within the present districts of Goalpara and Kamrupa we find a mention not only in the Nowgong inscription of Balavarman III but also in the Aphshad inscription of Aditya sena (Circa 672 A.D.) wherein the betel-plants being in full bloom on the banks of the Lauhitya is stated. The Nowgong inscription describes the areca-nut trees within Pragjyotishpur being wrapped by the betel-creepers (pan), a system of growing pan which persists till today. Pragjyotishpur was, even in the ancient times, noted for its betel-nut groves which subsequently gave the name Gua-hati (Gauhati) to this town"(page-121-122, Pub-

lished by LBS Publication, Reprint: 2008, Panbazar, Guwahati-781001, Assam).

ইয়াৰ উপৰিও গুৱাহাটীৰ বেলতলাৰ ৰাণীবাগানৰ 'বেলতলা কোচ ৰাজ্য' ই গুৱাহাটীত কোচ ৰাজবংশীসকলৰ আধিপত্য থকাৰেই প্ৰমাণ দিয়ে। কোচ ৰজা বিশ্বসিংহই নিৰ্মাণ কৰা 'কামাখ্যা' মন্দিৰ তেওঁৰেই পুত্ৰ বিশ্ব মহাবীৰ চিলাৰায়ে পুনৰ নিৰ্মাণ কৰে ১৫৬৫ খ্ৰীষ্টাব্দত। চিলাৰায়ৰেই নাতি গজ নাৰায়ণ ওৰফে হৰ নাৰায়ণ ১৬১৭ খ্ৰীষ্টাব্দত গুৱাহাটীত ৰাজধানী পাতি 'বেলতলা কোচ ৰাজ্য' নামেৰে ক্ষুদ্ৰ কোচ ৰাজ্য (Petty Koch Kingdom) স্থাপন কৰি মোগলৰ বিৰুদ্ধে যুদ্ধ কৰি গুৱাহাটীৰ ঐতিহ্য তথা স্বকীয়তা অম্লান কৰি ৰাখিছিল।

এতিয়া প্ৰশ্ন হ'ল 'কোচ' সকল 'ৰাজবংশী' হ'ল কেনেকৈ? ইয়াৰ ব্যাখ্যা ইংৰাজ লেখক চাৰ এডৱাৰ্ড গেইটে আগবঢ়াইছে এনেদৰে - "Bisu assumed the name of Biswa Singh and his brother Sisu became Sib Singh, while many of his followers discarded their old tribal designation and called themselve Rajbansis (A History of Assam, Reprinted Edition:January, 2008, page-50)".

এই সম্পৰ্কে গিৰিধৰ শৰ্মাই সম্পাদনা কৰা 'অসমীয়া জাতিৰ ইতিবৃত্ত' নামৰ গ্ৰন্থত প্ৰখ্যাত নৃতত্ত্ববিদ ড° ভূবন মোহন দাসে লিপিবদ্ধ কৰিছে এনেদৰে - "পুৰাণ আৰু তন্ত্ৰত কোচক কুভাচ নামে অভিহিত কৰা হৈছে। হগছনে কোচক বড়োৰ অৰ্ন্তগত কৰিছে। ডেল্টনে কোচক দ্ৰাবিড় আৰু মংগোলীয় লক্ষণৰ সংমিশ্ৰণ দেখিছে। তেওঁৰ মতে, এই দুইবিধৰ ভিতৰত দ্ৰাবিড় উপাদান বেছি। দ্ৰাবিড় লোক উত্তৰ আৰু উত্তৰ পূৰলৈ বিতাৰিত হৈ মংগোলীয়ৰ লগত সংমিশ্ৰিত হ'ল। কিন্তু আনহাতে ৰাডেলৰ মতে কোচ সকল স্পষ্টৰূপে মংগোলীয়।

কোচ সম্বন্ধে এনে বিভিন্ন মতামত থকাৰ এটা কাৰণ হ'ল কোচ আৰু ৰাজবংশী শব্দৰ অবাধ ব্যৱহাৰ .... আনহাতে সাম্প্ৰতিক কালত হৈ থকা কোচৰ মাজত মংগোলীয় লক্ষণ বিদ্যমান। ... এইবিধ লোকে ৰাজবংশী বুলি পৰিচয় দিবলৈ ভাল পায়। কিয়নো এসময়ত কোচ ৰজা থকা কথা (এতিয়াও

এই বংশবোৰ আছে) সকলোৰে বিদিত। ৰাজবংশী নামলৈ ৰজা ঘৰৰ লগত সম্বন্ধ থকা বুলি বহুতে গৌৰৱবোধ কৰে (প্ৰকাশক অসম সাহিত্য সভা, চতুৰ্থ প্ৰকাশ ঃ জুলাই ২০১১ চন, পৃষ্ঠা - ১৭)"।

দাসে লগতে তেওঁৰ "অসমীয়া মানুহৰ নৃ-বৈজ্ঞানিক পৰিচয়" গ্ৰন্থত কোচ, কোচ ৰাজবংশী আৰু ৰাজবংশী মূলত একেটা জনগোষ্ঠীকে বুজায় বুলি সঠিকভাৱেই কৈছে (পৃষ্ঠা - ৮৫)।

গুণাভিৰাম বৰুৱাই তেওঁৰ "অসম বুৰঞ্জী"ত লিখিছে এনেদৰে - "কোচ বেহাৰৰ ৰজা কোঁচ বংশৰ হোৱা নিমিত্তে ভাটী অঞ্চলৰ কোঁচে ৰাজবংশী বুলি কয়। সেইফালৰ কোঁচতকৈ উজনি ফালৰ কোঁচ বিলাক কিছু সদাচাৰী। কিয়নো অনেক ৰাজবংশীৰ আচাৰ ম্লেচ্ছৰ আচাৰৰ নিচিনা দেখা গইছে (পঞ্চম প্ৰকাশঃ জানুৱাৰী ২০১২, অসম প্ৰকাশন পৰিষদ, পৃষ্ঠা -১৪১)"।

কোচ সকলে ৰাজবংশী হিচাপে পৰিচয় দিয়া সম্পৰ্কত O. Donnel's census report of India, 1891 ত এনেধৰণে লিপিবদ্ধ কৰি থৈ গৈছে - "The transformation of Koch into Rajbongshi, the name by which they are now known in Rangpur, Jalpaiguri and Koch Behar, is a singular illustration of the influence exercised by fiction in making of caste. Now the great Majority of the Koch inhabitant of Northern Bengal invariably describe themeselves as Rajbongshi or Bhanga Kshatriya."

বিশিষ্ট পণ্ডিত অমলেন্দু গুহই তেওঁৰ "জমিদাৰ কালীন গোৱালপাৰা জিলাৰ আৰ্থ সামাজিক অৱস্থা" নামৰ গ্ৰন্থখনত উল্লেখ কৰিছে যে ৰজাৰ বংশ এতেকে ৰাজবংশী এনে জাতিবাচক শব্দ এই অঞ্চলত যোল্ল শতিকাৰ পৰা চলি থাকিব পাৰে । গুহ ডাঙৰীয়াই এই কথা লিখিছে যে - "সি যি কি নহওক, এইটো কথাও ঠিক যে হিন্দু বৰ্ণ সমাজৰ ৰীতি-নীতি গ্ৰহণ কৰাৰ ফলত সৰ্বসাধাৰণ কোচ ক্ৰমে ৰাজবংশী বুলি গণ্য হৈছিল। অৱস্থা সম্পন্ন কোচ খেতিয়কে নিজকে ৰাজবংশী বুলি চিনাকি দিবলৈ ভালপোৱাৰ কথাটো বুকাননে লিখি থৈ গৈছে।

তেওঁ লগ পোৱা খুন্টাঘাট পৰগনাৰ প্ৰতিজন খেতিয়কেই ৰাজবংশী বুলি স্ব-পৰিচয় দিছিল (পৃষ্ঠা -৩৫, ভৱানী দ্বিতীয় সংস্কৰণ, ছেপ্তেম্বৰ ঃ ২০১৪) ”।

‘কাছাৰেৰ ইতিবৃত্ত’ নামৰ গ্ৰন্থত উপেন্দ্ৰ চন্দ্ৰ গুহই কৈছে - “ইহৰাই (বিশ্বসিংহ) ৰ সময়ে কোচ জাতি ‘ৰাজবংশী’ উপাধি লাভে গৌৰৱান্বিত হয় (পৃষ্ঠা - ২০, অসম প্ৰকাশন পৰিষদ, দ্বিতীয় সংস্কৰণ, অক্টোবৰ ঃ ২০০৪)”।

বিশিষ্ট সাহিত্যিক শিবানন্দ শৰ্মাই লিপিবদ্ধ কৰিছে এনেদৰে - “বৰ্তমানে কোচ বুলিলে হিন্দু সমাজৰ এটা জাতিক বুজায়। উত্তৰ বংগ আৰু গোৱালপাৰাত এই জাতি ‘ৰাজবংশী’ নামেৰে জনাজাত (পৃষ্ঠা - ১৫, শিবানন্দ শৰ্মা ৰচনাবলী)।

ইয়াৰ পৰৱৰ্তী অৰ্থাৎ আধুনিক কুৰি শতিকাতো বৰ্ণ বৈষম্যবাদৰ বলি হৈও কোচ সকলে ‘কোচ’ নাম পৰিত্যাগ কৰি ‘ৰাজবংশী’ বুলি চিনাকি দিবলৈ ধৰে। লেখক জীৱন বৰ্মনে সুন্দৰভাৱে ব্যাখ্যা আগবঢ়াইছে এনেদৰে - “ভাৰতত হিন্দু সমাজ বৰ্ণবাদত বেয়াকৈ আক্ৰান্ত। এই সামাজিক ব্যাধি এতিয়াও নিৰ্মূল হোৱা নাই। এদিন কোচ জনগোষ্ঠীৰ ব্যৰিষ্টাৰ পঞ্চানন বাৰ্মাদেৱে মৈত্ৰ উপাধিধাৰী বাঙালী ব্ৰাহ্মণ উকিলৰ ‘টোগা’ ব্যৱহাৰ কৰি ৰাজহুৱা স্থানত নীচ জাতি বুলি তাচ্ছিল্যৰ সন্মূখীন হৈ কোচসকল সৰু জাতি নহয় তাকে প্ৰমাণ কৰিবলৈ কোচ সমাজত ক্ষত্ৰিয়কৰণৰ আৰম্ভণি কৰে। পঞ্চানন বাৰ্মাদেৱৰ ক্ষত্ৰিয়কৰণৰ অভিযানে অসমৰ মানাহ নদী অতিক্ৰম নৌকৰোতে বাৰ্মাদেৱৰ মৃত্যু হয়। সেই কাৰণে নামনি অসম আৰু উত্তৰবংগৰ কোচসকল ক্ষত্ৰিয় হৈ কোচ ৰাজবংশী বুলি পৰিচয় দিবলৈ ধৰে আৰু উজনি অসমৰ কোচসকল আজিলৈ কোচেই হৈ ৰ’ল” (দৈনিক অগ্ৰদূত,২৪ নৱেম্বৰ ২০১৬, পৃষ্ঠা - ৫)।

ইয়াৰ উপৰিও অনাৰ্য কোচ ৰাজবংশী ভাষাটোক আমি ষষ্ঠ শতিকাত উদ্ভৱ হোৱা প্ৰাকৃতৰ পূৰ্বৰ বুলি এই কাৰণেই দাবী কৰিছো যে আৰ্যসকল অসমত প্ৰৱেশ কৰাৰ বহু আগতেই প্ৰাগ্ঐতিহাসিক কালত ইন্দো মংগোলীয় জাতি সম্ভুত কোচ ৰাজবংশীসকলে (কোচ সকলে) এই অঞ্চলত প্ৰৱেশ কৰি বসতি কৰিবলৈ লৈছিল। সেই সত্যতাৰ সাক্ষী দিয়ে প্ৰাগ্জ্যোতিষ ৰাজ্যই। এইখন ৰাজ্যৰ ৰাজধানী বতমানৰ গুৱাহাটীত প্ৰতিষ্ঠা কৰি প্ৰাচীন অসমৰ ৰাজনৈতিক ব্যৱস্থাৰ

পাতনি মেলিছিল কোচ ৰজা নৰকে। নৰকাসুৰ যে কোচ ৰাজবংশীসকলৰ পূৰ্বপুৰুষ তাৰ অকাট্য যুক্তি হ'ল কামাখ্যা মন্দিৰ নিৰ্মাণ কাৰ্যৰ ঘটনাৱলীৰ লগত নৰকাসুৰ নিজে জড়িত থকাটো। নৃত্যৰটা দেৱীৰ উলংগ নৃত্য দৰ্শন আৰু দেৱীৰ অভিশাপত পূজাৰী ব্ৰাহ্মণৰ মৃত্যু। অভিশাপৰ ভয়ত সেই তাহানিৰ পৰাই নৰকাসুৰৰ বংশধৰসকলে কামাখ্যা মন্দিৰ দৰ্শন নকৰা সুপ্ৰাচীন পৰম্পৰাটো আজিও প্ৰচলিত নৰকাসুৰ বংশজাত কোচ ৰাজবংশী ৰাজপৰিয়ালৰ - কোচবিহাৰৰ কোচ ৰাজপৰিয়ালত, অভয়াপুৰী কোচ ৰাজবংশত, মংগলদৈৰ কোচ ৰাজবংশত, গুৱাহাটী বেলতলাৰ ৰাণীবাগানৰ কোচ ৰাজবংশত, বাংলাদেশত ৰংপুৰৰ কোচ ৰাজবংশত। উল্লেখিত ৰাজপৰিয়ালৰ সদস্যসকলে আজিও অভিশাপৰ ভয়ত কামাখ্যা মন্দিৰ দৰ্শন কৰাৰ পৰা বিৰত হৈ আছে। নৰকাসুৰে নিৰ্মাণ কৰা কামাখ্যা মন্দিৰটো মহাৰাজ বিশ্বসিংহই বিলুপ্ত প্ৰায় অৱস্থাত উদ্ধাৰ কৰি সেই ভগ্নাৱশেষৰ ওপৰতে নতুনকৈ মন্দিৰ নিৰ্মাণ কৰি দিছিল। বিশ্ব সিংহৰ ৰাজত্বকাল ১৪৯৬ ৰ পৰা ১৫৩৩ খৃষ্টাব্দলৈ। মহাৰাজ নৰনাৰায়ণে কামাখ্যা মন্দিৰটো পুনৰ সংস্কাৰ সাধন কৰি পূজা অৰ্চনাৰ কাৰণে বহু 'দেৱোত্তৰ' প্ৰদান কৰি গৈছে। মহাৰাজ নৰনাৰায়ণে বিধ্বস্তপ্ৰাপ্ত কামাখ্যা মন্দিৰটো চিলাৰায়ৰ সহায়ত পুনৰনিৰ্মাণ কৰিছিল ১৫৬৫ খৃষ্টাব্দত। ('ইতিহাস বিতৰ্ক আৰু কোচ ৰাজবংশীৰ আত্মনিয়ন্ত্ৰণৰ প্ৰশ্ন' সম্পাদনাঃ উৎপল সিংহ, পৃষ্ঠা - ১৫, প্ৰথম প্ৰকাশঃ নৱেম্বৰ, ২০১৬, প্ৰকাশকঃ আখৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী-১) প্ৰাগ্‌জ্যোতিষ শব্দটো কোচ ৰাজবংশী শব্দ 'পাগাৰ' ৰ আৰ্যীকৰণৰ ৰূপান্তৰ মাথোন। পণ্ডিত সাহিত্যিক ড° নগেন শইকীয়াই কৈছে - "অসমীয়া ভাষাটো আৰ্যমূলীয় ভাষাৰ ভেটিত গঢ়ি উঠিলেও এই ভাষা আৰ্যভাষীসকলে সৃষ্টি কৰা ভাষা বুলি কোৱাৰ কোনো উপায় নাই। এই ভাষাৰ সৃষ্টি কৰোঁতাসকল আছিল এসময়ত সুৰীয়া ধ্বনিৰে ভাব প্ৰকাশ কৰা আৰ্যভিন্নমূলৰ বিচ্ছিন্নভাৱে বসবাস কৰা জনগোট সমষ্টি। খ্ৰীষ্টপূৰ্বকালতে ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহি ৰাজ্য পাতি লোৱা এইসকল লোকৰ ইতিহাস ভৌমবংশৰ ৰাজত্বকালৰ পৰা উদ্ধাৰ কৰা হৈছে। ৰজা নৰকক এই বংশৰ প্ৰথমজন ৰজা বুলি ধৰা হয়" ('বসন্ত সংখ্যা ঃ অসমীয়া খবৰ', ২০১৬ চন, পৃষ্ঠা- ২৩)।

আজিৰ তাৰিখলৈকে অসমীয়া ভাষা সৃষ্টিত ইমান ওচৰ চপা বা সাধাৰণ মিল থকা ভাষা কোচ ৰাজবংশী ভাষাটোৰ বাহিৰে আৰ্যভিন্ন গোষ্ঠীৰ কোনো ভাষাৰ দৃষ্টান্ত এইখন অসমত পাবলৈ নাই। অসমত বাস কৰা আৰ্যভিন্ন মংগোলীয় জনগোষ্ঠীবোৰৰ ভিতৰত একমাত্ৰ কোচ ৰাজবংশীসকলেই ইন্দো মংগোলীয় জাতি সম্ভুত। বাকী মংগোলীয়সকল হ'ল তিব্বেতো মংগোলীয়। তিব্বতী মংগোলীয়সকলৰ ভিতৰত পৰে বড়ো, ৰাভা, গাৰো, নাগা, কাৰ্বী, কুকি, ... ইত্যাদি। যিসকলৰ ভাষা তিব্বত-চীনীয় ভাষাগোষ্ঠীৰ তিব্বত বৰ্মীৰ অসম বৰ্মী শাখাৰ। কোচ ৰাজবংশীসকলৰ ভাষাটো অনাৰ্য; কিন্তু তিব্বত বৰ্মী নহয়। নৃ-তাত্ত্বিক বিৰজা শংকৰ গুহই ভাৰতীয় মংগোলীয়ক দুটা বহল ভাগত ভগাইছে-

১/ তিব্বতী মংগোলীয় আৰু

২/ আদিম মংগোলীয় বা প্ৰাক্ মংগোলীয়।

কোচ ৰাজবংশীসকল আন তিব্বত বৰ্মী ভাষীৰ দৰে তিব্বতী মংগোলীয় নহয়। আদিম মংগোলীয়হে। তিব্বতী মংগোলীয়ৰ গা ৰং পৰিস্কাৰ আৰু আদিম মংগোলীয়ৰ গাৰ বৰণ ক'লাৰ পৰা হালধীয়া। মংগোলীয় প্ৰজাতি সম্পৰ্কে এই বিৰৰণ আগবঢ়াইছে নৃ-তাত্ত্বিক বি. এছ. গুহই।

প্ৰাচীন প্ৰাগ্‌জ্যোতিষ-কামৰূপত আৰ্যসকল অহাৰ পূৰ্বেই যে আৰ্যভিন্ন মংগোলীয়সকলৰ আগমন ঘটিছিল সেই কথা পণ্ডিত সাহিত্যিক ড০ সত্যেন্দ্ৰ নাথ শৰ্মাই লিপিবদ্ধ কৰিছে এনেদৰে -"দেখাত অসমীয়া ভাষা আৰ্যভাষা সম্ভূত; কিন্তু সেইবুলি এই ভাষা কেৱল যে আৰ্যৱৰ্ত বা উত্তৰ ভাৰতৰ পৰা অহা আৰ্যভাষা-ভাষীসকলৰ স্বকীয় সৃষ্টি এই কথা ক'লে যুক্তি সংগত নহ'ব। আৰ্যসকলৰ বিভিন্ন ঢৌ অসমত প্ৰৱেশ কৰাৰ আগতে মংগোলীয় জাতিৰ বিভিন্ন গোষ্ঠী বিভিন্ন সময়ত অসমত প্ৰৱেশ কৰি নিগাজিকৈ বসতি কৰিবলৈ লয়" (পৃষ্ঠা- ১৭-১৮, 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' দশম সংস্কৰণ, পুনৰ মূদ্ৰণ- ২০২২)।

গতিকে দেখা যায় আৰ্যসকল অসমত প্ৰৱেশ কৰাৰ লগে লগে পূৰ্বৰে পৰা থকা ইয়াৰ আৰ্যেতৰ ভাষাৰ লগত তেওঁলোকৰ ভাষাৰ সংমিশ্ৰণ হয় আৰু

আৰ্য ভাষাই অনাৰ্য ৰূপ ধাৰণ কৰে আৰু এই পৰিবৰ্তিত ভাষাটোকেই ভাষাবিদ পণ্ডিত সকলে প্ৰাকৃত বা অপভ্ৰংশ বুলি অভিহিত কৰিছে।

"প্ৰাচীন বৈয়াকৰণসকলে কামৰূপী-প্ৰাকৃতৰ বা অপভ্ৰংশৰ অস্তিত্ব স্বীকাৰ কৰা নাই আৰু কামৰূপ প্ৰাকৃতৰ কোনো সাহিত্যৰ নিদৰ্শন পাবলৈকো নাই" (পৃষ্ঠা-১৬, 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত- ড° সত্যেন্দ্ৰ নাথ শৰ্মা, দশম সংস্কৰণ, পুনৰ মুদ্ৰণ ঃ ২০২২, অৰুণোদয় প্ৰেছ, শিলপুখুৰী, গুৱাহাটী - ৩)। আৰ্যভাষা অনাৰ্য ৰূপ ধাৰণ কৰাৰ মূলতেই হ'ল আৰ্য গোষ্ঠীৰ মানুহৰ প্ৰব্ৰজন আছিল তেনেই তাকৰ।

১৬শ শতিকাত অসম ৰাজ্যও নাছিল আৰু অসমীয়া ভাষাও নাছিল। আছিল কোচ, আহোম, জয়ন্তীয়া, কছাৰী, গৌড় ইত্যাদি ৰাজ্য।

"পাৰিপাৰ্শ্বিক অৱস্থা আৰু জনসাধাৰণৰ উচ্চাৰণ বৈশিষ্ট্য অনুসৰি বিভিন্ন অঞ্চলৰ প্ৰাকৃত ভাষাই কিছু বিভিন্নতা লাভ কৰিছে। সাহিত্যিক নিদৰ্শনৰ ওপৰত কেৱল নিৰ্ভৰ কৰি এনে আঞ্চলিক প্ৰাকৃত ৪টা পোৱা যায়। পূৰ্বাঞ্চলৰ প্ৰাকৃতৰ নাম মাগধী, মধ্যদেশৰ প্ৰাকৃতৰ নাম শৌৰসেনী, দক্ষিণ-পশ্চিমাঞ্চলৰ প্ৰাকৃতৰ নাম মহাৰাষ্ট্ৰী আৰু উত্তৰ পশ্চিমাঞ্চলৰ প্ৰাকৃতৰ নাম পৈশাচী দিয়া হৈছে। .... মাগধী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা প্ৰাচ্য অপভ্ৰংশৰ চাৰিটা শাখা ড০ সুনীতি কুমাৰ চট্টোপধ্যায়ে উল্লেখ কৰিছে -

১/ ৰাঢ়, অৰ্থাৎ পশ্চিমবংগ (ইয়াৰ পৰা পশ্চিমবংগৰ উপভাষাৰ সৃষ্টি হৈছে।

২/ বৰেন্দ্ৰ (ইয়াৰ পৰা উত্তৰ-মধ্য বংগৰ উপভাষা সৃষ্টি হৈছে)।

৩/ বংগ (পূৱ বংগৰ উপভাষা সৃষ্টি হৈছে) আৰু

৪/ কামৰূপ। এই কামৰূপী প্ৰাচ্য অপভ্ৰংশৰ পৰা অসমীয়া আৰু উত্তৰ বঙ্গৰ কোচ বেহাৰ, জলপাইগুৰী, ৰংপুৰ আদি অঞ্চলৰ কথিত ভাষাৰ সৃষ্টি হৈছে" (পৃষ্ঠা ঃ৫, 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত', ড° সত্যেন্দ্ৰ নাথ শৰ্মা, দশম সংস্কৰণ, পুনৰ মুদ্ৰণ ঃ ২০২২, অৰুণোদয় প্ৰেছ, শিলপুখুৰী, গুৱাহাটী -৩)।

প্ৰাচ্য মাগধী বা কামৰূপী প্ৰাকৃত সম্বন্ধে পণ্ডিত ড° সত্যেন্দ্ৰনাথ শৰ্মাই লিপিবদ্ধ কৰিছে এনেদৰে -“ ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰভাৱ বিস্তাৰ হোৱাৰ লগে লগে আৰ্যভাষা সম্ভূত ভাষাও অসমৰ প্ৰধান ভাষাৰূপে প্ৰৱৰ্তিত হয়। যেতিয়া কোনো এটা ধৰ্ম ৰাজধৰ্ম হয় আৰু কোনো ভাষা ৰাজকীয় ভাষা হৈ পৰে তেতিয়া বিষয়া আৰু প্ৰজাবৰ্গৰ মাজতো সেই ধৰ্ম আৰু ভাষাৰ প্ৰতিপত্তি বাঢ়ে। প্ৰথম অৱস্থাত আৰ্যভাষা কোৱা লোকৰ সংখ্যা কম থাকিলেও ৰজাসকলৰ পৃষ্ঠপোষকতা লাভ কৰা কাৰণে এওঁলোকৰ ধৰ্ম আৰু ভাষা গ্ৰহণকাৰীৰ সংখ্যা ক্ৰমে বাঢ়ি যাবলৈ ধৰে। ইতিমধ্যে আদিম ভাষাৰ সংস্পৰ্শত আৰ্যভাষায়ো কৌলীন্য হেৰুৱাই দ্ৰুত গতিত পৰিৱৰ্তনৰ পথত আগবাঢ়িল। এই পৰিৱৰ্তনৰ ফলস্বৰূপে যি প্ৰাকৃতৰ উদ্ভৱ হ'ল সিয়ে প্ৰাচ্য মাগধী বা কামৰূপী প্ৰাকৃতৰূপে পৰিগণিত হয়। ষষ্ঠৰ পৰা দ্বাদশ শতাব্দীৰ ভিতৰত ভূমিদান কৰা বা অন্য বিষয়ক তামৰ ফলিসমূহৰ সংস্কৃত ভাষাৰ মাজে মাজে লেখকৰ অজ্ঞাতে কামৰূপী প্ৰাকৃতৰ দুই-চাৰিটা নিদৰ্শনে ভূমুকি মাৰিছে” (পৃষ্ঠা-৩, ‘অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত’- ড° সত্যেন্দ্ৰ নাথ শৰ্মা, দশম সংস্কৰণ, পুনৰ মূদ্ৰণ ঃ ২০২২, অৰুণোদয় প্ৰেছ, শিলপুখুৰী, গুৱাহাটী-৩)।

ড° শৰ্মাই ওপৰত উল্লেখ কৰা ‘**আদিম ভাষা**’টো কোচ ৰাজবংশীসকলৰ ভাষাটোৰ বাহিৰে অইন ভাষা হ'ব নোৱাৰে। কিয়নো পঞ্চম শতিকাৰ শংকলাদ্বীপৰ ৰাজত্বকালৰ পৰা সৌ সিদিনাখন Assam State Acquisition of Zamindaries Abolition Act, 1951 আইনখন কাৰ্যকৰী হোৱা তাৰিখ 1956ৰ মাৰ্চ মাহলৈকে কোচ ৰাজতন্ত্ৰ চলি থকা পূৰ্বৰ কামৰূপ, কমতা তথা কোচ সাম্ৰাজ্যত কোচ ৰাজবংশী ভাষা কোৱা মানুহৰ সংখ্যাই অধিক আছিল। ইয়াত বাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীয়ে কোচ ৰাজবংশী ভাষাই সাৰ্বজনীন ভাষা (Lingua Franca) হিচাপে ব্যৱহাৰ কৰিছিল আৰু আজিও কৰি আছে। ড° শৰ্মাই ষষ্ঠৰ পৰা দ্বাদশ শতাব্দীৰ ভিতৰত ভূমিদান কৰা বা অন্য বিষয়ক তামৰ ফলিসমূহৰ সংস্কৃত ভাষাৰ মাজে মাজে লেখকৰ অজ্ঞাতে কামৰূপী প্ৰাকৃতৰ দুই-চাৰিটা নিদৰ্শন ভূমুকি মাৰা বুলি যি দাবী কৰিছে সেয়া আচলতে কোচ ৰাজবংশী ভাষাৰহে নিদৰ্শন। ইয়াৰ দৃষ্টান্ত তলত আগবঢ়োৱা হৈছে।

প্ৰাগ্ঐতিহাসিক যুগৰ পৰা ১৯৫৬ চনৰ মাৰ্চ মাহলৈ উত্তৰ-পূৰ ভাৰতত বিভিন্ন নামেৰে পৰিচিত ৰাজবংশ প্ৰতিষ্ঠাৰ জৰিয়তে ৰাজত্ব চলাই অহা জনগোষ্ঠীটো হ'ল কোচ ৰাজবংশী জনগোষ্ঠী। এই কোচ ৰাজবংশীৰ বংশধৰসকল কোচ বিহাৰ, বিজনী, চিদলী, গুৱাহাটীৰ বেলতলা, দৰঙ আৰু বাংলাদেশৰ ৰংপুৰৰ পাঙাৰ ৰাজবাৰী আৰু ৰাজপৰিয়ালে এই ঐতিহাসিক সত্যতাৰ স্বাক্ষৰ বহন কৰি আছে। কোচ ৰজা-মহাৰজাসকলৰ ৰাজত্বকালত 'দেশী' নামটোৰ বহুল প্ৰচলন আছিল। ইয়াৰ দ্বাৰাই প্ৰমাণিত হয় দেশী শব্দই কোচক বুজাইছে। কোচৰ ভাষাই দেশী ভাষা। কাৰণ নিৰ্দিষ্ট এটা ভাষা-সংস্কৃতিৰ বিকাশৰ ভেটি হ'ল নিৰ্দিষ্ট এটা নৃ-গোষ্ঠীয় জনগোষ্ঠীৰ সমাজ ব্যৱস্থা। অৱশ্যে কোচ অধ্যুষিত অঞ্চললৈ বহুতো জনগোষ্ঠীয় লোকৰ প্ৰব্ৰজনে দেশী বা কোচ ৰাজবংশী ভাষাৰ ওপৰত প্ৰভাৱ নেপেলোৱাকৈ থকা নাই।

বৈদিক যুগত গোড়া আৰ্যভাষীসকলে কোচৰ ভাষাক 'কুৱাচ' অৰ্থাৎ বেয়া ভাষা বুলি আখ্যা দিছিল। যি শব্দৰ সন্ধি ছেদ কৰিলে পোৱা যায় -'কু'-ৰ অৰ্থ বেয়া আৰু 'ৱাচ'-ৰ অৰ্থ মাত। সেয়ে শব্দটোৰ অৰ্থ হয় বেয়াভাষী বা অবুজ ভাষা কওঁতা। ভাষাচাৰ্য সুনীতি কুমাৰ চেটাৰ্জীয়ে 'কুৱাচ' শব্দৰ ইংৰাজী অনুবাদ কৰিছে এই বুলি - Evil Speaker or Bad Speaker. তেওঁ লিখিছে -"Another Sanskritised form of the name Koca, Viz., Kuvacaka (This of course gives good sense as 'Evil Speaker' or 'Bad Speaker' in Sanskrit), is found in Padma Purana". ('Kirata Jana Kriti', Page-113, Published by The Asiatic Society, Park Street, Kolkata-700016, Third reprint in March, 2011). এই কুৱাচ বা বেয়া ভাষা-ভাষী মানুহবিলাকেই 'কোচ' হিচাপে পৰিচিত হৈ ৰয়। যোগিনীতন্ত্ৰৰ মতে 'কুৱাচ'ৰ পৰা 'কোচ' শব্দৰ সৃষ্টি হৈছে।

অসমৰ ব্ৰাহ্মণসকলক কনৌজ, বাৰানসী আদিৰ পৰা কোচ ৰজাসকলে আমন্ত্ৰণ কৰি আনিছিল একমাত্ৰ মঠ-মন্দিৰত পূজা পাতল দিয়াৰ বাবে আৰু পৰৱৰ্তী সময়ত তেওঁলোকে ৰজাক ৰাজকাৰ্য্যত সহায় কৰিছিল।

“কামাখ্যাদেৱীৰ সেৱা-পূজাৰ বাবে ৰজাই বঙ্গদেশৰ পৰা ব্ৰাহ্মণ আনি তেওঁলোকক ব্ৰহ্মোত্তৰ ভূ-সম্পত্তি, মন্দিৰৰ ব্যয়ৰ বাবে যথেষ্ট দেৱোত্তৰ ভূমি আৰু সেৱকসকলৰ ভৰণ-পোষণৰ বাবে উপযুক্ত ভূমি প্ৰদান কৰিছিল। কামাখ্যাৰ পৰা দেৱীৰ অম্বুবাচী আৰু শাৰদীয় পূজাৰ নিৰ্মালি এতিয়াও কোচ বিহাৰলৈ নিয়মিতভাৱে প্ৰেৰণ কৰা হয়” (পৃষ্ঠাঃ ২০৯-২১০, ‘কোচ বিহাৰৰ ইতিহাস’, মূলঃ খাঁ চৌধুৰী আমানত উল্লা আহমদ, অনুবাদ ঃ অঞ্জন শৰ্মা, দ্বিতীয় প্ৰকাশ ঃ নৱেম্বৰ, ২০১৬, ভৱানী- বুক্‌ছ পাণবজাৰ গুৱাহাটী)।

যুগ যুগ ধৰি ব্ৰাহ্মণ-কায়স্থসকলে দেশী মানুহৰ অৰ্থাৎ কোচ ৰাজ্যত বসবাস কৰি আহিছে আৰু এই দেশী বা কোচ ৰাজবংশীসকলৰ ভাষা সংস্কৃতিকে গ্ৰহণ কৰিছে। মুছলমান সকলৰো এক বৃহৎ অংশই হ’ল ধৰ্মান্তৰিত কোচ ৰাজবংশী। ধৰ্মান্তৰিত মুছলমান কোচ ৰাজবংশীসকলে এতিয়াও কোচ ৰাজবংশী ভাষা সংস্কৃতিত চহকী। অথচ আজি হিন্দু কোচ ৰাজবংশীৰহে একাংশ অসমীয়াভাষী আৰু অইন একাংশ বাংলাভাষী হৈ পৰিছে।

গতিকে দেশী ভাষাক ‘কোচ ৰাজবংশী’ ভাষা বুলি ক’লে মুছলমান ৰাইজে আপত্তি কৰাৰ কোনো থল দেখা নাযায়। হিন্দু কোচ ৰাজবংশী লোকে ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত হোৱাৰ বহুতৰে পাঁচশ বছৰেই হোৱা নাই।

আজিৰ তাৰিখত দেশী বা কোচ ৰাজবংশী ভাষাৰ বিজ্ঞানসন্মত ব্যাখ্যাৰ প্ৰয়োজন হৈছে। যাৰ জৰিয়তে ‘কোচ ৰাজবংশী’ ভাষাৰ ওপৰত হৈ থকা অপব্যাখ্যাবোৰৰ সামধান কৰিব পৰা যাব।

এটা সময়ত এই দেশী বা কোচ ৰাজবংশী ভাষাই কোচ ৰাজ্যৰ ৰাজভাষা আছিল। অবিভক্ত গোৱালপাৰা আৰু উত্তৰ বংগ এই সমগ্ৰ অঞ্চলত অৰ্থাৎ কোচ ৰাজ্যৰ ৰাজভাষা হিচাপে ‘কোচ ৰাজবংশী’ ভাষাটোকেই ইয়াত বাস কৰা সকলো জাতি-জনগোষ্ঠীয়েই সৰ্বজনীন ভাষা হিচাপে ব্যৱহাৰ কৰিছিল আৰু শুদ্ধকৈ ক’বও পাৰিছিল। আজিও বহু অনাকোচ ৰাজবংশী পৰিয়ালত কোচ ৰাজবংশী ভাষাটোৱেই প্ৰচলন হৈ আছে।

প্ৰাচীন কামৰূপত ষষ্ঠ শতিকাৰ পৰা দ্বাদশ শতিকালৈকে ৰাজত্ব কৰা ৰজাসকলৰ তামৰ ফলিত কামৰূপৰ সেই সময়ৰ ভাষাৰ কিছু আভাস পোৱা যায়। সেই ফলিবোৰ সংস্কৃতত লিখিলেও সেইবোৰত কোচ ৰাজবংশী শব্দৰ বহুতো নিদৰ্শন পোৱা যায়। তলত কেইটামান নিদৰ্শন দৃষ্টান্ত হিচাপে দাঙি ধৰিলো-

ফলিত থকা শব্দ	বৰ্তমানৰ ৰাজবংশী	শব্দাৰ্থ
কালিয়া (৭ম শতিকা, ভাস্কৰ বৰ্ম্মা)	কালিয়া	নামবাচক শব্দ
ডুম্বৰী (৭ম শতিকা)	ডুমুৰু	এবিধ গছ
পুস্কিৰিণী (৭ম, ১১শ, ১২ শ শতিকা, ভাস্কৰ বৰ্ম্মা, ইন্দ্ৰ পাল, ধৰ্ম্মপাল)	পুস্কৰ্ণী	পুখুৰী
ডেব্বৰি ঐ	ডাবিৰি	পথাৰ
জিঙ্গণী (১১শ শতিকা, ইন্দ্ৰপাল)	জিগিনী	এবিধ গছ
হিজ্জল (১১ শ শতিকা, ৰত্নপাল)	হিনজ্‌ল	এবিধ গছ
খিতিমত (১১শ শতিকা, ৰত্নপাল)	খিমত, খেমত খিম্মত, হিম্মৎ	ক্ষমতা, শক্তি
জোল (১১শ শতিকা)	জোল	সৰুপানী যোৱা নলা
ঝৰি (১২শ শতিকা, বলবৰ্মা ধৰ্মপাল)	ঝৰি	বৰষুণ
পাকঠী ঐ	পাক্‌টি	কুৰা

হাথী, হস্থি (১২ শ শতিকা, ধৰ্মপাল)	হাত্তী, হস্থি	হাতী
পাকৰি (১২শ শতিকা, ধৰ্মপাল, বলবৰ্মা)	পাক্ৰি/পাখিৰি	এবিধ গছ

('ৰাজবংশী ভাষা সাহিত্যৰ পৰিচয়' ঃ ড° দ্বিজেন্দ্ৰ নাথ ভকত, পৃষ্ঠা - ২০, প্ৰথম প্ৰকাশ ঃ ২০০০, প্ৰকাশক ঃ চেন্টাৰ ফৰ এথ্নিক ষ্টাডিচ্ এণ্ড ৰিচাৰ্চ, গোলকগঞ্জ- ৭৮৩৩৩৪)।

অসমীয়া আৰু বাংলা ভাষাটো মাগধী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা বুলি পণ্ডিতসকলে কৈছে। সুকুমাৰ সেনে চৰ্য্যাপদৰ ভাষাক 'প্ৰত্ন বাঙ্গালা' বুলি অভিহিত কৰিছে। অসমীয়া ভাষাৰ ক্ষেত্ৰতো অসমীয়া পণ্ডিতসকলে 'চৰ্য্যাগীত'ত অসমীয়া ভাষাৰ প্ৰত্নৰূপ নিহিত হৈ থকা বুলি দাবী কৰে। কিন্তু চৰ্য্যাগীতবোৰত কোচ ৰাজবংশী ভাষাৰ নিদৰ্শন অধিক পোৱা যায়। তলত তাৰে উদাহৰণ দাঙি ধৰিলো -

চৰ্য্যাপদ (অসমীয়া অৰ্থৰে)	**কোচ ৰাজবংশী**	**কোচ ৰাজবংশী বাক্য**
আন্ধাৰী (অন্ধকাৰ)	আন্ধাৰী	অক আন্ধাৰী মাৰিবা লাগে।
আলা-জালা(আলঝালা)	আলা-জালা	ঘুমেৰ পাৰা উঠিয়া মানুষগ' আলা-জালা হৈছে।
অইসন - এনেকুৱা	ঐছন	ঐছন কৰিছ কেনে? (গৌৰীপুৰ)।
এতকাল (ইমান সময়)	এতকাল	এতকাল কি কৰিল'?
কৰ (কৰ)	কৰ	কামগ' তয়ে কৰ।
কৰিআ (কৰি)	কৰিয়া	কামগ' কৰিয়া ময় যাম।
কৰিব (কৰিব)	কৰিব	কামগ' অয় কৰিব।
কাজ (কাম)	কাজ	কাজত মন নবহে তোৰ।
কুল (পাৰ-দাঁতি)	কুল	অক কুলত তুলিয়া ল'।
খৰ (তীব্ৰ)	খৰ	এতো খৰ না তোৰ।

খাট (বিচনা)	খাট	খাট এখান বনাবা লাগে।
গুণিআ (গণি, গণনা কৰি)	গনিআ	কয়টা আছে গুনিয়া ল’।
চলিল (চলিলা, গ’ল)	চলিল	গাড়ীখান চলিল।
চাপী (কাষ চাপি)	চাপি	চাপিয়া নাহিচটো গাওটে ঘেচটা খাব।
তোৰে (তোমাক)	তোৰে	তোৰে লগতে যাম।
থোই-(থবলৈ, ৰাখিবলৈ)	থয়	জিনিচগিতি ময় থয়া দিলুং।
দাহিন (সোঁ)	দাইন	এইদিয়া যায়া দাইন ফালে ঘুৰিবি।
দূৰ (দূৰ)	দূৰ	ৰাস্তাগ’ এতো দূৰ।
দুঃখে সুখে (দুঃখ সুখৰ)	দুঃখে সুখে	দুখে সুখে আছং আৰো কুনোমতে।
দেখিল (দেখিলো)	দেখিল	ফটকৰে অয় দেখিল।
নামে (নামেৰে)	নামে	তোৰ নামে যায়।
নাড়িয়া (মূৰ খুৰোৱা)	নাড়িয়া	বাপ-মাও মৰিলে নাড়িয়া হ’বা লাগে।
নৌকা (নাও)	নৌকা	চিলাৰায়ে নৌকা দিয়াও যুদ্ধ কৰছিল।
নিল (নিলে)	নিল	বইখান অয় নিল।
পইসি (প্ৰৱেশ কৰি)	পৌসি	সাংকালে পৌসিবি।
পহিলেঁ (প্ৰথমতে)	পহিলে	পহিলে কামগ’ কৰেক।
পাণিআ (পানী)	পানীয়া	দুধগিতি গোটায় পানীয়া।
পাৰ (পাৰ)	পাৰ	ভাবিয়া ময় পাৰ নাপাওৱা হইছুং।
পুচ্ছি-পুচ্ছিঅ (সুধি-পুচি)	পুচি	ৰ’ ময় পুচিয়া লম।
ফুলিআ (ফুলি থকা)	ফুলিয়া	ফুলগিতি সুন্দৰ কৰিয়া ফুলিয়া আছে।
পূৰা (পূৰ হ’ল, সম্পূৰ্ণ হ’ল)	পূৰা	বাল্টিত পানী পুৰা কৰেক।

বণ (বন, হাবি)	বন	বনগিতি ডাঙাৰে হইল।
বাধা	বাধা	এই কামগ’ কৰাত বাধা নাই।
বাস (বাঁহ)	বাঁশ	বাঁশেৰ থুপাগ’ ডাঙাৰে হইল।
বাহা (বাহ)	বাহা	পখীগ’ বাহা বান্ধিবা ধৰছে।
বিহনি (ৰাতিপূৱা)	বিহান	বিহানে সাংকালে উঠিবা লাগে।
ভণ্ডাৰ (ভৰাঁল)	ভাণ্ডাৰ	ধানেৰ ভাণ্ডাৰ।
ভতাৰে (পতি, গিৰিয়েক)	ভাতাৰ	তোৰ ভাতাৰগ’ কি কৰে?

প্ৰাচীন অসমীয়া আৰু কোচ ৰাজবংশী ভাষাৰ মাজতো বহু সাদৃশ্য দেখা যায়। তাৰে ভিতৰত কেইটামান তলত আগবঢ়ালো-

কোচ ৰাজবংশী	প্ৰাচীন অসমীয়া	শব্দাৰ্থ (অসমীয়া)
আউজী	আউজি	
আধাৰ	আধাৰ	চৰাইৰ খাদ্য
দাত ভাঙা	দান্ত ভাংগা	দাত ভঙা
পৰাণখানি	প্ৰাণখানি	প্ৰাণটো
বাতাস	বতাস	বতাহ
বাপ	বাপ	দেউতা
মাথা	মাথা	মূৰ
বৰো ভাই	বড় ভাই	ডাঙৰ ভাই
বৰ	বৰ	দৰা
দৌৰা-দৌৰী	দৰাদৰী	খৰধৰ
আসি	আশি	আহি
কেনে	কেনে	কিয়
তোম্ৰা	তোম্ৰা	আপুনি
গেইল	গৈল	গ’ল

বাপ	বাপ	দেউতা
খসি	খসি	খহি
পাইল	পাইল	পালে
থান	থান	স্থান
বেলা	বেলা	সময়

প্ৰাচীন অসমীয়াৰ সৈতে কোচ ৰাজবংশী ভাষাৰ সাদৃশ্যই এক বিশেষ তাৎপৰ্য বহন কৰিছে। প্ৰাচীন অসমীয়া ভাষা বুলিলে আমি হেম সৰস্বতী, হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলী, মাধৱ কন্দলী আদি লেখকসকলে সাহিত্য ৰচনা কৰা ভাষাটোক বুজো। ১৩ শ শতিকাৰ পৰা ১৬ শ শতিকাৰ ভিতৰত কমতা ৰাজ্যৰ ৰজাসকলৰ ৰাজ পৃষ্ঠাপোষকতাত ৰচনা কৰা এই লেখকসকলৰ উন্নতমানৰ সাহিত্যৰাজিত কোচ ৰাজবংশী ভাষাৰ নিদৰ্শন পোৱা যায়। এইসকলৰ ভিতৰত হেম সৰস্বতী, হৰিবৰ বিপ্ৰ, মাধৱ কন্দলী ৰজা দুৰ্লভ নাৰায়ণৰ ৰাজ পৃষ্ঠপোষকতা লাভ কৰাৰ বিপৰীতে কবিৰত্ন সৰস্বতী দুৰ্লভ নাৰায়ণৰ পুত্ৰ ইন্দ্ৰ নাৰায়ণ আৰু ৰুদ্ৰকন্দলীয়ে ৰজা তাম্ৰধ্বজৰ ৰাজ পৃষ্ঠপোষতা লাভ কৰে।

প্ৰাক্‌শঙ্কৰী সাহিত্য আৰু শংকৰী সাহিত্যবোৰতো কোচ ৰাজবংশীভাষাৰ নিদৰ্শন পোৱা যায়। ইয়াৰ মূলতে হ'ল এই সাহিত্যবোৰ পশ্চিম অসম অৰ্থাৎ কোচ ৰাজ্যৰ ৰাজ পৃষ্ঠপোষকতাত লিখা হৈছিল। এই সাহিত্যবোৰ অসমীয়া সাহিত্যৰ ভেটি বুলি ধৰা হয় যদিও ইয়াত কোচ ৰাজবংশী ভাষাৰ হে নিদৰ্শন পোৱা যায়।

প্ৰাক্‌শংকৰী সাহিত্য হিচাপে আমি মনকৰৰ পদ্ম পুৰাণখনৰ কথা উনুকিয়াব পাৰো। মনকৰ দ্বাদশ শতিকাৰ কবি আছিল। মনকৰৰ সাহিত্য সৃষ্টিত এনে কিছুমান শব্দ আছে যিবোৰ কোচ ৰাজবংশী ভাষাতহে প্ৰচলন হয়। মনকৰৰ 'বেউলা-লক্ষিন্দাৰ'ৰ পদ্ম-পুৰাণ-ভাটিয়ালি খণ্ডত বহু কোচ ৰাজবংশী ভাষাৰ হুবহু শব্দ পোৱা যায়। ক'ব গ'লে সেইখন কোচ ৰাজবংশী ভাষাতে লিখা হৈছে। তলত তাৰ কেইটামান উদাহৰণ দাঙি ধৰিলো -

মনকৰৰ বেউলা-লক্ষিন্দাৰ (অসমীয়া অৰ্থৰে)	কোচ ৰাজবংশী	কোচ ৰাজবংশী বাক্য
খাইল(খালে)	খাইল	অয় ভাত খাইল।
যত আছে(যিমান আছে)	যত আছে	যত আছে মোক দেক।
কৰিতে নাপাৰে (কৰিব নোৱাৰে)	কৰিবা নাপাৰে	অয় কামগ' কৰিবা নাপাৰে।
শুনিয়া (শুনি)	শুনিয়া	কাথাগ' শুনিয়া অয় গেল।
আসিয়া (আহি)	আসিয়া	অয় এলাও আসিয়া নাপায়।
গৈলা (গ'ল)	গেল	অয় গেল।
গাৱ (শৰীৰ)	গাও	অৰ গাওৰ ৰংগ' কালা।
পাইলে (পালে)	পাইলে	কামগ' পাইলে ময় কৰিম।
মাও নাই (মা নাই)	মাও নাই	অৰ মাও নাই।
পায়া (পাই)	পায়া	অৰ আদেশ পায়া ময় কামগ' কৰিলুং।
ডাক (মাতা)	ডাকা	অক ডাকাও।
বসি (বহি)	বসি/বচি	অয় বসিয়া/বচিয়া আছে।
বেটা (পুত্ৰ)	বেটা	অৰ ছয়জন বেটা।
নামানে (নেমানে)	নামানে	মোক অয় ভাই বুলিয়া নামানে।

"শ্ৰীকৃষ্ণ কীৰ্তন" কবিতা পুথিখনতো কোচ ৰাজবংশী ভাষাৰ বহুতো শব্দ পোৱা যায়। এই গ্ৰন্থখন ৰচনা কৰিছিল অনন্ত বড়ুচণ্ডী দাসে। পণ্ডিতসকলে তেওঁক চৈধ্য শতিকাৰ লোক বুলি কৈছে। প্ৰাক্‌শংকৰী যুগৰ এই গ্ৰন্থখনতো কোচ ৰাজবংশী ভাষাৰ নিদৰ্শন পোৱা যায়। তলত কেইটামান নিদৰ্শন দাঙি ধৰিলো-

শ্ৰীকৃষ্ণ কীৰ্তন (অসমীয়া অৰ্থৰে)	কোচ ৰাজবংশী
গলা (ডিঙি)	গলা।
গাছেৰ উপৰে (গছৰ উপৰত)	গাছেৰ উপৰত।
দেখিয়া (দেখি)	দেখিয়া।
ঝুনা নাৰিকল (পুৰঠ নাৰিকল)	ঝুনা নাৰিকল।
কাটিল (কাটিলে)	কাটিল।
লেম্বু (নেমু)	লেবু।
কৰিআ (কৰি)	কৰিয়া।
চিন্তিয়া (চিন্তা কৰি)	ভাবিয়া-চিন্তিয়া।
জাইতেঁ (যাঁওতে)	যাইতে ।
একলাই (অকলে)	একেলায়।
মাঅ বাপ (মা-দেউতা)	মাও-বাপ।
কিসেৰ কাৰণে (কিহৰ কাৰণে)	কিসেৰ জৈন্যে।

ইয়াত মাত্ৰ কেইটামান নিদৰ্শনহে দাঙি ধৰিলো আৰু প্ৰাক্‌শঙ্কৰী যুগৰ সাহিত্যত কোচ ৰাজবংশী ভাষাৰ নিদৰ্শন দাঙি ধৰাৰ জৰিয়তে এই সমগ্ৰ অঞ্চলত যে কোচ ৰাজবংশী ভাষাৰ প্ৰচলন আছিল সেয়া প্ৰমাণিত হ'ল। ঠিক সেইদৰে শঙ্কৰী যুগৰ সাহিত্যটো কোচ ৰাজবংশী ভাষাৰ বহুতো নিদৰ্শন পোৱা যায়। এই ক্ষেত্ৰত শংকৰদেৱৰ 'কীৰ্তন-ঘোষা'ত বহুতো কোচ ৰাজবংশী শব্দ হুবহু ব্যৱহাৰ হোৱা দেখা যায়। তাৰে কেইটামান উদাহৰণ তলত দাঙি ধৰিলো -

"কৰিলা নিৰ্ভয় ত্ৰিদসে উল্লাস।
ভক্ত প্ৰ াদক প্ৰভু কৰিলা আশ্বাস।।"

উল্লাস- অসমীয়াত 'আনন্দ'। কোচ ৰাজবংশী - উল্লাস।

কোচ ৰাজবংশী বাক্য- বিষুৱাৰ বাখাৰাত চেংৰীগিলা নাচে উল্লাসত।

“এক পাট শৰে বালি সঙ্কাঁলিলা জীৱ।
তোমাৰ প্ৰসাদে ৰাজা ভৈলন্ত সুগ্ৰীৱ।।”

ৰাজা- অসমীয়াত ‘ৰজা’। কোচ ৰাজবংশী- ৰাজা।

কোচ ৰাজবংশী বাক্য- কোচ ৰাজা নৰনাৰায়ণ একজন মহান মানুষ আছিল।

“ভৈলা অৱতাৰ আৰো নৰনাৰায়ণ।
কৰিলা দুষ্কৰ তপ চিত্তৰ শোধন।।”

আৰো- অসমীয়াত ‘আৰু’। কোচ ৰাজবংশী- আৰো।

কোচ ৰাজবংশী বাক্য- অয় আৰো ময় যাম।

“কৰিলা অনেক শাখা চাৰিও বেদৰ
পুৰাণ ভাৰত শাস্ত্ৰ নিৰ্মিলা বিস্তৰ।।”

অনেক- অসমীয়াত ‘বহুত’। কোচ ৰাজবংশী- অনেক।

কোচ ৰাজবংশী বাক্য- তয় আহাতে অনেক দেৰী কৰিল’।

“যিটো পাপী কৰে গুৰুক হেলা।
বেদকো নিন্দে যদি কোনো বেলা।।”

কোনো বেলা- অসমীয়াত ‘কেতিয়াবা’। কোচ ৰাজবংশী- কুনো বেলা।

কোচ ৰাজবংশী বাক্য- তয় আমাৰ ফালে কুনো বেলা আসিবি।

“নামেসে কৰিবে পৰম সিদ্ধি।
হৰিৰ নাম জগতৰ নিধি।।”

নামেসে- অসমীয়াত ‘নাম হে’। কোচ ৰাজবংশী- নামে সে।

কোচ ৰাজবংশী বাক্য- অৰ নামেসে যায়।

"পুছিলা নাৰদ মুনি দুনাই।
যাহাৰ বিজ্ঞান বৈৰাগ্য নাই।।"

পুছিলা- অসমীয়াত 'সুধিলে'। কোচ ৰাজবংশী- পুছিল।

কোচ ৰাজবংশী বাক্য- বাজাৰত যাম না নাযাম অয় মোক পুছিল।

"জানিয়া হৰিক সততে স্মৰ।
ক্ষণেকো নাপাসৰিবাহা নৰ।।"

নাপাসৰিবাহা- অসমীয়াত 'নাপাহৰিবা'। কোচ ৰাজবংশী- নাপাসুৰিছ।

কোচ ৰাজবংশী বাক্য- ময় কোৱা কাথাগ' নাপাসুৰিছ।

"মুৰ্খৰ কথা সবে পৰিহৰি।
সদায় ডাকিয়া ঘুৰিয়ো হৰি।।"

ডাকিয়া- অসমীয়াত 'মাতি'। কোচ ৰাজবংশী- ডাকেয়া।

কোচ ৰাজবংশী বাক্য- অয় বাজাৰেৰ ফালে গেছে, ডাকেয়া আনটো।

ওপৰৰ দৃষ্টান্তবোৰৰ পৰা এটা কথা স্পষ্ট হয় যে প্ৰাচীন অসমীয়া, প্ৰাক্-শংকৰী আৰু শংকৰী যুগৰ সাহিত্যৰ ভাষাৰ ভেটি হ'ল কোচ ৰাজবংশী ভাষা। কাৰণ ভাষাৰ এনে সাদৃশ্য কোচ ৰাজবংশী ভাষাৰ বাহিৰে অইন কোনো জনগোষ্ঠীৰ ভাষাৰ লগত দেখা নাযায়।

যি বোৰ সাহিত্যৰ ভাষাক অসমীয়া ভাষাৰ প্ৰত্নৰূপ বুলি কোৱা হয় সেই সাহিত্যৰ ভাষাত কোচ ৰাজবংশী ভাষাৰহে সাদৃশ্য বা নিদৰ্শন পোৱা যায়। গতিকে একাংশ পণ্ডিতে দাবী কৰাৰ দৰে কোচ ৰাজবংশী ভাষাটো কেতিয়াও অসমীয়া ভাষাৰ উপভাষা হ'ব নোৱাৰে। ই এটা অনাৰ্য স্বতন্ত্ৰ ভাষা।

বহুতো পণ্ডিতে কয় যে কোচ ৰাজবংশীসকল তিব্বত বৰ্মী ভাষা-ভাষীৰ লোক আছিল আৰু ক্ৰমান্বয়ে তেওঁলোকে তিব্বত বৰ্মী ভাষা হেৰুৱাই আৰ্য ভাষা গ্ৰহণ কৰে। এই ক্ষেত্ৰত ড০ দ্বিজেন্দ্ৰ নাথ ভকতে তেওঁৰ 'ৰাজবংশী ভাষা প্ৰসঙ্গ' নামৰ গ্ৰন্থখনত লিপিবদ্ধ কৰিছে এনেদৰে -"কোচ ৰাজবংশী গুলান

মূলতে আনাৰ্য ভাষী আছিলেক আৰ উম্‌ৰা নিজেৰ ভাষা অৰ্থাৎ তিব্বতবৰ্মী ভাষা ছাৰিয়া আৰ্য ভাষা গ্ৰহণ কৰে। সমভূমিত বসত কৰা কোচ ৰাজবংশীলা আৰ্য ভাষা নেওৱাৰ ফলত উম্‌ৰা মূল খেও থাকিয়া পৃথক হয়। আৰ্য ভাষাৰ প্ৰভাৱে তিব্বতবৰ্মী ভাষা কওয়া মানষিলাৰ ভাষাৰ মূল খেও হাৰেয়া যায়” (পৃষ্ঠা- ১৪, প্ৰকাশঃ ২০০৪, প্ৰকাশক ঃ চেন্টাৰ ফৰ্ এথনিক ষ্টাডিং এণ্ড ৰিচাৰ্চ, গোলকগঞ্জ, ধুবুৰী)।

এই ক্ষেত্ৰত খাঁ চৌধুৰী আমানত উল্লা আহমদ আৰু B.H. Hodgson য়ে উল্লেখ কৰা কোচ ভাষাৰ কথাটোৰে বিশেষ তাৎপৰ্য বহন কৰিছে। ইতিহাসবিদ আহমদে তেওঁৰ ‘কোচ বিহাৰৰ প্ৰাচীন ভাষা’ নামৰ প্ৰৱন্ধত উল্লেখ কৰিছে যে উত্তৰ বংগত প্ৰকাশিত পঞ্চদশ ভাগ-চতুৰ্থ সংখ্যা, সাহিত্য পৰিষৎ পত্ৰিকাত কোচ ও ৰাজবংশী সম্প্ৰদায়ৰ জাতিতত্ত্ব নিৰূপন ও ভাষা নিৰ্বাচন সম্বন্ধে বহুকেইটা গৱেষণাপূৰ্ণ প্ৰৱন্ধ প্ৰকাশিত হৈছে আৰু সেই পত্ৰিকাত প্ৰকাশিত এগৰাকী লেখকৰ প্ৰৱন্ধৰ মুখবন্ধত ঝিৎ, চাকুলা, ত্যাৰাং, ঝাটাং, আনু, ডেকু, ছ্যাকা আদি কেইটামান শব্দ কোচ ভাষাৰ বুলি অন্তৰ্ভূক্ত কৰিছে (‘কোচ বিহাৰ কিদৰে হ’ল বঙ্গৰ অঙ্গ?’ -অঞ্জন শৰ্মা, পৃষ্ঠা-১৪৫, প্ৰকাশকঃ পাৱাৰ শিফট, ২০১৭)।

ইয়াৰ উপৰিও ১৮৪৬ খ্ৰীষ্টাব্দত বি. এইচ. হডচন চাহাৰে ৰচনা কৰা ‘Essay the first on Koch, Bodo and Dhimal Tribes’ নামৰ পুথিত কোচ, বড়ো আৰু ধিমাল ভাষাৰ পৰিচয় ডাঙি ধৰিছে। গ্ৰন্থাকাৰে লিখিছে- “I must begin with the remark that I do not propose to say anything of the Koch grammar, which is wholly corrupt bengali the reason which have induced me to give the Koch vocabulary are stated elsewhere.”(page-105). অৰ্থাৎ কোচ ব্যাকৰণ সম্বন্ধে একোকেই ক’ব নোখোজো। কাৰণ সেইখন সম্পূৰ্ণভাৱে ৰূপান্তৰিত বঙালী ভাষা। কোচ ভাষাৰ শব্দকোষ লিখাৰ কাৰণ সম্পৰ্কে আইন স্থানত লিখা হৈছে (‘কোচ বিহাৰ কিদৰে হ’ল বঙ্গৰ অঙ্গ?’ -অঞ্জন শৰ্মা, পৃষ্ঠা-১৩৯, প্ৰকাশকঃ পাৱাৰ শিফট, ২০১৭)।

খাঁ চৌধুৰী আমানত উল্লা আহমদ আৰু হডচন চাহাবে উল্লেখ কৰা 'কোচ' নামৰ ভাষাটোৱে বহুতো পণ্ডিতক দোমোজাত পেলাইছে। ঠিক একে কোচ নামৰ ভাষা এটা মেঘালয়ৰ গাৰোপাহাৰত বৰ্তমানেও চলি আছে আৰু তিব্বত বৰ্মী এই ভাষাটোকেই বহুতো পণ্ডিতে কোচ ৰাজবংশীসকলৰ নৃ-গোষ্ঠীয় ভাষা বা পূৰ্বৰ হেৰাই যোৱা ভাষা বুলি ক'ব বিচাৰে। কিন্তু প্ৰকৃততে এনে প্ৰচেষ্টা ভুল আৰু ই সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। কিয়নো মেঘালয়ৰ গাৰোপাহাৰ বা তাৰ নামনি অঞ্চলত প্ৰচলিত 'কোচ' নামৰ ভাষাটো ৰাভা ভাষাৰ এটি দোৱানহে।

ৰাভাসকল সামাজিক দৃষ্টিভংগীৰ ফালৰ পৰা ৭ভাগত বিভক্ত -১) ৰাংদানিয়া, ২) পাতি, ৩) মায়তাৰিয়া, ৪) কোচ ৫) দাহৰিয়া, ৬) বইতালিয়া আৰু ৭) ছোংগা। ইয়াৰে কোচ বা কোচা নামৰ শাখাটো আৰু ৬ ভাগত বিভক্ত - ১) হৰগিয়া ২) সাতপুৰীয়া, ৩) দাসগয়া, ৪) চাপৰা ৫) ওৱানাং আৰু ৬) তিনতেকীয়া।

এই তিনতেকীয়াসকলেই 'কোচ' বা 'কোচা' নামৰ ভাষাটো ব্যৱহাৰ কৰে আৰু তেওঁলোকৰ ৰীতি-নীতি আৰু পোছাক পৰিচ্ছদ আন শাখাৰ স্বজাতীয় সকলৰ লগত বহুখিনি পাৰ্থক্য আছে। গাৰো পাহাৰৰ দক্ষিণ পশ্চিম অঞ্চলত কোচ ৰাভাসকলে বসবাস কৰি আছে (পৃষ্ঠা- ৫ আৰু ৬, 'ৰাভা জনজাতি'ঃ ৰাজেন ৰাভা)।

"তিনতেকীয়া ৰাভাসকলে ব্যৱহাৰ কৰা 'কোচ' নামৰ ভাষাটো ৰাভা ভাষাৰ তিনিটা উপভাষা বা দোৱানৰ ভিতৰত এটা। ৰাভা ভাষাৰ তিনিটা উপভাষা বা দোৱান আছে কোচ, ৰাংদানী আৰু মায়তাৰী। কোচ উপভাষা গাৰো পাহাৰৰ দক্ষিণ পশ্চিমাঞ্চল, অবিভক্ত গোৱালপাৰা জিলাৰ উত্তৰাঞ্চল আৰু পশচমবংগৰ কোচবিহাৰ, জলপাইগুৰী আৰু দাৰ্জিলিং জিলাৰ কেতবোৰ অঞ্চলত কোৱা হয়" (পৃষ্ঠা - ৬০, 'ৰাভা জনজাতিৰ চমু ইতিহাস'ঃ ধনঞ্জয় ৰাভা)।

কোচা বা কোচ আৰু ৰাংদানী, মায়তাৰী একেটা ভাষাৰ দুটা উপভাষা বা দোৱানহে। ড০ ৰেৱতি মোহন সাহাই কোচ, ৰাংদানী আৰু মায়তাৰী উপভাষাৰ ভাষাতাত্ত্বিক বিশ্লেষণ কৰি স্পষ্ট অভিমত এই বুলি দাঙি ধৰিছে- "এতিয়া কোচা

আৰু ৰাবা (ৰাংদানীয়া আৰু মায়তাৰীয়া) ভাষা চালি-জাৰি চালে আমি এই কথা ক'বলৈ বাধ্য হম যে কোচা আৰু ৰাভা কোনোকালেই দুটি বেলেগ ভাষা হব নোৱাৰে। ই এটি ভাষাৰে দুটি দোৱান মাথোন আৰু এই দুটি দোৱানৰ মাজত সম্পৰ্ক ইমান ঘনিষ্ঠ যে ইয়াক কোনো ক্ৰমেই বেলেগ কৰা সম্ভৱ নহয়” (পৃষ্ঠা - ৬০, ‘ৰাভা জনজাতিৰ চমু ইতিহাস’ঃ ধনঞ্জয় ৰাভা)।

কোচ ৰাজবংশীৰ একাংশই জানি বুজি ‘কোচ’ শব্দটোৰ বাবেই ভুল পথেৰে পৰিচালিত হৈ ৰাভাৰ ভাষাটোকে কোচ ৰাজবংশীসকলৰ ভাষা বুলি প্ৰচাৰ চলাই আছে। আচলতে শব্দটো ‘কোচা’। ৰাভাসকলে এতিয়া ‘কোচ’ বুলিহে লিখিবলৈ আৰম্ভ কৰিছে। উল্লেখ্য যে বৰ্তমানৰ ৰাভা সাহিত্য সভাৰ সভাপতি সন্মানীয় অমৰ সিং কোচ এজন ৰাভা জনগোষ্ঠীৰ লোক। বৰ্তমান মেঘালয়ৰ কিছু অঞ্চলত ব্যৱহাৰ হৈ থকা ‘কোচ’ নামৰ ভাষাটো কোচ ৰাজ্যৰ চাৰিসীমা (কৰতোৱা নদীৰ পৰা দৰঙী কোচ ৰাজ্যৰ পৰ সীমা)ৰ ভিতৰত ব্যৱহাৰ হোৱা নাছিল। ইয়াৰ প্ৰমাণ হ'ল মেঘালয়ত প্ৰচলিত কোচ ভাষাত পানীক তি/চিকা/তিকা বুলি কয়। কিন্তু ‘তি’ প্ৰত্যয়যুক্ত এখনো নদীৰ নাম কোচ ৰাজ্যৰ চাৰিসীমাৰ ভিতৰত পোৱা নাযায়। কোচ ৰাজ্যৰ চাৰিসীমাৰ ভিতৰত থকা নদীবোৰ হ'ল - বৰনদী, মানাস, আই, দুলানী, কজিয়া, তুনিয়া, দুৰামাৰী, কানিভুৰ, বেঁকী, চাম্পা, টাৰাং, গৌৰাং, গদাধৰ, সোণকোষ, ৰায়দাক, কৰতোৱা। এই নদীবোৰৰ নাম এটাও ‘তি’ প্ৰত্যয় যুক্ত নহয়।

অকল আছে ‘তিস্তা’। তিস্তা নামৰ উৎপত্তি ‘ত্ৰিস্ৰোতা’ৰ পৰা হোৱা। প্ৰাচীন কালত এই অঞ্চলত কোচ নামৰ ভাষাটো চলিলে নিশ্চয় ‘তি’ প্ৰত্যয়যুক্ত নদীৰ নাম পালোহেঁতেন। যেনেদৰে উজনি অসমত আমি পাঁও দিহিং, দিবাং আদি নদীৰ নাম। ডিমাচা কছাৰীসকলে পানীক ‘ডি’ বা ‘দৈ’ বুলি কয়।

কোচ ৰজাসকলেও কোচ নামৰ ভাষাটো ব্যবহাৰ কৰাৰ কোনো দৃষ্টান্ত পাবলৈ নাই। বহুতে ‘তি’ প্ৰত্যয়যুক্ত নদীৰ নাম বিচাৰি ক'ব বিচাৰে তিস্তা, টিপকাই আৰু ঝাপাৰ গোমতি নদীৰ কথা। কিন্তু তিস্তাৰ নাম আহিছে ত্ৰিস্ৰোতাৰ পৰা, ঝাপা জিলাৰ গোমতি নদীৰ পূৰ্বৰ নাম আছিল গোমত। নদীক স্ত্ৰীলিংগ কৰাৰ

বাবে হ'ল গোমতি। টিপকাই - 'টিপ' মানে 'অলপ' আৰু 'কাই' মানে এক প্ৰকাৰৰ পীতবৰ্ণৰ মাটি। অৰ্থাৎ মাটি মিশ্ৰিত ঘোলা বৰণৰ নদী। টিপকাই নদীৰ পানী সকলো সময়তে ঘোলা হৈ থাকে।

কোচ ৰাজবংশীসকল তিব্বত বৰ্মী ভাষা হেৰুৱাই আৰ্য ভাষা গ্ৰহণ কৰা কথাটো সত্য হ'ব নোৱাৰে। কাৰণ ভাষাৰ সংমিশ্ৰণ হ'ব পাৰে; কিন্তু হেৰাই যাব নোৱাৰে। যদিহে সেই ভাষা-ভাষীৰ লোক বৃহৎ সংখ্যক হয়। বৃহৎ জনসংখ্যাৰে প্ৰাচীন প্ৰাগ্‌জ্যোতিষ ৰাজ্যত ৰাজ্য পাতি শাসন কৰা কোচ ৰাজবংশীসকলৰ পূৰ্বৰ ভাষা হেৰাই যোৱা বুলি কোৱাৰ কোনো যুক্তি নাই। কিয়নো নদী শুকাই গ'লেও সুঁতি ৰৈ যোৱাৰ দৰে আমি তেনে কোনো তিব্বত বৰ্মী ভাষাৰ নিদৰ্শন বিচাৰি নাপালো।

ইয়াৰ উপৰিও চীনৰ চিকিয়াঙৰ 'কুচা' অঞ্চল তিব্বত বৰ্মী ভাষাৰ উৎপত্তিস্থল নহয় আৰু এই ভাষা তাত প্ৰচলনো নহয়। জৰ্জ আব্ৰাহাম গ্ৰীয়াৰ্চনৰ মতে তিব্বত বৰ্মীসকলৰ আদি দেশ চীনৰ ইয়াংজি আৰু হোৱাংহো নদীৰ উজনি অংশ বা উৎসস্থল। পণ্ডিত ৰাজমোহন নাথৰ মতে কোচসকলৰ আদি দেশ চীনৰ চিকিয়াং প্ৰদেশৰ 'কুচা' উপত্যকা। এই কথা স্বীকাৰ কৰি পণ্ডিত শিৰেন্দ্ৰ নাৰায়ণ কোচে তেওঁৰ 'কোচ জনগোষ্ঠীৰ অতীত সন্ধানত এটি খোজ' নামৰ গ্ৰন্থত ব্যাখ্যা আগবঢ়াইছে যে কোচসকল কুচা'ৰ পৰা পামীৰ মালভূমি অতিক্ৰম কৰি আফগানিস্থান, আফগানিস্থানৰ পৰা সিন্ধু উপত্যকা; সিন্ধু উপত্যকাৰ পৰা গংগা উপত্যকা আৰু পিছত ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহি পায়।

"ইয়াংজি আৰু হোৱাংহো অববাহিকা তিব্বতৰ পূৱত। কিন্তু 'কুচা' দেশ তাৰ্কিস্থানৰ তাৰিম নদীৰ উত্তৰ পাৰত অৱস্থিত আৰু এই কুচাৰ মাজেদিয়েই Silk Rout গৈছে। তাৰিম নদীৰ দক্ষিণত তাকলামাকাম মৰুভূমি বিদ্যমান, যি মৰুভূমিৰ মাজেৰে হেজাৰ হেজাৰ মাইল অতিক্ৰম কৰা অসম্ভৱ। এই মৰুভূমিৰ দক্ষিণত কুনলুন পৰ্বত, যি পৰ্বতৰ দক্ষিণত তিব্বতৰ বিশাল সমভূতি য'ত শত্ৰুয়েও গচকি পোৱা নাই" ('কোচ জনগোষ্ঠীৰ অতীত সন্ধানত এটি খোজ'ঃ শিৰেন্দ্ৰ নাৰায়ণ কোচ)।

গতিকে মৰুভূমিৰ মাজেৰে কুচাৰ পৰা হেজাৰ হেজাৰ মাইল অতিক্ৰম কৰি তিব্বতত প্ৰৱেশ কৰা অসম্ভৱ কথা। গতিকে তিব্বতৰ পূৱত থকা ইয়াংজি আৰু হোৱাংহো নদীৰ অববাহিকাৰ কথাটো নাহেই। তেন্তে কুচাৰ পৰা আহি সিন্ধু সভ্যতাৰ অংশীদাৰ হোৱা কোচসকল কেনেকৈ তিব্বত বৰ্মী হয়? এই ক্ষেত্ৰত অধিক গৱেষণা হ'ব বুলি আশা ৰাখিলো।

কোচ ৰাজবংশী ভাষাৰ বিকাশ আৰু প্ৰচলন ঃ প্ৰথমতে আমি ক'ব লাগিব যে কোচ ৰাজবংশী ভাষাটোৰ বিভিন্ন অঞ্চলভেদে বিভিন্ন আঞ্চলিক ৰূপ আছে আৰু এই আঞ্চলিক ৰূপ সমূহত ভাষাটোৰ শব্দৰ ধ্বনিগত, ৰূপগত আৰু বাক্যৰ ব্যৱহাৰত সুৰৰ পাৰ্থক্য পৰিলক্ষিত হয়। ইয়াৰ উপৰিও বিভিন্ন অঞ্চলত একেটা বস্তুৰে ভিন ভিন শব্দৰ প্ৰচলন হয়। কোচ ৰাজবংশী ভাষাৰ 'ভাষা বিজ্ঞান'ৰ আলোচনাত এই বিষয় বিলাক এতিয়াও আলোচনা হোৱা নাই।

কোচ ৰাজবংশী ভাষাটোৱেই প্ৰাচীন অসমৰ সংযোগী ভাষা (Lingua franca) আছিল। কোচ ৰাজসভাতো এই ভাষা 'ৰাজভাষা' আছিল। কোচ ৰাজবংশীসকলৰ ভাষাটোৱেই যে প্ৰত্ন অসমীয়া ভাষা বা অসমীয়া ভাষাৰ আদি কালৰ ৰূপ সেই কথা ইতিমধ্যে আমি ওপৰত আলোচনা কৰি আহিছো।

'ইতিহাস প্ৰসংগ, কোচ ৰাজবংশী স্বাধিকাৰ আন্দোলন' নামৰ গ্ৰন্থত বিশিষ্ট লেখক প্ৰমোদ বৰাই কোচ ৰাজবংশীসকলৰ ভাষাৰ ওপৰত লিপিবদ্ধ কৰিছে এনেদৰে - "ইং ১৮৪৬ চনত নাথান ব্ৰাউন, মাইলছ ব্ৰন্সন আদি মিছনেৰীৰ উদ্যোগত শিৱসাগৰত নতুনকৈ স্থাপিত মিছনাৰী প্ৰেছৰ পৰা 'অৰুনোদয়' নামৰ মাহেকীয়া অসমীয়া আলোচনীখন প্ৰকাশ পায়। তেওঁলোকে শিৱসাগৰ, নগাঁও আদিত প্ৰচলিত অসমীয়া ভাষাৰ আঞ্চলিক ৰূপটোকে অসমীয়া ভাষা ৰূপে ব্যৱহাৰ কৰাত পূৰ্বৰ দেশী কথা বা দেশী ভাষাৰ ৰূপটো অৱহেলীত হ'ল। নামনি অসমত মিছনেৰী প্ৰেছ স্থাপন হোৱাহেঁতেন আজি দেশী ভাষাই অসমীয়া ভাষা নামেৰে চলি থাকিলেহেঁতেন" (পৃষ্ঠা- ৭৮, প্ৰথম প্ৰকাশ, প্ৰকাশকঃ আখৰ প্ৰকাশ, জুলাই ২০১৭, পাণবজাৰ গুৱাহাটী-১)। ১৮৩৯ খ্ৰীষ্টাব্দত শ্ৰীৰামপুৰ প্ৰেছৰ পৰা Rev. W. Robinson এ অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ 'A Gram-

mar of the Assamese Language' আৰু ১৮৪৮ খ্ৰীষ্টাব্দত শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা ডক্টৰ নাথান ব্ৰাউনৰ 'Grammatical Notes on the Assamese' নামৰ দুখন গ্ৰন্থ প্ৰকাশৰ পিছতেই আধুনিক অসমীয়া ভাষাৰ বিকাশ আৰম্ভ হয় আৰু কোচ ৰাজবংশী ভাষা (পূৰ্বতে দেশী ভাষা)ৰ বিকাশৰ ধাৰা স্তব্ধ হয়। অৱশ্যে বিভিন্ন অঞ্চলভেদে কোচ ৰাজবংশী ভাষাটো কমতাপুৰী, ৰাজবংশী, কোচ ৰাজবংশী, দেশী নামেৰে বিভিন্ন আলোচনী, পত্ৰিকা, গ্ৰন্থ আদিত চৰ্চা হৈ থকাৰ লগতে বহুজনে অভিধান, শব্দকোষ, সাধুকথা, কবিতা পুথি ৰচনা কৰিছে। হডচনে কোচ ৰাজবংশী ভাষাটোক 'কোচ' ভাষা নামেৰে নামকৰণ কৰিছে। ১৮৪৬-ত হডচন চাহাবে ৰচনা কৰা ' Essay the first on the Koch, Bodo and Dhimal Tribes' নামৰ গ্ৰন্থত কোচ, বড়ো আৰু ধিমাল ভাষাৰ পৰিচয় দাঙি ধৰি এনেদৰে লিখিছে - "I must begin with the remark that I donot propose to say anything of the Koch grammar, which is wholly corrupt bengali. The reason which have induced me to give the koch vocabulary are started elsewhere (page -105)". (অৰ্থাৎ কোচ ব্যাকৰণ সম্বন্ধে একোকেই ক'ব নোখোজো। কাৰণ সেইখন সম্পূৰ্ণভাৱে ৰূপান্তৰিত বঙালী ভাষা। কোচ ভাষাৰ শব্দকোষ লিখাৰ কাৰণ সম্পৰ্কে আইন স্থানত লিখা হৈছে)।

উক্ত গ্ৰন্থত হডচনে আজিৰ কোচ ৰাজবংশী (পূৰ্বতে কোচ) সকলৰ ভাষাটোক কোচ ভাষা নামেৰে নামকৰণ কৰিছে আৰু ভাষাটোৰ বহু শব্দ সংগ্ৰহ কৰি সংৰক্ষণ কৰিছে।

কোচ ৰাজবংশী ভাষাটো বিভিন্ন নামত বংলাদেশৰ ৰংপুৰ, পশ্চিমবংগৰ সমগ্ৰ উত্তৰ বংগ অঞ্চল, নেপালৰ ঝাপা আৰু মৰাং জিলা, বিহাৰৰ পূৰ্ণিয়া জিলা আৰু অসমৰ অবিভক্ত জিলাত প্ৰচলিত হৈ আছে।

ইংৰাজ ভাষাবিদ ড° জৰ্জ আব্ৰাহাম গ্ৰিয়াৰ্চন চাহাবে কোচ ৰাজবংশী ভাষাটোক 'ৰাজবংশী ভাষা' হিচাপে নামকৰণ কৰিছে আৰু ভাষাটোৰ পৰিসৰ নিৰ্দ্ধাৰণ কৰিছে এনেদৰে - "It is spoken in the following district-Rangpur, the Tarai of Darjeeling district, the native state of

Cooch Behar, together with portion of Goalpara in Assam (L.S.I).

Sidney Endle-ৰ 'The Kocharies' নামৰ গ্ৰন্থৰ Introduction-ত পণ্ডিত J.D.Andersion এ কৈছে যে কোচসকলৰ ভাষাই হিমালয়ৰ পৰা বঙ্গোপ সাগৰলৈকে বিস্তাৰ লাভ কৰিছিল। তেওঁ লিপিবদ্ধ কৰিছে এনেদৰে- “The language of Koches, the doninating and ruling tribe of the great Koch kingdom .... the language spoken in the koch kingdom which extended from Himalayan to the bay of Bengal ....”.

কোচ ৰাজবংশী ভাষাটোৰ বিভিন্ন অঞ্চলভেদে বিভিন্ন আঞ্চলিক ৰূপ আছে আৰু এই আঞ্চলিক ৰূপ সমূহৰ মূলতে আমি পাওঁ - ১) ৰংপুৰ(বাংলাদেশ), ২) দাৰ্জিলিং(সমতল), ৩) জলপাইগুৰী, ৪) কোচ বিহাৰ আৰু ৫) নেপালৰ ঝাপা আৰু মৰাং জিলা ৬) বিহাৰৰ পূৰ্ণিয়া জিলা আৰু ৭) অবিভক্ত গোৱালপাৰা জিলা।

অবিভক্ত গোৱালপাৰা জিলাতে আমি আৰু চাৰিটা আঞ্চলিক ৰূপ পাওঁ - i) গৌৰীপুৰ অঞ্চল, ii) শালকোচা-চাপৰ-বহলপুৰ অঞ্চল, iii) বঙাইগাঁও অঞ্চল আৰু iv) কোকৰাঝাৰ অঞ্চল।

বৰ্তমান কালত পশ্চিমবংগৰ উত্তৰ বংগ, অভিভক্ত গোৱালপাৰা জিলা, নেপালৰ ঝাপা আৰু টেৰাই অঞ্চলত কোচ ৰাজবংশী ভাষাত অসংখ্য কবিতা পুথি, পত্ৰিকা, সাধুকথা, বিভিন্ন অলোচনীত প্ৰৱন্ধ আদি প্ৰকাশ পাইছে যদিও ইয়াত মাত্ৰ কেইখন গুৰুত্বপূৰ্ণ গ্ৰন্থৰ তালিকা প্ৰকাশ কৰিলোঁ।

অবিভক্ত গোৱালপাৰা জিলাত কিছুসংখ্যক গ্ৰন্থ প্ৰকাশ পায় সেইবোৰ হ'ল -

১) ‘যাত্ৰা’, উপেন্দ্ৰ নাথ সৰকাৰ আৰু নিখিল সিংহ (সম্পাদিত), ১ম সংখ্যা, ১৯৯৩, ধুবুৰী।

২) ‘যাত্ৰা’, নিখিল সিংহ (সম্পাদিত), ২য় সংখ্যা, ১৯৯৮, ধুবুৰী।

৩) ‘সাতশো বছৰীয়া কামতা কোচ ৰাজত্বৰ ইতিহাস’, ড° ৰমেন্দ্ৰ নাথ অধিকাৰী,১৯৯৬, গৌৰীপুৰ।

৪) গৌৰীমোহন ৰায়-

ক) ‘শুক্লধ্বজ ৰাই’, ১৯৯৬, গৌৰীপুৰ।

খ) ‘কমতা ৰাজ্যেৰ ইতিহাস’, ১৯৯৮, গৌৰীপুৰ।

গ) ‘বাশৰী’ (সম্পাদিত কবিতা সংকলন), ১ম, ২য় সংখ্যা, ১৯৯৬, গৌৰীপুৰ।

ঘ) ‘বিশ্ব মহাবীৰ চিলাৰায’ (সম্পাদিত), ১৯৯১ গৌৰীপুৰ।

৫) ড° দ্বিজেন্দ্ৰ নাথ ভকত ঃ

i) জাগৃতি (সম্পাদিত কবিতা আৰু প্ৰবন্ধ সংকলন), ৰাজবংশী ভাষা সাহিত্যেৰ আসৰ, ১৯৯৬, গৌৰীপুৰ।

ii) ‘ৰাজবংশী মহাভাৰত’, ১৯৯৮, ধুবুৰী।

৬) ৰঘুনাথ চৌধুৰী ঃ

ক) ‘কোচ ৰাজবংশী ভাষাৰ ব্যাকৰণ’ (ফুটকীবাৰী)।

৭) কোচ ৰাজবংশী সাহিত্য সভা (কোকৰাঝাৰ জিলা সমিতি)।

ক) ‘উদিশ’ (কবিতা সংকলন)।

৮) দিলীপ কুমাৰ ৰায় ঃ

ক) ‘চেতনা’ (ৰাজবংশী কবিতা সংকলন) ১৯৯৮, শক্তি আশ্ৰম।

৯) অৰুণ কুমাৰ ৰায় ঃ

ক) ‘কোচ ৰাজবংশী জনগোষ্ঠীৰ প্ৰাচীন কলা কৃষ্টিৰ তাৎপৰ্য’, ১ম খণ্ড, বঙাইগাঁও।

খ) ‘কোচ ৰাজবংশী ভাষাৰ শব্দকোষ’, ২০১৪, বঙাইগাঁও।

১০) কুমাৰ ৰাজেন্দ্ৰ নাৰায়ণ দেৱ ঃ

i) ‘Select vocables of the koch Rajbangshi Language with (Sources & Etymology)’, 2006, Bongaigaon.

১২) উৎপল সিংহ ঃ

ক) 'জুইশালী', (কোচ ৰাজবংশী কবিতা পুথি), প্ৰকাশ ঃ ২৭ মে',২০১৮, চিৰাং।

খ) 'ঠেকন', (কোচ ৰাজবংশী কবিতা পুথি), প্ৰকাশ ঃ অক্টোবৰ,২০১৯, চিৰাং।

১৩) কোচ ৰাজবংশী জাগুৱানী কবি সমাজ ঃ

ক) 'সোণকোষ-ৰায়ডাকেৰ ইতিহাস' (কবিতা পুথি), প্ৰকাশ ঃ ২৫ অক্টোবৰ,২০১৮, চিৰাং।

খ) 'মানাস চাম্পাৰ কাছাৰত কবিতাৰ ৰস' (কবিতা পুথি) প্ৰকাশ ঃ ০১ জুন,২০২২, চিৰাং।

১৪) অমৃত পাটগিৰি ঃ

ক) 'কাশীয়া ফুলেৰ ঢাউ', গল্প কিতাপ, প্ৰকাশ ঃ ২০২২, চিৰাং।

কোচ ৰাজবংশী ভাষাৰ নামকৰণ ঃ

প্ৰাগ্‌জোতিষ - কামৰূপৰ প্ৰাচীন বাসিন্দা হিচাপে কোচ ৰাজবংশীসকলৰ ভাষাটোৱে আটাইতকৈ প্ৰাচীন। যি ভাষাৰ নিদৰ্শন চৰ্য্যাপদ, তামৰ ফলি আদিত পোৱা যায়। যি ভাষাক বিভিন্ন জনে দেশী, ৰাজবংশী, কোচ ৰাজবংশী, কোচ, কমতাপুৰী, গোৱালপৰীয়া ভাষা নামেৰে নামকৰণ কৰি থৈ গৈছে। আনকি এই ভাষাটোক বহুতে নব্য ভাৰতীয় আৰ্য ভাষা বুলি ক'ব বিচাৰে; যিটো প্ৰকৃততে সত্য নহয়। কাৰণ এই ভাষাটোত কোচ ৰাজবংশীৰ এনে বহুতো শব্দ সোমাই আছে যাৰ Sources and Etimology পোৱা নাযায়।

যিহেতু কোচ ৰাজবংশীসকল আদিম মঙ্গোলীয় (অনাৰ্য) সেয়ে এই শব্দবোৰক আমি অনাৰ্য শব্দ বুলিয়েই ক'ব পাৰো। দৃষ্টান্ত হিচাপে আমি মাত্ৰ কেইটামান শব্দ অসমীয়া অৰ্থৰে সৈতে দাঙি ধৰিলো -

১/ আলুৰি	- অদৰকাৰী হৈ সিচঁৰতি অৱস্থাত পৰি ৰোৱা বা থকা।
২/ আহুজ	- অশুচি।
৩/ আওতা	- ভিতৰত, কৰ্তৃত্বৰ ভিতৰত।
৪/ আদ্ - বতৰীয়া	- অসময়ত।
৫/ আদায়	- শেষ পোৱা।
৬/ আখো-নিখু	- বৰ ঘন।
৭/ আভং	- হাতেৰে নুচুৱা, নভঙাকৈ ৰখা।
৮/ আখেশ	- প্ৰতিশোধ।
৯/ আহিলি-বিহিলি	- অতি আমনিদায়ক।
১০/ আমঠা-আমঠা	- এঠাযুক্ত।
১১/ আঙ্কা-জাঙ্কা	- কিংকৰ্তব্যবিমূঢ় হোৱা।
১২/ আধিৰি	- অপব্যয়।
১৩/ অচমকা	- হঠাৎ।
১৪/ আৰছা-আৰছা	- অস্পষ্ট, ধূসৰ।
১৫/ আমা-গোমা	- মেঘাচ্ছন্ন।
১৬/ আমূলা	- তামোল প্ৰিয়।
১৭/ আওঁ-পাকীয়া	- ওলোটাকৈ দিয়া বুজনি।
১৮/ একাশি	- অবিমিশ্ৰ।
১৯/ গাভাইত	- নিৰ্ভিক লোক।
২০/ গাঠিয়া	- চুটি-চাপৰ।

পশ্চিম অসমৰ পণ্ডিত অম্বিকাচৰণ চৌধুৰীয়ে তেওঁৰ 'কোচ ৰাজবংশী জনগোষ্ঠী ইতিহাস আৰু সংস্কৃতি' নামৰ গ্ৰন্থত লিপিবদ্ধ কৰিছে এনেদৰে-

"আৰ্য ঠেঙুলীৰ দেশী ভাষাক মিলাই (আৰ্য-অনাৰ্য মিশ্ৰিত ভাষা) এটা নতুন কাৰ্যকৰী ভাষাৰ জন্ম দিয়াৰ কাৰণে এই সঙ্কৰ ভাষাটোক বহুতো গোড়া আৰ্যভাষী সংস্কৃত পণ্ডিতে 'কুবাচ' অৰ্থাৎ বেয়া ভাষা (কু-বেয়া, বাচ্য বা ভাষ্য) আখ্যা দিয়ে" (পৃষ্ঠা - ২৩, ৩য় প্ৰকাশঃ ১৬ আগষ্ট, ২০২১ ইং, প্ৰকাশকঃ শ্ৰী প্ৰদ্যুৎ প্ৰকাশ চৌধুৰী, বঙাইগাঁও)।

"......... ক্ষত্ৰিয় বুলিয়া প্ৰতিয়মান হইলেও বাস্তৱে ৰাজবংশীগণ আৰ্যজাতি সম্ভূত নহেন। ....

.... কিন্তু 'ৰাজবংশী জাতি' বিশেষ অবয়ববিশিষ্ট একটি বিশিষ্ট অন-আৰ্য (Non Aryan) মঙ্গোলীয় জাতিসম্ভূত একটি নৰগোষ্ঠী। ৰাজবংশী জনগোষ্ঠীৰ নিজস্ব বা মৌলিক ভাষা আৰ্য ভাষা নহে" ('ৰাজবংশী ভাষাৰ ইতিহাস'- দেবেন্দ্ৰনাথ বৰ্মা, পৃষ্ঠা - ৬৬, প্ৰকাশঃ জয়জিৎ মুখাৰ্জী, সোপান, ২০৬ বিধান সৰণি, কলকাটা, ২০১২)।

"অবিমিশ্ৰ মানৱ সমাজ যিদৰে পৃথিৱীৰ ক'তো নাই; অবিমিশ্ৰ ভাষা সম্প্ৰদায়ো নাই, মাত্ৰ তুলনামূলকভাৱে কম বেছি পৰিমান হ'ব পাৰে" (নগেন ঠাকুৰ, 'পৃথিৱীৰ বিভিন্ন ভাষা', পৃষ্ঠা- , প্ৰকাশকঃ জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী, সপ্তম প্ৰকাশ আগষ্ট ২০১৪)।

ঠিক তেনেকৈ কোচ ৰাজবংশী ভাষাটোও আৰ্য-অনাৰ্য ভাষাৰ সংমিশ্ৰনত গঢ়ি উঠা এটা মিশ্ৰিত অনাৰ্য ভাষা।

কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষাটোক 'দেশী ভাষা' হিচাপে নামকৰণঃ

কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষাৰ নাম পূৰ্বতে দেশী ভাষা আছিল। ভাষা বিজ্ঞানী উপেন্দ্ৰ নাথ গোস্বামী, অনিমা গুহ আদিৰ দৰে পণ্ডিতসকলে অতীতৰে পৰা চলি অহা অবিভক্ত গোৱালপাৰা অঞ্চলৰ ভাষাটোক দেশী ভাষা নামেৰে নামকৰণ কৰিছে। এনে একাংশ পণ্ডিতে যুক্তি আগবঢ়াইছে যে যিহেতু এই অঞ্চলত অৰ্থাৎ অভিভক্ত গোৱালপাৰা জিলাত কোচ ৰাজবংশীৰ বাহিৰেও অন্যান্য জনগোষ্ঠীৰ মানুহেও বসবাস কৰে; যিহেতু এই ভাষাটোৱে পশ্চিম অঞ্চলৰ ৰূপৰ প্ৰতিনিধিত্ব কৰিছে সেয়ে এই ভাষাৰ স্থানীয় ৰূপটো অকল

ৰাজবংশী সম্প্ৰদায়ৰ মাজতে সীমাবদ্ধ নহয়; ই সকলো সম্প্ৰদায়ৰ লোকৰ কথিত ভাষা। গতিকে এই ভাষাৰ নাম 'দেশী ভাষা' হোৱাটোৱেই যুক্তিসংগত বুলি ব্যাখ্যা আগবঢ়াইছে ।

কিন্তু তাৰ বিপৰীতে নিজৰ স্বতন্ত্ৰ ভাষা-সংস্কৃতিৰে কোচ ৰাজবংশী সমাজখন আজিও অৱহেলিত আৰু অনাদৃত অৱস্থাত জীয়াই আছে। এই দেশী ভাষাৰ ভিত্তিত গঢ়ি উঠা কৃষ্টি-সংস্কৃতিসমূহ আজিৰ তাৰিখত কোচ ৰাজবংশীসকলেই জীয়াই ৰাখিছে। এই অঞ্চলৰ ব্ৰাহ্মণ, কলিতা, কায়স্থ, মুছলমান, বঙালী, বড়ো, ৰাভা, গাৰো, সূত্ৰধৰ আদি সম্প্ৰদায়সমূহৰ সমাজ ব্যৱস্থাত কুশান নৃত্য, গোৱালিনী নৃত্য, হুদুম নৃত্য, পদ্দ্যা পূজা কাতিকা নৃত্য আদিৰ প্ৰতি সৌজন্যমূলক মনোভাৱ থাকিলেও এইবোৰৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত কোনো গুৰুত্ব নাই।

আজিৰ তাৰিখত অবিভক্ত গোৱালপাৰা অঞ্চলত 'কুশান লোক নৃত্য' দেশী মুছলমান আৰু নাথ-যোগীসকলে নিজৰ বুলি দাবী কৰে। কিন্তু নাথযোগীসকলৰ উত্তৰ-পূৰ্বাঞ্চললৈ আগমনৰ ইতিহাস চালে দেখা যায় - "১১ শতিকাৰ পৰা ১৩ শতিকাৰ ভিতৰত নাথ-যোগী জনগোষ্ঠীৰ লোকসকল সমগ্ৰ উত্তৰ আৰু উত্তৰ-পূৰ ভাৰতত বিয়পি পৰে। ১২/১৩ শতিকা মানত তেওঁলোকৰ একাংশই মঠ-মন্দিৰৰ পুজাৰী আৰু কিছুৱে পুৰোহিতৰ কাম কৰিছিল। প্ৰথম অৱস্থাত গৰিষ্ঠ সংখ্যক নাথ-যোগী যোগীঘোপাত আছিল। যোগী + ঘোপা = যোগীঘোপা। এই যোগীঘোপাৰ পৰা কিছুলোকে নগাঁও জিলাৰ যোগীজানত বসতি স্থাপন কৰে" ('মনপুৰ মৌচন্দা', অসম সাহিত্য সভাৰ ত্ৰিসপ্ততিম্ কলিয়াবৰ অধিবেশনৰ স্মৃতিগ্ৰন্থ, 'কলিয়াবৰৰ জনগোষ্ঠীয় সমাজ সংস্কৃতি', গৌতম বৰা, পৃষ্ঠা- ১০৭)।

নাথ-যোগী লোকসকলৰ বিষয়ে হেমকোষ অভিধানত লিখা আছে এনেদৰে- "এই সম্প্ৰদায়ৰ লোক সকলে শিৱক ইষ্ট দেৱতা হিচাপে মানি যোগ সাধনা কৰে বাবে এইসকল যোগী বা যোগী সম্প্ৰদায়। যোগ সাধনা মানেই হ'ল একচিত্তে ইশ্বৰ চিন্তা, একান্ত আৰু নিষ্কাম সাধনা"।

ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' নামৰ গ্ৰন্থত পাওঁ - "মাধৱ কন্দলীয়ে ৰামক অনুসৰণ কৰা অয্যোধ্যাৰ প্ৰজাবৰ্গৰ বিৰৰণ দিওঁতে মুখত 'শিৱ শিৱ' উচ্চাৰণ কৰি হাতত দোৱাদশ কাঠি আৰু কান্ধত কানিঝুলি লৈ ঘুৰি ফুৰা যোগীৰ উল্লেখ কৰিছে। মাধৱ কন্দলীয়ে প্ৰকান্তৰে ইয়াত নাথ বা যোগী সম্প্ৰদায়কে কটাক্ষপাত কৰিছে" (পৃষ্ঠা-৭৯, প্ৰকাশকঃ সৌমাৰ প্ৰকাশ, গুৱাহাটী, দশম সংস্কৰণ, ২০২২)।

দেশী ভাষাক নাথযোগী সকলে নিজৰ বুলি দাবী কৰিব নোৱাৰাৰ কাৰণ হ'ল নাথ-যোগী সকলে ১১ শতিকাৰ পৰা ১৩ শতিকাৰ ভিতৰত উত্তৰ পূৰ্বাঞ্চললৈ বিয়পি পৰাৰ বহু আগতেই দেশী ভাষাৰ বিকাশ আৰম্ভ হৈছিল। অৰ্থাৎ এই ভাষাৰ উদ্ভৱ আৰু বিকাশ খ্ৰীষ্টপূৰ্ব কালতে আৰম্ভ হৈছিল। যাৰ ব্যাখ্যা ওপৰত কৰি অহা হৈছে।

সেয়ে চীনা ভ্ৰমণকাৰী হিউৱেন চাঙে সপ্তম শতিকাত কামৰূপ ভ্ৰমণত আহি লিখি থৈ গৈছে, 'এই দেশৰ আৰু মধ্য দেশৰ ভাষাৰ মাজত পাৰ্থক্য অতি সামান্য' ('কোচ বিহাৰেৰ ইতিহাস'; খাঁ চৌধুৰী আমানত উল্লা আহমদ, পৃষ্ঠা-৪০, প্ৰকাশক মডাৰ্ণ বুক এজেন্সী প্ৰাইভেট লিমিটেড, কলকাতা, পুনৰ মুদ্ৰণঃ ২০২১ ইং)। পৰিব্ৰাজক জনে মধ্যদেশ বুলি ভাৰতৰ 'মগধ' অঞ্চলকেই বুজাইছে।

মূলতঃ নাথ-যোগীসকল যোগ সাধনাত জড়িত আছিল। উত্তৰ পূৰ্বাঞ্চলত তেওঁলোকৰ আগমনৰ কাৰণ হ'ল এই অঞ্চল হাবি-বননিৰে ভৰা আছিল। গভীৰ হাবি-বননিত ফল-মূলৰো অভাৱ নাছিল। গভীৰ হাবি-বননিত সুন্দৰ পৰিৱেশত তেওঁলোকে যোগ সাধনা কৰিছিল। যোগ সাধনা হ'ল এটা কঠিন অধ্যবসায়। যিসকলে যোগ সাধনাত ব্যৰ্থ হয় তেওঁলোক স্থানীয় মহিলা বিয়া কৰায়। কাৰণ এই অঞ্চললৈ আহোতে তেওঁলোকে লগত মহিলা লৈ অহা নাছিল।

কিন্তু নাথযোগী মহিলাসকলৰ পাটানিৰ ব্যৱহাৰেই প্ৰমাণ কৰে যে তেওঁলোকে বিয়া কৰোৱা মহিলাসকল কোচ ৰাজবংশীয়েই আছিল। কাৰণ পণ্ডিতসকলে কোচ ৰাজবংশীক এই অঞ্চলত আদিম অধিবাসী বুলি কৈছে। আনহাতে সংসাৰ, লোক-কৃষ্টি বা লোক- নাট্য বা নাচ-গান চৰ্চা আৰু যোগ

সাধন পৰস্পৰ বিৰোধী কাৰ্য। গতিকে 'কুশান লোক-নাট্য' নাথযোগী সমাজত উৎপত্তি হোৱাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। সেয়ে তেওঁলোকে কুশান লোক নাট্যক নিজৰ বুলি দাবী কৰিব নোৱাৰে।

দেশী মুছলমানসকলেও 'কুশান লোক নাট্য'ক নিজৰ বুলি দাবী কৰিব নোৱাৰাৰ কাৰণ কুশান গানসমূহ ৰামায়ণ কেন্দ্ৰীক। কুশান গানসমূহত আছে সীতাৰ পাতাল যাত্ৰাৰ সময়ছোৱাত মাতৃহাৰা লৱ-কুশই গীত গোৱাৰ কৰুণ স্মৃতি। গতিকে মুছলমান সমাজত ৰামায়ণক কেন্দ্ৰ কৰি নাচ-গান চৰ্চা কৰাৰ কথা ভাবিবই নোৱাৰে। যদি দেশী মুছলমানসকলে ধৰ্মান্তিৰিত মুছলমান বুলি ক'ব বিচাৰে তেন্তে তেওঁলোক কোচৰ পৰা নে মেচৰ পৰা ধৰ্মান্তিৰিত হৈছে সেইটো প্ৰথমে থিৰাং কৰিব লাগিব। কোচৰ পৰা হ'লে দাবী কৰিব পাৰিব; কিন্তু পৰিচয় 'মুছলমান কোচ' বুলি দিব লাগিব। ঠিক যেনেকৈ একাংশ ধৰ্মান্তিৰিত বড়োই খ্ৰীষ্টান বড়ো বুলি পৰিচয় দিয়ে।

কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষাক পূৰ্বতে দেশী ভাষা বুলি কৈছিল। দেশী ভাষা কোৱাৰ একমাত্ৰ নিৰ্ভৰযোগ্য তথ্য পোৱা যায় মাধৱ কন্দলীয়ে ৰচনা কৰা বাল্মীকিৰ সপ্তকাণ্ড ৰামায়ণখনত। ৰামায়ণখনৰ শেষৰফালে কন্দলীয়ে দেশী ভাষাত লিখাৰ কথা উল্লেখ কৰি থৈ গৈছে। সপ্তকাণ্ড ৰামায়ণখন বৰাহী ৰজা মহামাণিক্যই ৰচনা কৰাৰ বাবে নিৰ্দেশ দিছিল মাধৱ কন্দলীক খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ প্ৰাৰম্ভিক কালত। বৰাহী ৰজা মহামানিক্যৰ ৰাজ্য আছিল বৰ্তমানৰ চৰাইদেউ মহকুমাৰ সোনাপুৰত। সোনাপুৰক এতিয়া কয় সোনাৰী।

ইয়াৰ পৰা স্পষ্ট হয় যে প্ৰাচীন প্ৰাগ্জ্যোতিষ বা কামৰূপৰ প্ৰাচীন ভাষাটোৰ নাম দেশী ভাষা আছিল। ৰাজবংশী নামকৰণ ইংৰাজ আমোলৰ। কোচৰ আন এটা পৰিচিতি ৰাজবংশী; দেশী মানুহ বুলি ক'লে কোচকে বুজায়। যিখন দেশত কোচসকলে বাস কৰি আছে সেইখন তেওঁলোকৰ দেশ। সেই অৰ্থত অনাকোচ মানুহে 'দেশী মানুহ' বুলি কৈছিল। আনকি ভাষাটোৰ নামো দেশী ভাষা কৈছিল। কোচসকলে দেশী নাম পোৱাৰ ব্যাখ্যা আগবঢ়াইছে বিশিষ্ট লেখক বিপিন বৰ্মনে। তেওঁ লিখিছে- ''যিসকল কোচ ৰাজবংশী লোক পাহাৰ-

পৰ্বতৰ পৰা নামি আহিছে তেওঁলোকেই 'মদেশী' হিচাপে পৰিগণিত হয়। 'মদেশী' শব্দৰ সংক্ষিপ্তকৰণ 'দেশী'। অৰ্থাৎ পাহাৰ-পৰ্বতত থকাসকল তাতে থাকি গ'ল আৰু পাহাৰ-পৰ্বতৰ নামনিত অহাসকলে 'মদেশী' হিচাপে পৰিচিত হৈ ৰ'ল। মদেশী নামটো নেপালীসকলে দিয়া। মদেশীৰ অসমীয়া অৰ্থ হ'ল ভৈয়ামবাসী" ("ব্ৰহ্মপুত্ৰ উপত্যকাৰ পুৰাণী কালেৰ ভাষা" - বিপিন বৰ্মন, পৃষ্ঠা - ১০, মকচ, কোকৰাঝাৰ জিলা কোচ ৰাজবংশী সাহিত্য সভাৰ দ্বি-বাষিক অধিবেশনৰ স্মৃতিগ্ৰন্থ, ২১ মে, ২০০৮ ইং) ।

অৰ্থাৎ যেতিয়াই নেপালীসকলে পাহাৰৰ পৰা এই অঞ্চললৈ নামি আহিছিল তেতিয়াই তেওঁলোকে প্ৰথমেই কোচ ৰাজবংশীসকলক লগ পায় আৰু তেওঁলোকক ভৈয়ামবাসী (মদেশী) বুলি ক'বলৈ ধৰে। নেপালী ভাষাত 'ম' মানে সমতল ভূমি বা ভৈয়াম আৰু 'দেশী' মানে হ'ল এই দেশৰ লোক। পৰৱৰ্তী সময়ত 'ম'টো উঠি গৈ অকল দেশী নামটো থাকি গ'ল আৰু ভাষাটোৰ নামটোও দেশী হিচাপে পৰিচিত হৈ ৰ'ল। আজিও নেপালত কোচ ৰাজবংশীসকলক নেপালী সকলে মধেশী বুলি কয়। ঠিক যেনেকৈ অসমত বড়োসকলে কোচ ৰাজবংশীসকলক 'হাৰ্চা' বুলি কয়।

ঐতিহাসিক সমলেৰে সমৃদ্ধ বিখ্যাত কোচ ৰাজ্যৰ প্ৰাচীন ৰাজধানী চিকনাঝাৰ বেল্টৰ অন্তৰ্ভূক্ত কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকৰ মদেশী বুলি পৰিচিত হোৱাৰ তথ্য হৈছে কোচ ৰজাৰ ৰাজত্বকালত ৰজাই দিয়া মাটিৰ পট্টাত লিপিবদ্ধ হৈ থকা মাটিৰ মালিকৰ নামেৰে সৈতে 'মদাসী' উপাধিটোৰে। আজিৰ তাৰিখতো কোচ ৰাজবংশীৰ বহুতো লোকৰ মাটিৰ পট্টাত 'মদাসী' উপাধিটো লিখা আছে। ওপৰৰ তথ্যৰ পৰা স্পষ্ট হয় যে দেশী মানুহ বুলি ক'লে কোচ ৰাজবংশীসকলকে বুজায়।

কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষাটোক 'ৰাজবংশী' নামেৰে নামকৰণ ঃ

সাম্ৰাজ্যবাদী ইংৰাজ ৰাজত্বকালত নৱাগত আৰ্য ছাৰ জৰ্জ আব্ৰাহাম গ্ৰীয়াৰ্চন চাহাবে কোচ ৰাজবংশীসকলৰ ভাষাটোৰ নামকৰণ কৰিছে 'ৰাজবংশী'

ভাষা বুলি। গ্ৰীয়াৰ্চন চাহাবে সুন্দৰভাৱে লিখি থৈ গৈছে এনেদৰে - "When we cross the river (Brahmaputra) coming from Dacca, we meet a well mark form of speech in Rangpur and the districts to its North and East. It is called "Rajbongshi" and while undoubted by belonging to the eastern branch has still points of difference which lead us to class a separate dialect" (Page -155, Vol-I, Linguistic Survey of India). This dialect of western and south western Goalpara in Assam is pure "Rajbongshi" (Page – 166, Vol-V, Part-I. Linguistic Survey of India). অসমীয়া পণ্ডিত ভাষাবিদ বাণীকান্ত কাকতি দেৱেও তেওঁৰ "Assamese its Formation and Development" নামৰ গ্ৰন্থত উল্লেখ কৰিছে এনেদৰে - "The spoken dialect of the Goalpara district seem to have been greatly contaminated with admixture of the "Rajbongshi" dialect.

বিশিষ্ট পণ্ডিত ড° দ্বিজেন্দ্ৰ নাথ ভকত দেৱে লিখিছে "কোচসকল হাজাৰ বছৰ ধৰি প্ৰাচীন কামৰূপৰ পশ্চিম অঞ্চলত বসবাস কৰি বহু সময় এই অঞ্চলটোত তেওঁলোকে শাসন কৰিছিল। পৰৱৰ্তী সময়ত এই লোকসকলেই ৰাজবংশী নামে জনাজাত হয়। এই অঞ্চলত বসবাস কৰা অন্যান্য কিছুমান সৰু সৰু জনগোষ্ঠী ৰাজবংশীসকলৰ লগত চামিল হৈ পৰে। অঞ্চলটোৰ সামাজিক, ৰাজনৈতিক আৰু ভাষিক ইতিহাস ৰাজবংশীসকলক বাদ দি ৰচনা কৰিব নোৱাৰি। বেছিভাগ মৌলিক চিন্তাৰ ক্ষেত্ৰত ৰাজবংশীসকলৰ উপাদান সৰহ। সেইফালৰ পৰা বিবেচনা কৰিলে এই অঞ্চলৰ সংস্কৃতি আৰু ভাষা ৰাজবংশীসকলৰ নামেৰে নামকৰণ কৰা বিধেয় ('ৰাজবংশী ভাষা সাহিত্যৰ পৰিচয়', ড° দ্বিজেন্দ্ৰ নাথ ভকত, পৃষ্ঠা-৫, প্ৰকাশকঃ চেন্টাৰ ফৰ এথনিক ষ্টাডিচ্ এণ্ড ৰিচাৰ্চ, প্ৰথম প্ৰকাশঃ ২০০০)।

ভকতে ইয়াত স্পষ্টভাৱে কৈছে যে যিহেতু এই অঞ্চলটোৰ সামাজিক, ৰাজনৈতিক আৰু ভাষিক ইতিহাস ৰাজবংশীসকলক বাদ দি ৰচনা কৰিব নোৱাৰি আৰু বেছিভাগ মৌলিক চিন্তাৰ ক্ষেত্ৰত ৰাজবংশীসকলৰ উপাদান সৰহ সেয়ে এই অঞ্চলৰ সংস্কৃতি আৰু ভাষা ৰাজবংশীসকলৰ নামেৰে নামকৰণ কৰিব লাগে। এই যুক্তিৰ ফালৰ পৰা চালে দেখা যায় সংস্কৃতি আৰু ভাষাৰ নাম 'কোচ ৰাজবংশী'

নামেৰেহে নামকৰণ কৰা উচিত। কাৰণ 'ৰাজবংশী' নামৰ কোনো নৃ-গোষ্ঠী ভাৰতবৰ্ষত নাই।

কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষাটোক 'কোচ ভাষা' নামেৰে নামকৰণ ঃ

Rev. Sidney Endle ৰ "The Kacharis" নামৰ গ্ৰন্থৰ Introduction-ত J.D. Anderson য়ে কোচসকলৰ ভাষাক 'কোচ ভাষা' বুলি লিপিবদ্ধ কৰি থৈ গৈছে এনেদৰে-

"........... the language of the koches , the dominent and ruling tribe in the great Koch kingdom, which survived, with something of its ancient prestige and power, long enough to be visited by an Englishman, Ralph Fitch, in queen Elizabeth's time . It would seem then that the language spoken in the ancient Koch Kingdom, Which extended from the Himalayas to the Bay of Bengal, was the Koch and careful measurements in the Brahmaputra and Surma Valleys ought to show how far the old Koch element still persists, how far it has been obliterated by inter-marriage with Indian immigrantes"(Page- Xvii, Indian Reprint- 2010, Published by Akansha Publishing House, New Delhi).

Anderson য়ে স্পষ্টভাৱে কোচ ৰাজ্যৰ কোচসকলৰ ভাষাটোক ' কোচ ভাষা' নামেৰে নামকৰণ কৰি থৈ গৈছে ।

'কোচ বিহাৰৰ প্ৰাচীন ভাষা' নামৰ খাঁ চৌধুৰী আমানত উল্লা আহমদৰ সু-বিখ্যাত প্ৰবন্ধত লিপিবদ্ধ আছে এনেদৰে - "১৮৪৬ খ্ৰীষ্টাব্দত বি. এইচ. হডচন চাহাবে ৰচনা কৰা "Essay- the first on the Koch, Bodo and Dhimal Tribes" নামৰ পুথিত কোচ, বড়ো আৰু ধিমাল ভাষাৰ পৰিচয় দাঙি ধৰিছে। গ্ৰন্থকাৰে লিখিছে- "I must begin with the remark that I don't propose to say anything of the Koch Grammar, which is wholly corrupt Bengali, The reason which have induced me to give the Koch Vacabulary are started elsewhere".(Page- 105). অৰ্থাৎ কোচ

ব্যাকৰণ সম্বন্ধে একোকেই ক'ব নোখোজো। কাৰণ সেইখন সম্পূৰ্ণভাৱে ৰূপান্তৰিত বঙালী ভাষা। কোচ ভাষাৰ শব্দকোষ লিখাৰ কাৰণ সম্পৰ্কে অইন স্থানত লিখা হৈছে। উল্লেখিত শব্দকোষৰ মাজৰ কাগজ, তমশুক, নালিস, জওয়াৰ, তজবীজ প্ৰভৃতি আৰবী আৰু পাৰ্চী তথা জ্যোতিষ পণ্ডিত, মন্ত্ৰী, ধৰ্মধিকাৰী, গোঁসাই, প্ৰভৃতি সংস্কৃত শব্দ অন্তৰ্নিবিষ্ট হৈ ৰৈছে। কোচ, বড়ো, ধিমাল ভাষাৰ সাদৃশ্য প্ৰদৰ্শন কৰিব পৰা এনেধৰণৰ শব্দৰ সংখ্যা অতি সামান্য। অনুসন্ধান কৰিলে সেইবোৰৰো ভিত্তি স্থিৰ হৈ নাথাকে। হডচন চাহাবে ওপৰোক্ত মন্তব্যৰ পিছতে লিখিছে-

"I have failed to get the original and true speech of this race, whose ancient tongue in fast merging in Bengali" অৰ্থাৎ এই জাতিৰ মূল আৰু প্ৰকৃত ভাষা সংগ্ৰহ কৰাত অকৃতকাৰ্য হৈছো। এওঁলোকৰ প্ৰাচীন ভাষা দ্ৰুত গতিৰে বাঙালী ভাষাৰ অন্তৰ্গত হৈ পৰিছে" ('কোচ বিহাৰ কিদৰে হ'ল বঙ্গৰ অঙ্গ'- অঞ্জন শৰ্মা, পৃষ্ঠা - ১৩৮-১৩৯, প্ৰকাশকঃ পাৰাৰ শিফ্‌ট, চেপ্তেম্বৰ, ২০১৭) ।

হডচনে কোচ ভাষাৰ ব্যাকৰণ প্ৰণয়ন কৰাৰ কাৰণে কোচ ভাষাৰ তথ্য পাতি সংগ্ৰহ আৰু অধ্যয়নত নামি শব্দ বিলাকহে তলত দেখোৱা কোচ শব্দ ৰূপে থাকে।

<u>ইংৰাজী</u>	<u>কোচ</u>
Star	তৰা
God	ভগৱান
Life	জিউ
Peddy	ধান
Rice	চাউল
Man	বেটা ছাওৱা
Father	বাপ
Mother	মা

(‘কোচ জনগোষ্ঠীৰ অতীত সন্ধানত এটি খোজ’ - শিৰন্দ্ৰে নাৰায়ণ কোচ, পৃষ্ঠা- ৭৫, প্ৰকাশক ঃ মেঘালয় কোচ সন্মিলন, তুৰা, প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০২২)

ওপৰৰ শব্দবোৰ নিসন্দেহে কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষাৰ শব্দ। যদিও হডচনে- কোচ ভাষাটো দ্ৰুত গতিত বাংলা ভাষাত মিলি গৈছে বুলি কৈছে সেইটো সত্য নহয়। কাৰণ, জীউ, বেটা ছাওৱা, বাপ, মা, চাউল আদি শব্দ সম্পূৰ্ণৰূপে কোচ ৰাজবংশী শব্দ। আনকি এই শব্দ বিলাকক লিখক শিৰেন্দ্ৰ নাৰায়ণ কোচে বাংলা ভাষাৰ শব্দ বুলি কৈ গৈছে। যিটো সত্য নহয়। কাৰণ কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষাত ‘জীউ’ টোক বাংলাত কয় ‘প্ৰাণ’। বেটা ছাওৱাক কয় ‘ছেলে’ ইত্যাদি।

ইয়াৰ উপৰিও আমি পাওঁ- “১৫ শ বঙ্গীয় সাহিত্য পৰিষৎ পত্ৰিকাত এগৰাকী লেখকে প্ৰবন্ধ লিখি কোচ ভাষাৰ শব্দ নিৰ্ণয়ৰ চেষ্টা কৰিছিল। তেখেতৰ মতে, এই অঞ্চলৰ- ঝিৎ, চাকুলা, ডেকু, তাৰাং, চাটাং, আনু, ছ্যাকা আদি শব্দ কোচ ভাষাৰ। বঙ্গৰ অন্যান্য অঞ্চলত অনুসন্ধান কৰিলে এনে শব্দবোৰ ৰূপান্তৰিত অৱস্থাৰেও প্ৰাপ্ত হ’ব পাৰে। যেনে- ঝিৎ-নিঝুম, ডেকু-দাঁড়া, তাৰাং ঝাটাং-তেড়া বেড়া, চাকুলা-নুলা, আনুবাবনু-বোনাই, ছ্যাকা-ছ্যাঁকা” (‘কোচ বিহাৰ কিদৰে হ’ল বঙ্গ অঙ্গ’ - অঞ্জন শৰ্মা, পৃষ্ঠা- ১৪৫ , প্ৰকাশকঃ পাৰাৰ শিফ্‌ট, চেপ্তেম্বৰ, ২০১৯)।

হডচন আৰু ১৫শ ভাগ বঙ্গীয় সাহিত্য পৰিষৎ পত্ৰিকাত লেখা লিখক গৰাকীৰ শব্দ সম্ভাৰে স্পষ্ট কৰি দিয়ে যে তেওঁলোকে বৰ্তমান দেশী বা ৰাজবংশী বা কোচ ৰাজবংশী ভাষাকেই ‘কোচ ভাষা’ নামেৰে নামকৰণ কৰি থৈ গৈছে।

আজিৰ তাৰিখত কোচ ৰাজবংশীসকলে অসমত শিক্ষাৰ মাধ্যম হিচাপে অসমীয়া আৰু উত্তৰ বংগত বাংলা ভাষা গ্ৰহণ কৰিলেও নিজৰ ঘৰখনত বা সামাজিক জীৱনত ‘কোচ ৰাজবংশী’ ভাষাকেই ব্যৱহাৰ কৰি আহিছে। তেওঁলোকে নিজৰ সুকীয়া বৈশিষ্ট্যপূৰ্ণ ভাষা-সংস্কৃতিৰ স্বতন্ত্ৰতা আজিৰ তাৰিখলৈকে অক্ষুন্ন ৰাখিবলৈ সক্ষম হোৱাই নহয়, কেবা শতিকাজুৰি নিজৰ প্ৰাধান্য বিস্তাৰ কৰিবলৈ

সক্ষম হৈছিল ব্ৰহ্মপুত্ৰ উপত্যকাৰ উপৰিও মধ্য অসমৰ লগতে উত্তৰবংগ হৈ গঙ্গা উপত্যকালৈ। সেয়ে চীনা ভ্ৰমণকাৰী হিউয়েন চাং সপ্তম শতাব্দীত কামৰূপ আগমনৰ বিৱৰণত লিখি থৈ গৈছে - 'এই দেশৰ আৰু মধ্য দেশৰ ভাষাৰ মাজত পাৰ্থক্য অতি সামান্য' । একেই অভিমত আগবঢ়াইছে ৰায় বাহাদূৰ কনকলাল বৰুৱাই। তেওঁৰ মতে মিথিলা কামৰূপৰ অধীন আছিল আৰু কামৰূপৰ ভাষা মিথিলাৰ ভাষা-জাতি-ধৰ্ম-বৰ্ণৰ লগত একে আছিল ('Social History of Kamrupa'- Kanaklal Baruah).

সেই সময়ৰ কামৰূপ দেশৰ আৰু মধ্য দেশৰ ভাষাৰ মাজত পাৰ্থক্য অতি সামান্য বুলি হিউৱেন চাঙে লিখি থৈ যোৱা ভাষাটো কোচ ৰাজবংশী ভাষাই হ'ব।

কোচ ৰাজবংশী ভাষাটোক 'গোৱালপৰীয়া' নামেৰে নামকৰণ ঃ

কোচ ৰাজবংশীসকলৰ এই গৃহ ভূমিত কোচ ৰাজবংশীসকলৰ সমাজ ব্যৱস্থাত গঢ় লৈ উঠা ঐতিহ্যমণ্ডিত কোচ ৰাজবংশী ভাষা-সংস্কৃতি সমূহক বহুতে গোৱালপৰীয়া ভাষা বা সংস্কৃতি নামেৰে নামকৰণ কৰি কোচ ৰাজবংশীসকলৰ স্বাভিমানত বাৰুকৈয়ে আঘাত হানিছে।

এইক্ষেত্ৰত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক ড০ পৰমানন্দ ৰাজবংশীয়ে লিপিবদ্ধ কৰিছে এনেদৰে - ''আজি আমাৰ বুদ্ধিজীৱী আৰু পণ্ডিতসকলে সাম্প্ৰতিক ভৌগোলিক পৰিস্থিতিকো আওকাণ কৰি গোৱালপৰীয়া সংস্কৃতি নামকৰণেৰেও ধুবুৰী, কোকৰাঝাৰ, বঙাইগাঁৱৰ বাসিন্দাসকলৰ মনত দুৰ্বোধ্যতাৰ সৃষ্টি কৰিছে। অবিভক্ত গোৱালপাৰাৰ সৰহ সংখ্যক কোচ ৰাজবংশীয়ে জীয়াই ৰখা ঐতিহ্যমণ্ডিত সংস্কৃতিক আজি গোৱালপৰীয়া বুলি ক'লোঁ; পিছে কোকৰাঝাৰৰ খেৰাই-বাগুৰুম্বাখিনিক বাৰু কিয় গোৱালপৰীয়া বুলি কোৱা নহয়? ভাৰিগান, কুশান গান আদি লোক সম্পদখিনিক যদি গোৱালপৰীয়া বুলি কোৱা হয় খেৰাই, বাগুৰুম্বা কিয় নহ'ব, যদি জিলাভিত্তিক নামকৰণৰ বাবেই এয়া সম্পন্ন হৈছে ('শুক্লধ্বজ' স্মৃতিগ্ৰন্থ, মুখ্য সম্পাদক - চন্দ্ৰা দেৱী, বঙাইগাঁও জিলা প্ৰশাসনৰ উদ্যোগত ৫০৭ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপন, ১০ ফেব্ৰুৱাৰী, ২০১৭ ইং, পৃষ্ঠা - ২৪)''।

গতিকে কোচ ৰাজবংশীসকলৰ ভাষাক 'গোৱালপৰীয়া' নামেৰে নামকৰণ কৰাৰ কোনো যুক্তি নাই ।

কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষাটোক 'কোচ ৰাজবংশী' নামেৰে নামকৰণ ঃ

বিশিষ্ট শিক্ষাবিদ কুমাৰ ৰাজেন্দ্ৰ নাৰায়ণ দেৱে তেওঁৰ "Select Vocables of the Koch Rajbonshi Language" নামৰ গ্ৰন্থৰ Introduction - ত লিপিবদ্ধ কৰিছে এনেদৰে - "But Sir George Grierson indentifies their language as Rajbongshi Language which is a misnomer, Historically there in no such ethnic group as Rajbongshi, it is a term appended to the original word 'Koch' in the late 16th century when Biswa Singha of the Koch tribe established a Royal dynasty and the people of the Koch tribe claiming lineage real or fictitious with the Royal dynasty called themselves Rajbongshi (First adition, April, 2006).

দেৱে ভাষাটোৰ নাম 'কোচ ৰাজবংশী' নামটোকে সমৰ্থন কৰি কয় যে - "A language which could maintain a uniform status for a period of more than a thousand years must have been an established language, a form of apabhramsa and since all Prakrits are apabhramsa, the Koch Rajbongshi language also nothing short of a Prakrit-it is an Eastern form of Prakrit tending towards modernity," ('Select Vocables of the Koch Rajbonshi Language', First edition, April,2006).

কোচ ৰাজবংশী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত অৰুণ কুমাৰ ৰায়েও কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষাৰ নাম 'কোচ ৰাজবংশী' নামটোকে সমৰ্থন কৰি গৈছে তেওঁ লিখা 'কোচ ৰাজবংশী ভাষাৰ অভিধান' নামৰ গ্ৰন্থখনৰ জৰিয়তে।

কোচ ৰাজবংশী সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি প্ৰয়াত কৃষ্ণমোহন অধিকাৰীয়েও ১৯৯৯ চনৰ ১৭ আৰু ১৮ এপ্ৰিলত কোচ ৰাজবংশী সাহিত্য সভাৰ প্ৰথম অধিবেশন ও ভাষা ভিত্তিক অভিবৰ্তন উপলক্ষে উলিওৱা

স্মৃতিগ্ৰন্থখনত ‘কোচ ৰাজবংশী ভাষাৰ প্ৰচলিত ক্ৰিয়া বিভক্তি আৰ ধাতু ৰূপ’ নামৰ প্ৰবন্ধৰ জৰিয়তে ভাষাৰ নাম ‘কোচ ৰাজবংশী’ টোকে সমৰ্থন কৰিছে।

বৰ্তমানৰ কোচ ৰাজবংশী সাহিত্য সভাৰ আলোচনী সম্পাদক ৰঘুনাথ চৌধৰীয়েও ‘কোচ ৰাজবংশী ভাষাৰ ব্যাকৰণ’ আৰু ‘কোচ ৰাজবংশী ভাষা শিকোঁ আহা’ নামৰ গ্ৰন্থ দুখন লিখি ভাষাৰ নাম ‘কোচ ৰাজবংশী’টোকে সমৰ্থনৰ ইংগিত দিছে।

যিহেতু ভাৰতবৰ্ষত ‘ৰাজবংশী’ নামৰ কোনো নৃ-গোষ্ঠী নাই আৰু আজিৰ তাৰিখত যিহেতু কোচসকল সাংবিধানিক আৰু সাংস্কৃতিকভাৱে ‘কোচ ৰাজবংশী’ হিচাপে স্বীকৃত সেয়ে এই জনগোষ্ঠীৰ ভাষাৰ নাম ‘কোচ ৰাজবংশী’ হোৱাটোয়ে বিধেয়।

যদিও হডচনে কোচ ভাষা দ্ৰুতগতিত বাংলা ভাষাৰ লগত মিলি গৈছে বুলি কৈছে; তথাপি চিক্‌নাঝাৰ বেল্টৰ বৰ্তমান বিজনী আৰু চিদলী ৰাজ্যৰ অন্তৰ্গত কোচ ৰাজবংশীসকলে আজিও নিজৰ ভাষা-সংস্কৃতি অক্ষত অৱস্থাত জীয়াই ৰাখিবলৈ সক্ষম হৈছে। কোকৰাঝাৰ চহৰৰ পৰা ৩৫ কিঃমিঃ উত্তৰে হিমালয় পাদদেশত অৱস্থিত চিক্‌নাঝাৰ। এই চিকনাঝাৰ বেল্টটো গভীৰ অৰণ্যৰে ভৰা। গতিকে তাৰে বাসিন্দা কোচ ৰাজবংশীসকল সকলো দিশতে পিছপৰা আছিল বাবে জংলী বা কোচ ৰাজবংশী শব্দ ‘ঝাৰুৱা’ হিচাপে খ্যাত। ঘন জংঘলক কোচ ৰাজবংশীসকলে ‘ঝাৰ’ বুলি কয়। ঝাৰুৱাৰ অৰ্থ হ’ল অসংস্কৃত অৰ্থাৎ আদিম অৱস্থাত ৰৈ থকা। আজিও এই বেল্টৰ বা খুঁটাঘাট পৰগনাৰ কোচ ৰাজবংশীসকলে উপাস্য দেৱতাক পূজা কৰোতে মদৰ প্ৰয়োজন হয়।

ইয়াৰ উপৰিও কোচ ৰাজবংশী জনগোষ্ঠীৰ আন এটা উপগোট হ’ল ঘুলীয়াসকল। সাধাৰণতে ঘুল্লা পৰগনাৰ কোচ ৰাজবংশীসকলক ঘুলীয়া বুলি কোৱা হয়। কোচ ৰাজবংশীৰ একাংশই প্ৰাচীন কালতেই আৰ্যৰ প্ৰভাৱত পৰিছিল অৰ্থাৎ প্ৰাচীন কালতেই ঘুল্লা পৰগনাৰ কোচ ৰাজবংশীসকলৰ ভাষা-সংস্কৃতিৰ ওপৰত সংস্কৃতায়নৰ প্ৰভাৱ পৰাত মূল জনজাতীয় বৈশিষ্ট্য হেৰাই গৈছে অৰ্থাৎ নষ্ট হৈছে। ঘুলীয়াসকলৰ লগুণ লোৱা প্ৰথা অতি প্ৰাচীন। ঘুলীয়া শব্দটো কোচ ৰাজবংশী শব্দ। ঘুলীয়াৰ অৰ্থ নষ্ট হোৱা অৰ্থাৎ ব্ৰাত্য ক্ষত্ৰিয়। যেনে - অসমীয়া

১/‘ধান বিলাক পানী পাই নষ্ট হৈছে’। কোচ ৰাজবংশী ভাষাত হ’ব ১/ ‘ধানগিতি ঘুলাইছে’। ঘুলীয়া সমাজত মদ্য সেৱন, গাহৰি-কুকুৰা খোৱা আৰু পালন নিষিদ্ধ। তেওঁলোকে মদ বনাবও নাজানে। তেওঁলোক বহুযুগ পূৰ্বৰে পৰা লগুণ ব্যৱহাৰ কৰি আহিছে। ঘুলীয়াসকলৰ সমাজ ব্যৱস্থাত ‘উপনয়ন পৰ্ব’ অনুষ্ঠিত কৰাৰ পৰম্পৰা আজিও অব্যাহত আছে।

ঘুলীয়াসকলৰ বাসস্থান ঘুল্লা পৰগনাই সামৰি লয় গৌৰীপুৰ, ধুবুৰী, গোলকগঞ্জ আৰু উত্তৰ ৰংপুৰ (বৰ্তমান বাংলাদেশৰ অন্তৰ্গত)। গতিকে দেখা যায় গৌৰীপুৰ অঞ্চলৰ কোচ ৰাজবংশীসকলৰ ভাষা-সংস্কৃতিত জনজাতীয় বৈশিষ্ট্য তুলনামূলকভাৱে কম।

কোচ ৰাজ্যৰ প্ৰাচীন ৰাজধানী আৰু মহাৰাজ নৰনাৰায়ণ আৰু বিশ্ব মহাবীৰ চিলাৰায়ৰ পিতৃ বিশ্বসিংহৰ ভেটি মাটি চিক্‌নাঝাৰ অঞ্চল বা কোচ সাম্ৰাজ্যৰ অন্তত ৰৈ যোৱা দুখন কোচ ৰাজ্য বিজনী আৰু চিদলীৰ কোচ ৰাজবংশীসকলে আজিও নিজৰ জনজাতীয় বৈশিষ্ট্য সম্পন্ন ভাষা-সংস্কৃতি জীয়াই ৰাখিছে।

আনকি বিজনী আৰু চিদলী কোচ ৰাজ্য দুখন ১৯৫৬ চনৰ ১৬ এপ্ৰিললৈ বৰ্তী আছিল। পৰৱৰ্তী সময়ত Assam State Aquisition of Zamindaries Abolition Act, 1956 আইনখনৰ জৰিয়তে দুয়োখন কোচ ৰাজ্যক অসমৰ সৈতে চামিল কৰি বিলুপ্ত কৰি দিলেও চিদলী কোচ ৰাজ্যৰ ৰাজবাৰী আৰু বিজনী কোচ ৰাজ্যৰ ৰাজবাৰী বঙাইগাঁও জিলাৰ বিদ্যাপুৰ আৰু অভয়াপুৰীত সগৌৰৱেৰে আজিও জিলিকি থকাই নহয় ৰাজ্য দুখনৰ উত্তৰাধিকাৰীসকলেও প্ৰাচীন ঐতিহ্যৰ চাকি গচি ঢিমিক-ঢামাক কৈ হলেও জ্বলাই ৰাখিছে।

বিজনী আৰু চিদলী কোচ ৰাজ্যৰ অন্তৰ্গত চিক্‌নাঝাৰ বেল্ট (কোকৰাঝাৰ, বঙাইগাঁও আৰু চিৰাং) অঞ্চলৰ কোচ ৰাজংবশী সকলৰ প্ৰচলিত ভাষা, ঠাইৰ নাম আৰু শব্দ অসমীয়া অৰ্থসহ তলত চমুকৈ বিৱৰণ এটা দিলো -

<u>কোচ ৰাজবংশী</u>	<u>অসমীয়া</u>
১/ গাৰাগ’ ঘুকেক।	গাঁতত হাতখন সুমুয়াই দিয়া।
২/ চ’ বেৰাবা যাং।	বলা ফুৰিবলৈ যাওঁ।

৩/ ময় ভাত খাং।	মই ভাত খাও।
৪/ ময় যাং।	মই যাও।
৫/ ময় দাছ নাপাং।	মই নাজানো।
৬/ মানুষগ’ মস্ত বাহী।	মানুহজন মইবৰ স্বভাৱৰ ।
৭/ নদীৰ কাখে কাখে বগৰী গাছ আছে।	নৈৰ পাৰে পাৰে বগৰী গছ আছে।
৮/ ভোতা কুকুৰগো ভুকিবা ধৰিছে।	মতা কুকুৰটোৱে ভুকিব ধৰিছে।
৯/ ঝাৰত একটা ৰুনীহাটী দেখিলুং।	জংঘলত এটি সৰু হাতী দেখিলো।
১০/ ৰুণী গুৱাগ’ ফলিয়া আছে।	সৰু জাতৰ তামোল ডাল ফলি আছে।
১১/ যেলা ভোক লাগিব সেলাচি দাছ পাবি।	যেতিয়া ভোক লাগিব তেতিয়া হে বুজি পাবা।
১২/ দিল্লী অনেক দূৰাইত।	দিল্লী বহু দূৰত।
১৩/ আস্তে আস্তে আয়।	লাহে লাহে আহা।
১৪/ তুমিৰা কুতিৰ পৰা আহিছ।	তোমালোক ক’ৰ পৰা আহিছা।
১৫/ তামাৰ ঘৰ কুন্ঠায় ?	সিহঁতৰ ঘৰ ক’ত ?
১৬/ চৰেগ’ ধান খায়া আছে।	কুকুৰাটো ধান খাই আছে।
১৭/ গৰুগ’ ঝাৰবাৰীত সোন্দাইল।	গৰুটো হাবিত সোমাল।
১৮/ আমিৰা দাছ নাপাং।	আমি নাজানোঁ।
১৯/ তামাৰ ঘৰ কুতি ?	সিহঁতৰ ঘৰ ক’ত ?
২০/ অৰ ঘৰ কুন্ঠায় দাছ নাপাং।	তেওঁৰ ঘৰ ক’ত নাজানো।
২১/ সাইগ’ কিতে ?	সৌটো কিনো ?
২২/ অয় কায় ?	তেওঁ কোন ?
২৩/ তামাৰ ঘৰ কুন্ঠায় ?	সিহঁতৰ ঘৰ ক’ত ?
২৪/ বৈনীগ’ কান্দিয়া আছে।	ভন্টিয়ে কান্দি আছে।

শব্দ ঃ

<u>অসমীয়া</u>	<u>কোচ ৰাজবংশী</u>
খুৰা	দাদি
খুৰী	খুৰাই
আকাশ	দেউতা
তৰা	তাৰাঙি
মতা	আপা
তিৰোতা	আপি
স্বামী	ভাতাৰ
তামোল	গুৱা
মেকুৰী	নাকাৰ
নিমখ	নুন
তেওঁ	অয়
সিহঁতৰ	তামাৰ
তোমালোক	তুমিৰা
কুকুৰা	ডেকেৰা
হাঁহ	হাস
গাহৰি	বাৰা
মা-দেউতা	মাও-বাপ
ম’হ	ভইচ
বৰা-ধান	বনি-ধান
শামুক	শাউমকা
ভেকুলি	বেং

ৰাস্তা	সড়ক
কাউৰী	কাউৰা
বৰষুণ দিয়ে	পানী পৰে
সিহঁত	তামি
তেওঁৰ দৰে	অৰ হেনা
আমালোক	আমিৰা
ক'ত	কুতি
মই নাজানোঁ	ময় দাছ নাপাং।
সিহঁত	তামি
সিহঁতৰ	তামাৰ
ভৰি	ঠেং
কেৰাহী	কাৰাই
খং	গোসা
নিগনি	নিহুত, নিসুত
টোপনি	ঘুম, নিন্দ
ডিঙি	গলা
ঠাই	জাগা
বাকলি	চোছা
পিৰালি	কাখি
ফৰিং	কুকতি
ভূৰ	ভেলা
মধুৰী আম	সুপাৰী
পৰুৱা	পিপৰ

দহিকতৰা	দৈলং
বুলবুলি	দংকলা
পাটমাদৈ	পাণমাহা
পইতাচোৰা	কুলুঙা
গেদগেদী (মাছ)	ঘাকসী, নিন্দপাৰী

কোচ ৰাজবংশী ভাষাৰ বিপৰীত শব্দ অসমীয়া অৰ্থৰে সৈতে -

<u>**কোচ ৰাজবংশী**</u>	<u>**অসমীয়া**</u>
আগিলা-পাচিলা	আগফাল-পিছফাল
আগা-পাছা	অগা-পিছা
উচা-নীচা	ওখ-চাপৰ
অলপো-বিস্তৰ	অলপ-বহুত
আগেদি-পাছেদি	আগফালেদি-পিছফালেদি
উল্টা-পাল্টা	ওলট-পালট
উজান-ভাটি	উজনি-নামনি
চাৰোৰা-চাপাৰা	ওখ-চাপৰ
টাটকা-কুইয়া	সজীৱ-গেলা
ঢাঙা-চাপাৰা	ওখ-চাপৰ
এত্তি-সেত্তি	এইফালে-সেইফালে
গাহেক-খানিক	বেছি-কম
গোটা-চেপ্টা	গোটা-চেপেটা
জোলা-টেন্টন	হোজা-বুদ্ধিমান
আজালা-সিয়ান	হোজা- বুদ্ধিমান

টিলা-দহলা	ওখ-নামনি
গৰ-আগাল	গুৰি-আগ
মৰা-জিউতা	মৰা-জীয়া
তল-উপৰ	তল-ওপৰ
খাটা -লম্বা	চুটি-দীঘল
ঢাপা-আটো	বহল-ঠেক

কোচ ৰাজবংশী ভাষাৰ পুংলিঙ্গ আৰু স্ত্রিলিঙ্গ অসমীয়া অৰ্থৰে সৈতে -

কোচ ৰাজবংশী	অসমীয়া
আপা-আপী	পুৰুষ-মহিলা
মাওঠা-মাওঠী- (জন্তুৰ ক্ষেত্ৰত)	মতা-মাইকী
ডেকেৰা-ডেকেৰী	কুকুৰা-মুৰ্গী
টাঙল-টাঙিলী (ঘোঁৰা)	মতা-মাইকী (ঘোঁৰা)
ভোতা-ভুতি (কুকুৰ)	মতা কুকুৰ- মাইকী কুকুৰ
হাঁসা-হাসিনী (হাঁহ)	মতা হাঁহ- মাইকী হাঁহ
বোন্দা- বুন্ধী (মেকুৰী)	মতা মেকুৰী- মাইকী মেকুৰী
ভাতাৰ - তিৰী	পতি-পত্নী
ভাই- বইনী	ভাই-ভনী
চেংৰা-চেংৰী	ডেকা-গাভৰু
আতা-আবু	ককা-আইটা
মাকানা -মাকিনী (হাতী)	মখনা-মাখুন্দী

***

সহায়ক গ্ৰন্থৰ তালিকা
Bibliography

1. ‘অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত’- ড° সত্যেন্দ্ৰ নাথ শৰ্মা। দশম সংস্কৰণ, পুনৰ মুদ্ৰণঃ ২০২২, প্ৰকাশকঃ সৌমাৰ প্ৰকাশ, ৰিহাবাৰী, গুৱাহাটী- ৮।
2. ‘অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ’- ড° উপেন্দ্ৰ নাথ গোস্বামী, একাদশ প্ৰকাশঃ ২০২২, প্ৰকাশকঃ মণি-মাণিক প্ৰকাশ, পাণবজাৰ, গুৱাহাটী-৭৮১০০১।
3. ‘অসমীয়া ভাষা’- ড° ভীমকান্ত বৰুৱা, দ্বিতীয় সংশোধিত প্ৰকাশঃ ২০০৬ চন, প্ৰকাশকঃ বনলতা, ডিব্ৰুগড়, ৭৮৬০০১।
4. ‘অসমৰ ভাষা’ - ড° ভীমকান্ত বৰুৱা, পঞ্চম পৰিবৰ্ধিত সংস্কৰণঃ জানুৱাৰী, ২০১০ চন, প্ৰকাশকঃ বনলতা, ডিব্ৰুগড়।
5. ‘ৰাজবংশী ভাষা-সাহিত্যৰ পৰিচয়’- ড° দ্বিজেন্দ্ৰ নাথ ভকত, প্ৰথম প্ৰকাশঃ ২০০০ চন, প্ৰকাশক ঃ চেন্টাৰ ফৰ এথনিক ষ্টাডিং এণ্ড ৰিচাৰ্চ, চিলাৰায় মহাবিদ্যালয় চৌহদ, গোলকগঞ্জ - ৭৮৩৩৩৪।
6. ‘অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব’-কালিৰাম মেধি পুনৰ মূদ্ৰণ; ২০১৯, ২০২১, প্ৰকাশকঃ লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী)
7. ‘চৰ্য্যাপদ’ - ড° পৰীক্ষিত হাজৰিকা, চতুৰ্দশ তাঙৰণঃ ফেব্ৰুৱাৰী- ২০২০, প্ৰকাশিকাঃ ডালিমী প্ৰকাশন, ফটাশিল- আমবাৰী, গুৱাহাটী- ২৫।
8. ‘ব্ৰজাৱলী সাহিত্য মুকুৰ’- ভৱজিৎ বায়ন, দ্বিতীয় সংস্কৰণঃ জুন, ২০১৭ চন, প্ৰকাশকঃ পাহি প্ৰকাশ, বাইলেন-১, ঘৰৰ নং- ২০, গান্ধীবস্তি, গুৱাহাটী- ৩।
9. ‘পৃথিৱীৰ বিভিন্ন ভাষা’- ড° নগেন ঠাকুৰ। সপ্তম প্ৰকাশঃ আগষ্ট, ২০১৪, প্ৰকাশকঃ জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী- ৭৮১০০১।

10. 'Structure of Assamese'- G.C. Gaswami, First Edition : Reprint: 2021, Published, Guwahati University Press.

11. 'প্ৰাকৃত পাঠ'- ড° কেশৱানন্দ দেৱ গোস্বামী, ড° ভীমকান্ত বৰুৱা প্ৰকাশকঃ বনলতা, নতুন বজাৰ, ডিব্ৰুগড়-১।

12. 'পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য'- ড° নগেন পাঠক, দশম সংশোধিত সংস্কৰণ, ২০১৫চন। প্ৰকাশকঃ কে. এম. পাব্লিছিং, পাণবজাৰ, গুৱাহাটী-১।

13. 'সংস্কৃত পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ'-লীলাৱতী শইকীয়া বৰা, চতুৰ্থ প্ৰকাশঃ ডিচেম্বৰ, ২০১৯, প্ৰকাশকঃ বনলতা, পাণবজাৰ, গুৱাহাটী- ১।

14. 'উদ্ভৱকালীন অসমীয়া ভাষা'- ড° সুবাসনা মহন্ত, প্ৰথম সংস্কৰণঃ ফেব্ৰুৱাৰী, ২০০৩, প্ৰকাশকঃ বনলতা, ডিব্ৰুগড়, ৭৮৬০০০১।

15. 'উপভাষা বিজ্ঞান'-দীপাংকৰ মৰল, চতুৰ্থঃ জুলাই, ২০১৬, প্ৰকাশকঃ বনলতা, পাণবজাৰ, গুৱাহাটী-১।

16. 'শিৱসাগৰ আৰু গোৱালপাৰা জিলাৰ উপভাষা'- ড° দিলীপ ৰাজবংশী, প্ৰথম প্ৰকাশঃ ফেব্ৰুৱাৰী, ২০১৭, প্ৰকাশকঃ অসম পাবলিচিং কোম্পানী, পাণবজাৰ, গুৱাহাটী- ১।

17. 'অসমীয়া ভাষাৰ উপভাষা; সম্পাদনাঃ দীপ্তিফুকন পাটগিৰি, দ্বিতীয় মুদ্ৰণঃ ২০১৫, প্ৰকাশকঃ গুৱাহাটী বিশ্ববিদ্যালয়।

18. 'ভাষাবিজ্ঞান উপক্ৰমণিকা'- ড° অৰ্পনা কোঁৱৰ, নৱম সংস্কৰণঃ এপ্ৰিল, ২০২১, প্ৰকাশকঃ বনলতা, নতুন বজাৰ ডিব্ৰুগড়- ১

19. 'কীৰ্তন-ঘোষা আৰু নাম-ঘোষা', সম্পাদনা ভৱজিত বায়ন, তৃতীয় প্ৰকাশঃ জানুৱাৰী, ২০২১, প্ৰকাশক আৰ. জি. পাব্লিকেশ্চনছ, পাণবাজাৰ, গুৱাহাটী।

20. 'বেউলা-লক্ষিন্দাৰ (পদ্ম-পুৰাণ-ভাটিয়ালি খণ্ড) মনকৰ।

21. ‘অসমীয়া ভাষাৰ ইতিহাস’- ড° ৰমেশ পাঠক, দশম প্ৰকাশঃ জুন ২০১৪, প্ৰকাশকঃ অশোক বুক ষ্টল, পাণবজাৰ, গুৱাহাটী-১।

22. ‘ভাষাতত্ত্ব’-দীপ্তি ফুকন পাটগিৰি, সপ্তম সংস্কৰণঃ আগষ্ট, ২০১৪ চন, প্ৰকাশকঃ বনলতা, নতুন বজাৰ ডিব্ৰুগড়- ১।

23. ‘অসমীয়া আৰু অসমৰ তিব্বত-বৰ্মীয় ভাষা’ ঃ ড° উপেন ৰাভা হাকাচাম, ষষ্ঠ সংস্কৰণঃ জানুৱাৰী, ২০১৭, প্ৰকাশকঃ শ্ৰীমতী মঞ্জুলা ৰাভা হাকাাচামজাক, হাকাচাম কাওছাদাম, ধূপধৰা (ৰাভা পাৰা), গোৱালপাৰা।

24. অসমৰ সংস্কৃতি-কোষ - মূখ্য সম্পাদক ঃ ড০ নাৰায়ণ দাস, সম্পাদক ঃ ড০ পৰমানন্দ ৰাজবংশী, দ্বিতীয় প্ৰকাশঃ জুলাই, ২০১৪, জ্যোতি প্ৰকাশন, গুৱাহাটী - ১।

25. অসমৰ লোক সাহিত্য - শশী শৰ্মা, পৰিবৰ্ধিত দ্বিতীয় সংস্কৰণ ঃ অক্টোবৰ, ২০১১ স্টুডেন্টচ্ ষ্ট’ৰচ্, গুৱাহাটী - ১।

26. অসমৰ লোক-সংস্কৃতি - ড° বিৰিঞ্চি কুমাৰ বৰুৱা, দ্বাদশ সংস্কৰণ ঃ জানুৱাৰী - ২০১৫, বিনা লাইব্ৰেৰী, গুৱাহাটী -১।

27. অসমীয়া লোক-সংস্কৃতিৰ আভাস - ড° নবীন চন্দ্ৰ শৰ্মা, ষষ্ঠ প্ৰকাশ ঃ ২০১৮, বাণী প্ৰকাশ, পাণবজাৰ, গুৱাহাটী - ১।

28. অসমীয়া সংস্কৃতি - সংকলন আৰু সম্পাদনা - স্বৰ্গীয় হৰিপ্ৰসাদ নেওগ, স্বৰ্গীয় লীলা গগৈ, পঞ্চম প্ৰকাশ ঃ ২০১৩, বনলতা, অসম সাহিত্য সভা, ডিব্ৰুগড়।

29. গোৱালপৰীয়া লোক-সংস্কৃতি আৰু লোকগীত - ড° ধীৰেন দাস, প্ৰথম প্ৰকাশ, ১৯৯৪, ডিচেম্বৰ, চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী - ১।

30. বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি - ভৱেন নাৰ্জ্জী, পুনৰ মুদ্ৰণ ঃ ২০০১, বীণা লাইব্ৰেৰী, গুৱাহাটী - ১।

31. অসমৰ লোক সংস্কৃতিৰ ৰূপৰেখা - উমেশ চেতিয়া, প্ৰথম প্ৰকাশ, মাৰ্চ ২০০৮, প্ৰকাশক কিৰণ প্ৰকাশন, ধেমাজী - ৭৮৭০৫৭।

32. ৰাভা জনজাতি - ৰাজেন ৰাভা, প্ৰকাশক, অসম সাহিত্য সভা।

33. কালিকাপুৰাণ - অনুবাদ দেৱেন্দ্ৰ নাথ ভট্টাচাৰ্য্য, প্ৰথম সংস্কৰণ ২০০৮, বাণী মন্দিৰ, পাণ বজাৰ, গুৱাহাটী - ১।

34. ৰাজবংশী ভাষাৰ ইতিহাস - দেৱেন্দ্ৰ নাথ বৰ্মা, ২০১২, প্ৰকাশক, জয়জিৎ মুখাৰ্জী, সোপাণ ২০৬ বিধান সৰণি, কলকাতা - ৭০০০০৬।

35. অসমীয়া জাতিৰ ইতিবৃত্ত ঃ সম্পাদনা - সংকলন - গিৰিধৰ শৰ্মা, চতুৰ্থ প্ৰকাশ, জুলাই ২০০১, অসম সাহিত্য সভা।

36. বৰাক উপত্যকাৰ অসমীয়া ইতিহাস - ইছমাইল হোছেইন, দ্বিতীয় সংস্কৰণ, নৱেম্বৰ ২০১৮, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী - ১।

37. জনজাতি আৰু গাৰো জনজাতি - ড° বিমল মজুমদাৰ, প্ৰথম সংস্কৰণ, জানুৱাৰী ২০০৪, বীণা লাইব্ৰেৰী, গুৱাহাটী - ১।

38. জমিদাৰকালীন গোৱালপাৰা জিলাৰ আৰ্থ-সামাজিক অৱস্থা - ড° অমলেন্দু গুহ, ভৱানী দ্বিতীয় সংস্কৰণ, ছেপ্তেম্বৰ ২০১৪।

39. Folk literature of Bodos - Dr. Anil Boro, 2nd Edition : 2010 (revised) N.L. Publications, Panbazar, Guwahati - 1.

40. Religious Practices of the Deoris - Saranam Deori, Bina Library, Guwahati - 1.

41. Madhupur : Satra Institution & Culture-Cheif Editor-Dr. Paramananda Rajbongshi, Editor - Dulen Borah.

42. ভাৰতৰ ইতিহাস - ড° ডি ডি কৌশাম্বী, অনুবাদ - বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ষষ্ঠ প্ৰকাশ ঃ আগষ্ট, ২০১৪, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী - ১।

43. জনজাতীয় সংস্কৃতিৰ ৰূপৰেখা, সম্পাদনা - অমল চন্দ্ৰ দাস, প্ৰশান্ত মাধৱ বৰা, প্ৰথম প্ৰকাশ ঃ ফেব্ৰৱাৰী ২০১১, অসম সাহিত্য সভাৰ এক সপ্ততিতম দেৰগাঁও অধিবেশনৰ হৈ এন. এল পাব্লিকেশ্বনছ, পাণবজাৰ, গুৱাহাটী - ১।

44. কুশান গান - ড° দ্বিজেন্দ্ৰ নাথ ভকত, তৃতীয় প্ৰকাশ ঃ মে ২০১৫, বনমালী প্ৰকাশন, বিদ্যাপাৰা, ধুবুৰী - ৭৮৩৩২৪।

45. The Cooch Behar State and its Land Revenue Settlement - H.N. Choudhury, First Printed 2010, Edited by - Dr. Nipendra Nath Pal, N.L. Publishers, Shiva Mandir, Siliguri, West Bengal.

46. অসমৰ জনজাতি - সম্পাদক - ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, তৃতীয় সংস্কৰণ ঃ অক্টোবৰ ২০০৮, অসম সাহিত্য সভা।

47. কোচ বিহাৰেৰ ইতিহাস, খাঁ চৌধুৰী আমানতউল্লা আহমদ (প্ৰথম খণ্ড), মডাৰ্ন বুক এজেন্সি প্ৰাইভেট লিমিটেড, কলকাতা, পুনৰ মুদ্ৰণ ঃ ২০০১।

48. চিলাৰায় আৰু তেওঁৰ সময়ছোৱা - মূল জ্যোতিপ্ৰসাদ ৰাজখোৱা (অনুবাদ- অঞ্জন শৰ্মা), প্ৰথম প্ৰকাশ ঃ নৱেম্বৰ, ২০০৩, পাৱাৰশ্বিফ্ট, তপোবন কমপ্লেক্স, গুৱাহাটী - ৯।

49. ইতিহাস প্ৰসংগ, কোচ ৰাজবংশীৰ স্বাধিকাৰ আন্দোলন - প্ৰমোদ বৰা, প্ৰথম প্ৰকাশ ঃ জুলাই ২০১৭, আখৰ প্ৰকাশ, পাণবজাৰ গুৱাহাটী - ১।

50. কোচ ৰাজ্যৰ বুৰঞ্জী - ড° অজিত কুমাৰ বৰুৱা, প্ৰথম প্ৰকাশ ঃ জুন ২০১৬, পূৰ্বাঞ্চল প্ৰকাশ - দিছপুৰ, গুৱাহাটী - ৬।

51. প্লেন্টাৰ ৰাজৰ পৰা স্বৰাজলৈ - অমলেন্দু গুহ, অন্বেষা সংস্কৰণ, ২০১৬, অন্বেষা পাব্লিকেশ্বনছ, নৱগ্ৰহ ৰোড্, গুৱাহাটী - ৩।

52. জনজাতিকৰণৰ ৰাজনীতি আৰু গোষ্ঠী সংঘাত - কিশোৰ কুমাৰ কলিতা, প্ৰথম প্ৰকাশ, ডিচেম্বৰ ২০১৬, আখৰ প্ৰকাশ, পাণবজাৰ গুৱাহাটী - ১।

53. A History of Assam - Sir Adward Gait, Reprinted Edition - January 2008, Bina Library, Guwahati-1.

54. An Introduction to the land laws of Assam - J.N. Das, 9th Edition, 1996, Book Land, Panbazar, Guwahati - 1.

55. স্বায়ত্ত শাসনৰ দাবী আৰু জনগোষ্ঠীয় আন্দোলন - মুনীন্দ্ৰ দাস, প্ৰথম সংস্কৰণ - ২০১৭, অসম বুক ট্ৰাষ্ট, পাণবজাৰ গুৱাহাটী-১।

56. Early History of Kamrupa - K.L. Barua, Reprint : 2008, LBS Publications, Guwahati, New Delhi.

57. কোচ ৰাজবংশী জনগোষ্ঠীৰ ইতিহাস আৰু সংস্কৃতি - অম্বিকা চৰণ চৌধুৰী, তৃতীয় প্ৰকাশ ঃ ১৬ আগষ্ট, ২০১১, প্ৰকাশক প্ৰদ্যুৎ প্ৰকাশ চৌধুৰী, বঙাইগাঁও।

58. কোচ জনগোষ্ঠীৰ অতীত সন্ধানত এটি খোজ - শিৱেন্দ্ৰ নাৰায়ণ কোচ, প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০১২, প্ৰকাশক - মেঘালয় কোচ সন্মিলনী, তুৰা।

59. Kirata Jana Kriti - Suniti Kumar Chatterji, 3rd Edition in March 2011, The Asiatic Society, Kolkata - 700016.

60. কোচ ৰাজবংশী জনজাতি - দ্বিজেন্দ্ৰ নাথ ভকত, দ্বিতীয় প্ৰকাশ ঃ ফেব্ৰুৱাৰী, ২০১৪, প্ৰকাশিকা - অনন্যা ভকত, বিদ্যাপাৰা, ধুবুৰী - ৭৮৩৩২৪।

61. The Kacharis - Rev. Sidney Endle, Indian Reprint - 2010, Akansha Publishing House.

62. অসমৰ জনজাতি সমস্যা - ড° শিৱনাথ বৰ্মন, বনলতা সংস্কৰণ ঃ মে ২০১৩, বনলতা, পাণবজাৰ, গুৱাহাটী - ১।

63. খিলঞ্জীয়াৰ অস্তিত্ব ভূমি আৰু অনুপ্ৰবেশ - কিশোৰ কুমাৰ কলিতা, প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০১২, আখৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী - ১।

64. অসমৰ সংস্কৃতি - লীলা গগৈ, পঞ্চম বনলতা সংস্কৰণ, ১৯৯৪, বনলতা, গুৱাহাটী - ১।

65. ৰাজবংশী ভাষা প্ৰসংগ - ড° দ্বিজেন্দ্ৰ নাথ ভকত, প্ৰথম প্ৰকাশ ঃ ২০০৪, Centre for Ethnic Studies & Research (CESR) Golakganj : Assam.

66. Social History of Kamrupa - N.N. Basu Vol - 1, Published in 2017 by EBH Publishers (India), M.L. Nehru Road Panbazar, Guwahati - 1.

67. অসমৰ জনজাতি ৰাজনীতি - মনোজ নাথ, প্ৰথম সংস্কৰণ ঃ ডিচেম্বৰ ২০১৩, আলিবাট, কাহিলিপাৰা, গুৱাহাটী - ১৯।

68. পৃথক ৰাজ্যৰ দাবী আৰু জনগোষ্ঠীয় আন্দোলন - মুনীন্দ্ৰ দাস, প্ৰথম প্ৰকাশ ঃ ২০১৪, অসম বুক ট্ৰাষ্ট, পাণবজাৰ, গুৱাহাটী - ১।

69. গোৱালপাৰাৰ জন ইতিহাস - শান্ত বৰ্মণ, দ্বিতীয় প্ৰকাশ ঃ জুন ২০১২, অশোক পাব্লিকেশ্বনছ, পাণবজাৰ, গুৱাহাটী - ১।

70. বড়োলেণ্ড আন্দেলন পটভূমি আৰু গতিধাৰা - মূনীন্দ্ৰ দাস, প্ৰথম প্ৰকাশ ঃ অক্টোৱৰ ২০১২,

অসম প্ৰকাশন পৰিষদ, পাণবজাৰ, গুৱাহাটী - ১।

71. অসমৰ বুৰঞ্জী- পদ্মনাথ গোহাঞি বৰুৱা, চতুৰ্থ প্ৰকাশ ঃ জুন ২০১৪, অসম প্ৰকাশন পৰিষদ, পাণবজাৰ, গুৱাহাটী - ১।

72. অসম বুৰঞ্জী - গুণাভিৰাম বৰুৱা।

73. হলিৰাম ঢেকিয়াল ফুকনৰ ৰচনাৱলী - সম্পাদনা লক্ষীনাথ তামুলী, প্ৰথম প্ৰকাশ ঃ ফেব্ৰুৱাৰী ২০০৫, অসম প্ৰকাশন পৰিষদ, পাণবজাৰ, গুৱাহাটী - ১।

74. জনগোষ্ঠীয় সমস্যা ঃ- অতীত বৰ্তমান ভৱিষ্যত - ইন্দিবৰ দেউৰী, প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ ২০০১, জাৰ্ণাল এম্প'ৰিয়াম, নলবাৰী - ৭৮১৩৩৫।

75. Thoughts on Indian Mongolians - Mr. Harlongbi Ingti Kathar, 1st Edition : May 2002.

76. জনগোষ্ঠীগত চেতনা ঃ আত্ম প্ৰতিষ্ঠাৰ প্ৰশ্ন- ড° প্ৰফুল্ল মহন্ত

77. The Koch Kingdom - Ajit Kumar Baruah, 1st Published in 2011, DVS Publishers, Panbazar, Guwahati - 1.

78. The Dooars in Historical Transition - Sailen Debnath,Publishers : Shreyashi Debnath, 2010, M.L. Publishers, West Bengal.

79. The Rajbansis of North Bengal - Cheru Chandra Sanyal, Reprinted in 2002, The Asiatic Society, Kolkata - 700016.

80. ভূমিপুত্ৰৰ মৰ্মবেদনা - গৌৰীশঙ্কৰ ভট্টাচাৰ্য, তৃতীয় সংস্কৰণ ঃ ডিচেম্বৰ ২০১৫, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী - ১।

81. ঐতিহাসিক প্ৰেক্ষাপটত জনজাতীয় সমস্যা, শংকৰদেৱ আৰু বড়ো জাতি - ড° প্ৰফুল্ল মহন্ত, প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ ২০১৪, সৃজন প্ৰকাশ, গনেশগুৰী, গুৱাহাটী - ৫।

82. জনজাতীয় স্বাধিকাৰ আন্দোলন আৰু বড়ো জাতিসত্তা - ড° প্ৰফুল্ল মহন্ত, দ্বিতীয় প্ৰকাশ ঃ ডিচেম্বৰ ২০১৪, সৃজন প্ৰকাশ, গনেশগুৰী, গুৱাহাটী - ৫।

83. ঐতিহাসিক প্ৰেক্ষাপটত খিলঞ্জীয়াৰ অস্তিত্বৰ সংকট আৰু অনুপ্ৰৱেশ - ড° প্ৰফুল্ল মহন্ত, প্ৰথম প্ৰকাশ ঃ নৱেম্বৰ ২০১৫, সৃজন প্ৰকাশ, গনেশগুৰী, গুৱাহাটী - ৫।

84. তত্ব তথ্য ইতিহাস আৰু বিতৰ্ক - ড° ৰমেশ চন্দ্ৰ কলিতা, প্ৰথম প্ৰকাশ ঃ নৱেম্বৰ ২০১৪, আখৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী - ১

85. গণতন্ত্ৰৰ নৱজীৱন - ড° হীৰেণ গোহাঁই, প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ ১৯৯৫, জানকী প্ৰকাশন, পাণবজাৰ, গুৱাহাটী - ১।

86. অসমীয়া স্বাভিমানৰ ৰূপৰেখা - ময়ূৰ বৰা, প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ ২০১৭, বনলতা পাণবজাৰ, গুৱাহাটী - ১।

87. Bodo Civilization in India - Bakul Ch. Basumatary, 1st Edition : December 2009, Published by - Mr. Daorao Dekhreb Narzary, Kokrajhar-783370.

88. অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস - ড° প্ৰফুল্ল মহন্ত, দ্বিতীয় প্ৰকাশ ঃ ২০০৯, লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ গুৱাহাটী - ১।

89. অসমীয়া জাতীয়তাবাদৰ উৎস প্ৰসংগ- ড° প্ৰফুল্ল মহন্ত, সৃজন সংস্কৰণ, ভেটাপাৰা, গুৱাহাটী - ৭৮১০২৮।

90. কাছাড়ের ইতিবৃত্ত - উপেন্দ্ৰ চন্দ্ৰ গুহ, অসম প্ৰশাসন পৰিষদ, দ্বিতীয় সংস্করণ, অক্টোবর ঃ ২০০৪।

91. গোৱালপৰীয়া সংস্কৃতি - মহঃ আব্দুল গফুৰ, বীণা লাইব্ৰেৰী, গুৱাহাটী, অসম।

92. A treaties on the bodos, Sri Bakul Ch. Basumatary.

93. The Mother Goddess Kamakhya, Dr. Banikanta Kakati.

94. পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, ড° বাণীকান্ত কাকতি, প্ৰকাশক - বাণী প্ৰকাশ মন্দিৰ।

95. An Advanced History of India, RC Majumder, HC. Raychoudhury, Kalikingkar Datta.

96. A Brief History of Assam, N.N. Acharyya, Published by Omsons Publication, T-7, Rajouri Garden, New Delhi-110027, Reprinted - 2018.

97. কোচ ৰাজবংশী লোক-সংস্কৃতিত এভূমুকি (প্ৰথম খণ্ড) - উৎপল সিংহ, প্ৰথম প্ৰকাশঃ ১৩ এপ্ৰিল, ২০২১।

98. কোচ ৰজাসকলৰ প্ৰত্নতাত্বিক সমল ঃ উৎপল সিংহ, প্ৰথম প্ৰকাশ ঃ জুন, ২০২২।